# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখঃ ১৪/০৭/২০২১ বুধবাৰ

**ইংৰাজী ১৪-০৭-২১ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত সদনৰ কাম-কাজ পূৰ্বৰ নিৰ্দ্ধাৰিত সময় মতে আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪১।

**শ্ৰীপিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীমানৱ ডেকা (লক্ষীমপুৰ) ঃ** অধ্যক্ষ মহোদয়, নতুন সদস্য হিচাপে এটা মোক স্পষ্টীকৰণ লাগিছিল। যে আমাৰ সদনৰ মজিয়াত যেতিয়া প্ৰশ্ন ৰখা হয়, উত্তৰ সদনৰ মজিয়াত দিয়া হয়, হয়নে নহয়? কিন্তু এজন সদস্য অখিল গগৈ ডাঙৰীয়াই বাহিৰত প্ৰেছমিট দি আছে। গতিকে সদন কিয় বহিব লাগে, বাহিৰতে যদি প্ৰশ্নৰ উত্তৰ হৈ যায়।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** চাৰ, পইন্ট অৰ অৰ্ডাৰ প্ৰশ্নকালীন ঘন্টাৰ পিছতহে আহে।

(হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** যেতিয়ালৈকে হাউচত প্লেছ নহয়, তেতিয়ালৈকে কথাটো বাহিৰত ক'লে সেইটো বৈধ নহয়।

**শ্ৰীমানৱ ডেকা (লক্ষীমপুৰ) ঃ** অধ্যক্ষ মহোদয়, আজি ৮.৩০ বজাত অখিল গগৈ ডাঙৰীয়াই বাহিৰত লাইভ প্ৰেছমিট দি আছে।

**মাননীয় অধ্যক্ষ ঃ** Question Hourৰ বাদে কোনো উত্তৰ কোনেও নাপায়। মই কথাটো কৈছো, যে Question Hour ত যিহেতু তেওঁ চাপ্লিমেন্টৰী কৰিব পাৰে, তাৰ কাৰণে ৰাতি Question Hourৰ হে কেৱল, যাৰ যি প্ৰশ্ন তেখেতক উত্তৰটো দিয়া হয় আৰু যি সকলৰ প্ৰশ্ন নাই তেওঁলোকৰ কোনো উত্তৰ চাপ্লাই দিয়া নহয়। সেইটো গোপনীয়তা ৰক্ষা কৰিব লাগিব সদস্য জনে, যি জনে তেওঁৰ প্ৰশ্নৰ উত্তৰটো পাইছে।

**শ্ৰীমানৱ ডেকা (লক্ষীমপুৰ) ঃ** অধ্যক্ষ মহোদয়, আজি ৮.৩০ বজাত অখিল গগৈ ডাঙৰীয়াই বাহিৰত লাইভ প্ৰেছমিট দি আছে। গতিকে এইটো ক্ষেত্ৰত গোপনীয়তা ৰক্ষা হোৱা নাই, সেই বাবে এই ক্ষেত্ৰত ব্যৱস্থা লওঁক।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উত্থাপন কৰিছে কাৰণে মই কৈছো। মইটো নাজানো কোন সদস্যই ক'ত কি কৰিছে। নিশ্চিতভাৱে যদি হাউচে কয় আজিৰ পৰা কোনো প্ৰশ্নকালীন ঘন্টাকো যেতিয়ালৈ টেবুল নহয় তেতিয়ালৈকে উত্তৰটো দিয়া নহ'ব। উত্তৰটো নাপাব যিহেতু আমাৰ প্ৰশ্নকৰ্তা সকলে।

**শ্ৰীপিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এটা কথা অলপ অলপ আমি বাৰে বাৰে কৈ আছো নতুন বিধায়ক সকলক, নীতি নিয়ম শিকি ল'ব লাগে বুলি। বাহিৰত যিমান ডাঙৰ মানুহ নহওঁক সদনতটো নতুন। গতিকে শিকি ল'ব লাগে। মন্ত্ৰী এজনে ইয়াতে নিদিয়ালৈকে সেইটো বাহিৰত যাব নালাগে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** এই আলোচনাটো প্ৰশ্নকালীন ঘন্টাৰ পিছত হ'ব

লাগে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, Rules and procedureৰ কোনটো চেক্‌চনৰ মতে হয়। মই নাজানো Rules and prasidure ৰ কোনটো চেক্‌চনৰ মতে হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কোনটোত প্ৰেছ কন্‌ফাৰেন্স দিলে, যদি আপুনি দিছে।

(হুলস্থুল)

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মই প্ৰেছ কন্‌ফাৰেন্স দিয়াই নাই। মই আহোতে কোনোৱা সাংবাদিকে কিবা প্ৰশ্ন কৰিছে, তাৰ বাহিৰে প্ৰেছ কন্‌ফাৰেন্স মই ইয়াত ক'ত দিম?

**শ্ৰীদেৱব্ৰত শইকীয়া (নাজিৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়।

(হুলস্থুল)

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আজিৰ উত্তৰ ৰাতিপুৱাই ক'ব নোৱাৰে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মোক কথাটো জনাই দিয়ক কোনটো চেক্‌চনত আছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক, মাননীয় বিৰোধী দলপতিয়ে কৈ আছে।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, কেতিয়াও কিন্তু প্ৰশ্নৰ উত্তৰটো আগতে পোৱা নাই, কাৰণ এইটো বিধান সভা সচিবালয়ৰ হয়, সেই গতিকে ইয়াতহে লে কৰে। কিন্তু প্ৰশ্নটো পাওঁ, এতিয়া কেনেকৈ এজন বিধায়কে কৈছে প্ৰশ্নৰ উত্তৰটো আগতে গৈ পালে সেইটো আপুনি চাব লাগিব। সেইটো চাই ল'ব, যদি সঁচা হয় আৰু নহয় যদি এইটো কোনো ইছুৱে নহয়। কাৰণ প্ৰশ্নটো পোৱা যায় কিন্তু উত্তৰটো পোৱা নাযায়। আজি এগৰাকী বিধায়কে কৈছে যে উত্তৰটো বাহিৰত টিভি ত টেলিকাচ হৈছে, সেইটো আমি চাব লাগিব সেইটো কথা।

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়াই আগতীয়াকৈ পঢ়াৰ বাবে দিয়াৰ ব্যৱস্থা এটা কৰিছিল, কিন্তু সেইটো পাব্লিক হ'ব নালাগে।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** পাব্লিক হ'ব নালাগে, আমি কিন্তু আজিলৈকে পোৱা নাই। এই চেচনৰো তিনিটা প্ৰশ্ন উত্তৰ গৈছে, আজিলৈকে আমি উত্তৰ পোৱা নাই।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** চাৰ, পইন্ট অৱ অৰ্ডাৰটো প্ৰশ্নকালীন ঘন্টাত কৈ আছে।

(হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** বুজি পাইছোঁ।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** চাৰ, প্ৰত্যেক দিন এইটো হৈ আছে। নহয় চাৰ, it is not the time of point of order.

**শ্ৰীভৰত নৰহ (নাওঁবৈচা) ঃ** চাৰ। (হুলস্থুল)

**শ্ৰী পিয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, বিৰোধী দলৰ দলপতিয়ে কৈছে বাহিৰত ক'ব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য সকল, ইতিমধ্যে স্পষ্টীকৰণ দিছো হাউচত।

(হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। সেইটো কাক দিয়া হৈছে মই কৈছো যি বিলাক প্ৰশ্নকৰ্তা।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** ৰ'ব চোন, শুনক চোন, শুনাৰ ধৈৰ্য্য নাথাকিলে কেনেকৈ হ'ব? গতিকে শুনাৰ

ধৈৰ্য্য থাকিব লাগিব, তেতিয়াহে কথাটো ক্লিয়াৰ হ'ব। যি সকল প্ৰশ্নকৰ্তা ৰাতিপুৰা হাউচত আহিব, তেওঁ যাতে ভালদৰে পৰিপূৰক প্ৰশ্নটোৰ নিজৰ উত্তৰটো পঢ়ি ৰেডি কৰি আহিব পাৰে তাৰ বাবে প্ৰশ্নকৰ্তা সকলক দিয়া হৈছিল, ৰাতিৰ ভিতৰত। এইটো ভালৰ কাৰণে বুলি ভাৱি দিছিলো।

(.............সদনত হুলস্থুল..............)

**মাননীয় অধ্যক্ষ ঃ** নহয়, মই দিম ৰায়টো পিছত। আপোনালোকে ৰায় দি থাকিলে মোৰ কাম কি আছে ইয়াত? গতিকে সেইটো ব্যাক্তিগত বিষয়, নিজা হিচাপে ৰাখিব লগীয়া। কাৰণ ৰাতিপুৰা তেওঁ ৮.৩০ বা ৯.০০ বজাতে হাউচত আহিব লাগে, অধ্যয়ন কৰিবলৈ। গতিকে সেইটো আজি লিক্ হ'ল, ঠিক আছে, হ'ব নালাগিছিল। কিন্তু ইয়াৰ কাৰণে আজি মই আকৌ ঘোষণা কৰিছো, আজিৰ পৰা কোনো উত্তৰ হাউচত উপস্থাপন নকৰালৈকে কোনেও ঘৰত নাপাব, সেইটো মই আজি কৈ দিলো। গতিকে সেইটোৰে কথা। এতিয়া প্ৰশ্ন নং ৪১। মাননীয় মন্ত্ৰী।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে লে কৰিছে। তাৰ পিছত পইন্ট অৱ অৰ্ডাৰ আহি গ'ল, It is not good precedence. কাৰণ ইতিমধ্যে মন্ত্ৰীয়ে লে কৰা বুলি Declare কৰিছিল।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** চৰকাৰী পক্ষৰ পৰা যিকোনো কথা ক'লে সেইটো মানি লোৱা হয় নেকি ইয়াত।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক না। প্ৰশ্নকৰ্তাই কৈ আছে। অখিল গগৈ আপুনি বহক। প্ৰশ্নকৰ্তাক সুবিধা দিয়ক।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা (নলবাৰী) ঃ** বিধান সভাৰ মৰ্য্যদা ৰক্ষা কৰিবলৈ শিকক। এইখন বিধান সভা, এইখন কোনো আন্দোলনৰ স্থান নহয়। বিধান সভাত কথা ক'বলৈ শিকক।

(হুলস্থুল)

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** এইখন কেৱল শাসক দলৰ বিধান সভা নেকি? বিৰোধী দলৰ নহয় নেকি?

(হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** হ'ব, সকলোৱে বহক।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মই প্ৰশ্নৰ উত্তৰ বিষয়ে কবলৈ ওলাইছোঁ, এনেকৈ হাল্লা কৰিলে কেনেকৈ কম মই।

**শ্ৰীঅজয় কুমাৰ ৰায় (বিজনী) ঃ** অধ্যক্ষ মহোদয়, আমি নতুন বিধায়ক হৈ আহিছো এনেকৈ কি শিকিম।

**মাননীয় অধ্যক্ষ ঃ** পৰিপূৰক প্ৰশ্ন। সকলোৱে শুনক। অজয় কুমাৰ ৰায় ডাঙৰীয়া বহক।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** প্ৰশ্নকালীন ঘন্টাত এনেকৈ হাল্লা কৰি থাকিলে নহয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সকলোৱে শান্ত হৈ থাকক।

প্ৰশ্ন নং ৪১, মাননীয় সদস্য আমিনুল ইছলাম ।(supplementary)

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিলে, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে মোৰ প্ৰশ্নটো আছিল মোৰামাৰী, বৰচাপৰি এলেকাত নদীৰ গড়াখহনীয়া চলি আছে, তাত কি ধৰণ ব্যৱস্থা গ্ৰহণ কৰিলে, তাত permanent protection হ'ব আৰু তাত কিমান বাজেট লাগিব এটা স্পষ্টীকৰণ বিচাৰিছিলো। ইয়াত উত্তৰ যিটো দিছে প্ৰশ্নৰ লগত এইটোৰ সম্পৰ্কই নাই। উত্তৰ দিছে শিলঘাটৰ পৰা ধিং মথাউৰিৰ কাৰণে

৪১৯ লাখ টকা অনুমোদন কৰা হৈছে। যিটো মথাউৰিৰ কথা কোৱা হৈছে মাননীয় অধ্যক্ষ মহোদয়, এই এলেকাটোৰ লগত সম্পৰ্কই নহয়। কথাটো হ'ল ৫০ বছৰীয়া মথাউৰি এটা মেৰামতি কৰিলে গড়াখহনীয়াৰ সমস্যা সমাধান নহয়। গড়াখহনীয়া হ'লে মথাউৰিও খহাই লৈ যায়।

মোৰ প্ৰশ্নটো আছিল গড়াখহনীয়াৰ permanent protection ৰ কাৰণে ইয়াত কি project ললে ভাল হ'ব আৰু ইয়াৰ কাৰণে কিমান টকা লাগিব। যিসকলে reply তো prepare কৰিছে, তেওঁলোকে ফিল্ডত যোৱাই নাই। তেখেতসকলে বেলেগ এটা মথাউৰিৰ কথা কৈছে যে এই মথাউৰিটোত ইমান টকা দিয়া হৈছে। ইয়াত এই কথাটোৰ পৰা প্ৰমাণ হ'ল যে সেই ইঞ্জিনিয়াৰ, এছ ডিও, এছ ও ফিল্ডত যোৱাই নাই, তেওঁলোকে গৈ পেলাই তাত কি ব্যৱস্থা লব লাগিব, কিমান টকা দিব লাগিছিল, বেলেগ মথাউৰিত কিবা কৰিবনে। এনেধৰণৰ যদি বিভ্ৰান্তি বোৰ কৰে বিষয়া সকলে, তেনেহ'লে মন্ত্ৰী মহোদয়ৰ যিমানে সদ ইচ্ছা থাকক কিয় ব্যাঘাত হ'বই। গতিকে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে এনেধৰণৰ বিভ্ৰান্তিবোৰ নাইকিয়া কৰিব লাগে।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী জলসম্পদ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে নগাওঁ জিলাৰ অন্তৰ্গত কান্ধুলিমাৰী, কমলসুঁতি, বিৰিঙাবৰি, এই তিনিটা ঠাইত খহনীয়া হৈ আছিল বুলি কৈছিলে আৰু মৰিগাওঁ জিলাৰ লেৰুৱামুক, বৰচাপৰি, উলুবাৰী এই তিনিটা ঠাইত খহনীয়া হৈ আছে বুলি কৈছে। এই ছয়টা এলেকাৰ ভিতৰত পাচঁটাত ইতিমধ্যে temporary protection ৰ কাম শেষ হৈছে আৰু কমলসুঁতিত ১৫০ মিটাৰ খহনীয়া চলি আছে, সেইটোত কাম কৰিবলৈ ইতিমধ্যে নিৰ্দেশ দিছো।

মাননীয় অধ্যক্ষ মহোদয়, আমি দুটা প্ৰক্ৰিয়াৰে খহনীয়া management কৰো। এটা হৈছে permanent protection আৰু এটা temporary protection । বাৰিষাৰ দিনত permanent measure ত protection নকৰো। কিন্তু আমি এই সময়ত অসমত প্ৰায় ১০৪ টা ঠাইত protection ৰ কাম চলাই আছো। আমাৰ মাননীয় সদস্য গৰাকীয়ে যিকেইটা কৈছে তাৰে ছয়টা ঠাইৰ ভিতৰত এটা ঠাইত আমি নতুনকৈ আৰম্ভ কৰিম। তাৰে পাচঁ ঠাইত ইতিমধ্যে কাম চলাই আছো। বানপানীৰ কাৰণে আমি ইতিমধ্যে ২১ কোটি টকা মুকলি কৰি দিয়া হৈছে। MNR ৰ কাৰণে এই বছৰ ১২২ কোটি টকা বাজেট বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই আকৌ কৈছো আমি দুটা প্ৰক্ৰিয়াৰে কাম কৰো। এটা হৈছে permanent nature ত আৰু এটা temporary nature ত । মোৰ যদিও দুমাহ হৈছে জলসম্পদ বিভাগৰ মন্ত্ৰী হিচাপে দায়িত্ব লোৱা এই সময়খিনিত অসমৰ প্ৰত্যেকটো সমষ্টিলৈ যাবলৈকে চেষ্টা কৰিছো, যদিও গোটেই খিনিত পৰা নাই ৫০ শতাংশ ঠাইত গৈছো আৰু ক'ত ক'ত কি সমস্যা আছে সেই বিষয়ে জানিব খুজিছো। বানপানী আৰু গড়াখহনীয়া অসমৰ এটা ডাঙৰ সমস্যা। এই কাৰণে আমাৰ চৰকাৰ এই ক্ষেত্ৰত serious। মই আকৌ কৈছো অলপ চালি জাৰি চাই কাম কৰিব লাগে। এই সময় খিনি যদি premanent protection ৰ কাম কৰো, তেতিয়া পানীয়ে বা সোঁতে যিখিনি কাম কৰাৰ ব্যৱস্থা কৰিম সেইখিনি উটুৱাই লৈ যোৱাৰ সম্ভাৱনা থাকে। আগতেও এই সিদ্ধান্ত আছিলে, তথাপিও মই মন্ত্ৰী হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰাৰ পিছত আমি কৈছো বানপানী সময়ত বিশেষকৈ মে মাহৰ পৰা অন্তত অক্টোবৰ মাহলৈকে আমি permanent nature ৰ কাম নকৰো। মাননীয় বিধায়ক গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে মই তেখেতৰ উত্তৰতো দিব পাৰিছো চাগে। যদি তেখেতে ভুল বুজা নাই। কাৰণ যিকেইটা প্ৰশ্ন তেখেতে কৰিছে হুspecific মই কলো। কমলসুঁতিৰ বাহিৰে

আমি গোটেই কেইটা ঠাইত temporary protection ৰ কাম কৰিছো আৰু permanent protection ৰ কাৰণে এই মুহূৰ্তত এক মিনিটত বাজেট এখন বনাই দিব নোৱাৰি। কমলসুঁতিত ১৫০ মিটাৰ active erosion আছে, তাত porcupine বা temporary Geo-tag দিবলৈ আমি নিৰ্দেশ দিছো। অতি সোনকালে আমি কাম আৰম্ভ কৰি দিম। মই আকৌ কৈ দিছো তেখেতে যি ছয়টা ঠাইৰ কথা কৈছে permanent nature ৰ কাম আমি ল'ম জুন মাহত। তেতিয়া DPR বনাম বাজেটৰ পিছত, তাৰ পিছত নৱেম্বৰ ডিচেম্বৰৰ পৰা কাম আৰম্ভ কৰিম। এই মুহূৰ্তত কিমান টকা লাগিব সেইটো কবলৈ অসুবিধা। কোনোবা সদস্যই যদি মোক কয় যে মোৰ সমষ্টিত খহনীয়া হৈ আছে, temporary basis ত সেইটো কাম কৰিবলৈ সাজু হৈ আছো।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে মোৰ প্ৰশ্নটোত কি কি কৰিলে, সেইটো সোধা নাছিলো। মই সুধিছিলো যে ইয়াত permanent protection ৰ কাৰণে কি কি measure ললে, কি কি কৰিলে সমাধান হ'ব আৰু তাত কিমান বাজেট হ'ব।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী জলসম্পদ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, permanent protection ৰ অলপ দিন পিছত আৰম্ভ কৰিম। এতিয়া temporary protection ৰ কাম কৰি আছো। বিধায়ক গৰাকীৰ পাচঁটা ঠাইত ইতিমধ্যে কৰিলো, তাৰ কাৰণে আপুনি ধন্যবাদ দিব লাগে। কমলসুঁতিত active erosion হৈ আছে, তাত কাম চলাব দিছো আৰু permanent protection ৰ কাম পুঁজি সাপেক্ষে বাজেটৰ পিছত কৰিম। এই বিষয়ত আপোনাৰ লগতে বহি পিছত কথা পাতি ল'ম।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত মাননীয় সদস্য নুৰুল হুদা।

**মোঃ নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, **২.৪.২০১৮** তাৰিখৰ **৩৮২** নং প্ৰশ্নৰ উত্তৰত চৰকাৰে কৈছিলে, গড়াখহনীয়াৰ পৰা ক্ষতিগ্ৰষ্ট লোক সকলক সংস্থাপনৰ বাবে অহা ছয় মাহৰ ভিতৰত চৰকাৰী নীতি অনুসৰি ব্যৱস্থা লবলৈ নগাওঁ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়াৰ ব্যৱস্থা কৰা বুলি কৈছিলে। কিন্তু **২০২০** চনত এই প্ৰশ্ন আকৌ আহিছে তাত যেতিয়া মই পুনৰ এই প্ৰশ্ন উত্থাপন কৰিলো তেতিয়া Water Resource Minister মহন্ত ডাঙৰীয়াই, Revenue Minister ক দায়িত্ব দিলে, Revenue Commissioner ও আছিলে, প্ৰশ্নটো এইটো যে সেই সময়ত Revenue Minister , Revenue Commissioner আৰু মই আলোচনা কৰাৰ পিছত অতি সোনকালে এই মানুহখিনিক ক্ষতি পূৰন দিয়া হ'ব বুলি কৈছিলে। কিন্তু কিয় নহ'ল সেইটো জানিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কাৰণে এই প্ৰশ্নটো irrelevent। কাৰণ মোৰ বিভাগে ক্ষতিপূৰণটো নাচায়। তথাপিও মহন্ত ডাঙৰীয়াই যিহেতু আপোনাক Water Resource Minister হিচাপে প্ৰতিশ্ৰুতি দিছিলে, তেতিয়া মই নাছিলো। আপুনি এতিয়া অৱগত কৰিলে মোক Revenue Minister, আপুনি মই বহি কি কৰিব লাগিব সেইটো চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ইয়াৰ পিছত মাননীয় সদস্য Asif Md. Nazar.

**ডাঃ আছিফ মহম্মদ নাজাৰ (লাহৰীঘাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পোন প্ৰথমবাৰৰ বাবে এই বিধান সভাৰ মজিয়াত প্ৰশ্ন উত্থাপন কৰিবলৈ দিয়াৰ বাবে মই অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই যি বক্তব্য উত্থাপন কৰিছিল তাৰ লগত সংগতি

ৰাখি মই এটা প্ৰশ্ন সুধিব বিচাৰিছো যিহেতু তেখেতে মৰিগাঁও জিলাৰ কথা উল্লেখ কৰিছে। আমাৰ মৰিগাঁও জিলাত তিনিটা সমষ্টি আছে। ইয়াৰ ভিতৰত লাহৰিঘাটত গড়াখহনীয়াৰ প্ৰকোপ আটাইতকৈ বেছি। এই লাহৰিঘাট সমষ্টিত ৪০ খনৰ ওপৰত গাঁও এতিয়ালৈকে গড়াখহনীয়াত জাহ গৈছে আৰু এতিয়াও গড়াখহনীয়া চলিয়েই আছে। গতিকে এই গড়াখহনীয়া প্ৰতিৰোধ নকৰিলে এই লাহৰিঘাট সমষ্টি কেইবছৰমানৰ ভিতৰত নিচিহ্ন হৈ যাব। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক সুধিব বিচাৰো যে এই গড়াখহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কিবা আঁচনি লৈছেনে? যদি লৈছে, কি কি আঁচনি লৈছে? যদি লোৱা নাই, অতি সোনকালে এই আঁচনিবোৰ লবনে?

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই মাননীয় সদস্য গৰাকীৰ লগত তেখেতৰ সমষ্টি নিজে পৰিদৰ্শন কৰিছিলো। অসমৰ দ্বিতীয়খন সকলোতকৈ বানবিধ্বস্ত জিলা হৈছে মৰিগাঁও। প্ৰথমখন হৈছে ধেমাজী তাৰ পিছত বৰপেটা আৰু তাৰ পিছত ধুবুৰী। অধ্যক্ষ ডাঙৰীয়া, মই মৰিগাঁও জিলাৰ বানপানীৰ কথা যদি চাওঁ, মৰিগাঁও জিলাত বানপানী কিয় হয়, কেৱল তেখেতৰ সমষ্টিৰ উন্মুক্ত ব্ৰহ্মপুত্ৰৰ মথাউৰি নাই কাৰণে। চাৰে ১৩ কিঃমি ঃ উন্মুক্ত হৈ থকাৰ কাৰণে। অধ্যক্ষ ডাঙৰীয়া, আমি বানপানীমুক্ত অসমৰ কথা কৈছো আৰু লগতে মাননীয় মুখ্যমন্ত্ৰীও এই ক্ষেত্ৰত বহুত চিৰিয়াছ। গতিকে মই ধেমাজী জিলাক বানপানীৰ পৰা কেনেকৈ মুক্ত কৰিব পাৰিম, মৰিগাঁও জিলাক কেনেকৈ মুক্ত কৰিব পাৰিম এই সন্দৰ্ভত মই বিভিন্ন জনৰ লগত কথা পাতিছো আৰু সেই অঞ্চলবোৰ পৰিদৰ্শন কৰিছো। মই মাননীয় সদস্য গৰাকীৰ সমষ্টিত য'ত য'ত বানপানীৰ উন্মুক্ত ঠাই আছিল সেইবোৰ পৰিদৰ্শন কৰোতে মাননীয় সদস্য গৰাকীও মোৰ লগত আছিল । আমি তেওঁলোকক বানপানীমুক্ত কৰাৰ প্ৰতিশ্ৰুতি দিছিলো যে যদি আমি ব্ৰহ্মপুত্ৰৰ উন্মুক্ত হৈ থকা এই চাৰে ১৩ কিঃমিঃ ঠাইত মথাউৰি বন্ধাৰ ব্যৱস্থা কৰো, তেতিয়াহ'লে প্ৰায় শতকৰা ৮০ ভাগ পানী মৰিগাঁও জিলাত কমি যাব। ইয়াৰ বাবে ইতিমধ্যে ব্যৱস্থা লোৱা হৈছে তেখেতে জানে। বিভিন্ন সময়ত আমি গড়াখহনীয়া প্ৰতিৰোধৰ বাবে আমি কাম কৰি আছো। আমি তেখেতৰ সমষ্টিতে ২০১৭, ২০১৮,২০১৯ চনত তিনিটা আমি ইতিমধ্যে প্ৰটেকশ্যনৰ কাম লৈছো। মই মাননীয় সদস্য গৰাকীক এটা কথা জনাবলৈ বিচাৰিছো যে এইবাৰ আমি লাহৰিঘাট অঞ্চলত মথাউৰি বনাব বিচাৰিছো আৰু পাৰমানেন্ট নেচাৰত প্ৰটেকশ্যনৰ কাম কৰিব খোজা নাই। মই তেখেতক ইয়াতেই বুজাই কবলৈ চেষ্টা কৰিছো। অধ্যক্ষ ডাঙৰীয়া, আমি বানপানীমুক্ত অসমৰ কাৰণে সচেতন হ'ব বিচাৰিছো ।তেখেতৰ সমষ্টিতএইবাৰ মথাউৰি বনাবলৈ চেষ্টা কৰিছো। তেখেতৰ সমষ্টিতে মথাউৰিও বনাম আকৌ গড়াখহনীয়াৰ কাৰণে ৫০ কোটি টকা আনিম, সেইটো সম্ভৱ নহয় যিহেতু ১২৬ জন বিধায়ক আছে। সকলোৱে অলপ অলপ নিজৰ সমষ্টিত কাম হোৱাটো বিচাৰিব। গতিকে মই সদনত কৈছো এইবাৰ তেখেতৰ সমষ্টিত মথাউৰি বনাম। যিখিনি ইমিডিয়েট এক্টিভ ইৰ'শ্যন আছে,সেইখিনিক আমি টেম্প'ৰাৰী নেচাৰত কণ্ট্ৰোল কৰিবলৈ চেষ্টা কৰিম। তেওঁৰ সমষ্টিত পাৰমানেন্ট কাম কৰিবলৈ আমি অহাবছৰ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে কিছুমান আঁচনি হাতত লৈছে , কিছুমান আঁচনি এচিয়ান ডেভে'লপমেন্ট বেঙ্কৰ ওপৰত নিৰ্ভৰ কৰিব আৰু অৰ্থসাহায্য পালে আমি কৰিম। মহোদয়, ইৰ'শ্যনৰ কথা যেতিয়া আমি আলোচনা কৰো দেখা গৈছে যে এচিয়ান ডেভ'লপমেন্ট বেঙ্কৰ ওপৰত আমি নিৰ্ভৰ কৰিবলগীয়া হয়, কেন্দ্ৰীয়

চৰকাৰৰ টকাৰ ওপৰত আমি নিৰ্ভৰ কৰিবলগীয়া হয়, আমাৰ ষ্টেটৰ বিশেষ বাজেট নাথাকে। যাৰ কাৰণে ব্ৰহ্মপুত্ৰ হওঁক বেকী নদীয়েই হওক গড়াখহনীয়া প্ৰটেকশ্যনৰ ইচ্ছা থাকিলেও চৰকাৰে কৰিব নোৱাৰে। নিশ্চয় মন্ত্ৰী মহোদয়ে এগ্ৰি কৰিব যে টেম্প'ৰাৰী প্ৰটেকশ্যন বাঁহেদি আমি ব্ৰহ্মপুত্ৰ আৰু বেকীনদী কন্ট্ৰোল কৰিব নোৱাৰো ।বাৰিষা গুচি গ'লে খৰালি দিনত এইবোৰ কামৰ প্ৰটেকশ্যন দিবলৈ গ'লে পুনৰ কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি বহি থাকিব লাগিব,World Bank and Asian Development Bankৰ ওপৰত ভৰষা কৰি থাকিব লাগিব। নগাঁৱৰ কথা আমি ১০ বছৰ ধৰি শুনি আহিছো। মাননীয় সদস্য গৰাকীয়ে কথা-বতৰাবোৰ সদনত উত্থাপন কৰিছে, কিন্তু আজিলৈকে সমস্যাবোৰৰ সমাধান হোৱা নাই। আমাৰ বেকী নদীৰ গড়াখহনীয়াৰ বাবে জনীয়া সত্ৰ ভাবুকিৰ সন্মুখীন হৈ পৰিছে। ডাউকী বাৰীৰ পৰা আৰম্ভ কৰি বৰডেকা , কালযাই, মজিদপিতা, বিশ্বপপুৰত এতিয়াও গড়াখহনীয়া হৈ আছে। যদি চাৰ্কল অফিচৰ পৰা ৰিপোৰ্ট লৈ তদন্ত কৰে তেতিয়াহ'লে জানিব শ শ ঘৰ গড়াখহনীয়াত উটি গ'ল। কিন্তু এতিয়ালৈকে ইয়াৰ কোনো ধৰণৰ প্ৰতিৰোধ কৰিব পৰা নাই। মই বিত্ত মন্ত্ৰীক অনুৰোধ কৰিম যে আমাৰ ৰাজ্যিক বাজেটত অতি কমেও ১০ শতাংশ ধন গড়াখহনীয়াৰ প্ৰতিৰোধৰ বাবে ধৰিব লাগে। আমাৰ প্ৰায় ১০০ টা সমষ্টি গড়াখহনীয়াৰ কবলত পৰি যথেষ্ট ক্ষতিৰ সন্মুখীন হ'বলগীয়া হৈছে। অতি কমেও ৫ হাজাৰ কোটি টকা আমাৰ গড়াখহনীয়া আৰু বানপানী প্ৰতিৰোধৰ নামত ধাৰ্য্য কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এনেকুৱা ধৰণৰ প্ৰভিজন বাজেটত ৰাখিব নেকি ?

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ)** ঃ অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে। কিন্তু সেইটো মই বাজেটত ফিক্স নকৰো। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে এই বিষয়ে ক'ব। কিন্তু মই কামবোৰ কৰিবলৈ নিশ্চয় চেষ্টা কৰিম। মই এইখন বিধান সভাত এটা কথা উপলব্ধি কৰিছো যে মন্ত্ৰী সকলে পুঁজি সাপেক্ষে চেষ্টা কৰিম বুলি পঢ়ি দিয়ে কিন্তু আমি সেই পৰম্পৰা কৰিব বিচৰা নাই। মই আকৌ কৈছো যে বিভিন্ন সময়ত, প্ৰত্যেক দিনা বা প্ৰত্যেক দিনা নহ'লেও দুদিনৰ মূৰে মূৰে কাৰ্যবাহী অভিযন্তা, অতিৰিক্ত মুখ্য অভিযন্তা বা অধীক্ষক অভিযন্তা আদি সকলোৰে লগত মই যোগাযোগত থাকো বা থাকিবলৈ চেষ্টা কৰিছো। গতিকে আপোনাৰ যি যি অঞ্চলত গড়াখহনীয়া হৈ আছে সেই বিষয়ে মই জ্ঞাত। মই আকৌ কৈছো বৰ্তমানত আমি অস্থায়ীভাৱে কামবোৰ কৰিবলৈহে যত্ন কৰি আছো। M.N.R.O ৰ allotment দিছো, আপোনাৰ সমান বেলেগ জিলা সমূহটো সমানে দিছো আৰু পাৰিলে আগতকৈ বেছি দিবলৈ চেষ্টা কৰি আছো। আশা কৰিছো এইবাৰৰ ৰাজ্যিক বাজেটত আগতকৈ বেছি হ'ব। পৰ্য্যায়ক্ৰমে আমি কামবোৰ কৰিব লাগিব আৰু মই নিজেও উপলব্ধি কৰো যে গড়াখহনীয়া প্ৰতিৰোধৰ কাম নকৰিলে অসমৰ ভৱিষ্যত ভাল নহ'ব।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং-৪২।

**শ্ৰী কৰিম উদ্দিন বৰভূঁএগ (সোনাই)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে স্পেচিফিক উত্তৰ দিছে সেইকাৰণে মই তেখেতক ধন্যবাদ দিছো। ইয়াৰ লগতে এটা চাপ্লিমেন্টৰী আছে, বিজ্ঞাপনৰ ক্ষেত্ৰত মই কব বিচাৰিছো, যিকোনো এটা আঁচনিৰ বিজ্ঞাপনৰ নামত স্পেচিফিক কিমান টকা খৰচ কৰিব পাৰি তাৰ কিবা ৰুল আছে নেকি ?

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, জলসম্পদ)** ঃ অধ্যক্ষ ডাঙৰীয়া, বিজ্ঞাপনৰ কাৰণে যিটো বাজেটত ধাৰ্য্য কৰা ধন থাকে সেই গোটেইখিনি বিজ্ঞাপনৰ নামত খৰচ কৰা হয়। বিজ্ঞাপনৰ টকা বেলেগ হেডলৈ ডাইভাৰ্ট কৰা নহয়।

**মাননীয় অধ্যক্ষঃ** ৰূপক শৰ্মা ।

**শ্ৰীৰূপক শৰ্মা (নগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকত বা সংবাদ মাধ্যম হৈছে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ। এই স্তম্ভ ধৰি ৰাখিছে সাংবাদিক সকলে। মোৰ এটা প্ৰশ্ন আছে যিহেতু স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়া ইয়াত আছে। বিভিন্ন সময়ত আমি দেখা পাইছো যে সাংবাদিক সকলে বিভিন্ন জটিল পৰিস্থিতিত তেওঁলোকৰ সংবাদ কৰি আহিছে। এই ক'ভিডৰ সময়ছোৱাটো সংবাদ সেৱা কৰি আহিছেআৰু তাৰে ভিতৰত দুই-এজন সাংবাদিক মৃত্যুমুখত পৰিছে আৰু কিছুমান আক্ৰান্ত হৈছে। গতিকে এই সাংবাদিক সকলৰ কাৰণে চৰকাৰে বিশেষ কিবা স্বাস্থ্যসেৱা আঁচনি তেওঁলোকৰ বা তেওঁলোকৰ পৰিয়ালৰ কাৰণে গ্ৰহণ কৰিছে নেকি?

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি সাংবাদিক সকলৰ লগত একেলগে আগুৱাই খোজ দিব বিচাৰো। সমাজখন গঠনত বা সমাজখনৰ কিছু বেয়া দিশ আঁতৰাবলৈ সাংবাদিক বা সাংবাদিকতা আমাৰ কাৰণে অতি গুৰুত্বপূৰ্ণ আৰু আমি এই বিষয়ত খুবেই সচেতন। গতিকে অধ্যক্ষ ডাঙৰীয়া, আগৰ চৰকাৰৰ দিনত আমি কেইটামান নিয়ম আনিছিলো যে সাংবাদিক সকলক পেন্সন দিব লাগে এইটো আমাৰ আগৰ চৰকাৰখনৰ সিদ্ধান্ত আছিল। আমি আগতে সাংবাদিক সকলক ৮ হাজাৰ টকাৰ পেন্সন দিছিলো। এতিয়া সেই ৮ হাজাৰ টকাৰ পৰিৱৰ্তে ১০ হাজাৰ টকা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। অধ্যক্ষ ডাঙৰীয়া, আমাৰ যিখিনি accredited সাংবাদিক আছে ,তেখেত সকলৰ বা তেখেত সকলৰ পৰিয়ালৰ যেতিয়া বেমাৰ হয় আৰু তেওঁলোকে হস্পিতালত চিকিৎসা কৰে, সেই চিকিৎসাত তেওঁলোকৰ যিখিনি টকা খৰচ হয়,সেই টকাখিনি reimbursment কৰাৰ সুবিধা আছে বাবে তেওঁলোকে চিকিৎসাৰ খৰচখিনি ঘূৰাই পায়। আগতে কিছু কাৰিকৰী অসুবিধা বা অন্য অসুবিধাৰ কাৰণে তেখেত সকলৰ reimbursmentটো নিয়মীয়াকৈ হোৱা নাছিল। তেখেত সকলৰ reimbursmentৰ মিটিঙখন আগতে ২,৩ মাহত অনুস্থিত হৈছিল। এতিয়া আমি সিদ্ধান্ত লৈছো যে সেই reimbursmentৰ মিটিঙখন প্ৰত্যেক মাহৰ ১০ তাৰিখে অনুস্থিত হ'ব। যিসকল ব্যক্তিয়ে reimbursmentৰ কাৰণে আৱেদন কৰিব ,সেইখিনি আমি সেইদিনাই শেষ কৰিম। আমি এনেকুৱা ধৰণৰ কথাওঁ আলোচনা কৰিছো যে কেতিয়াবা প্ৰত্যেক মাহত আৱেদন নাহিবও পাৰে, তেতিয়া আমি সেইদিনা চাহ-তাহ খাইয়ে বিদায় লম কিয়নো প্ৰত্যেক মাহৰ ১০ তাৰিখে যিহেতু মিটিঙখন কৰিবই লাগিব। অধ্যক্ষ ডাঙৰীয়া, আমি ভাবি আছো যে আমাৰ সাংবাদিক সকলৰ ল'ৰা-ছোৱালী যেতিয়া matric পৰীক্ষা বা Higher Secondaryপৰীক্ষাত পাছ কৰে সেইটো SEBAই হওঁক বা CBSEয়েই হওঁক যদিহে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে ৭৫ শতাংশ নম্বৰ লৈ পাচ কৰে, তেওঁলোকক ৩০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা এটা চিন্তা কৰি আছো। মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা আমাক সাংবাদিক সকলে ইঞ্চুৰেঞ্চৰ কাৰণে কয়। কিন্তু অটল অমৃতৰ কাৰ্ডৰ কথা আমাৰ চৰকাৰখনে মুখ্য মন্ত্ৰী ডাঙৰীয়া যেতিয়া স্বাস্থ্য মন্ত্ৰী আছিল, তেতিয়া সকলো সাংবাদিক সদস্যক এই অটল অমৃত কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু আমি আৰু এটা চেষ্টা কৰি আছো, তেওঁলোকক ইঞ্চুৰেঞ্চৰ আওঁতাত আনিব পাৰি নেকি। Raimbursement টো আমি দিওঁ। কিন্তু Raimbursement ত এটা অসুবিধা হয়, যে চিকিৎসালয়ত গৈ পইচাটো ঘৰৰ পৰা দি আহিব লাগে। এইটো Hospital settlement নহয় । তাৰ কাৰণে আমি চিন্তা-চৰ্চা কৰি আছো। তেওঁলোকৰ কমিটিকেইখনৰ লগত আলোচনা কৰি আছো আৰু যিখিনি এতিয়ালৈকে কৰিছো, এই সুযুগতে ইয়াত কলো।

ভৱিষ্যতেও তেওঁলোকৰ কাৰণে আৰু কৰিবৰ কাৰণে আমি বদ্ধপৰিকৰ।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ । এতিয়া শ্ৰী চৰণ বড়ো।

**শ্ৰী চৰণ বড়ো (মাজবাট)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিখিনি বাতৰি কাকতৰ পঞ্জীয়নভুক্ত তালিকা দিছে, ইয়াত অসমীয়া কাকত ১৩ খন দেখা পাইছো, ইংৰাজী কাকত ৯ খন পাইছো, বাংলা ৬ খন আৰু হিন্দী ৬ খন পাইছো। কিন্তু আমি জানো যে আমাৰ এলেকাত আজিকালি বড়ো বাতৰি কাকত বহুত চলে। কিন্তু ইয়াত যিহেতু বড়ো বাতৰি কাকত তালিকাত দেখা নাই, চৰকাৰৰ যিমানখিনি বিজ্ঞাপন সেইখিনিও যদি ইয়াত দিয়ে তেতিয়া ভাল হয়।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** হয়, মই জানো, বড়ো বাতৰি কাকত আছে। আপুনি মোক এবাৰ মোৰ চেম্বাৰত লগ কৰি এই বিষয়ে মই বিস্তৃতভাবে জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ** চৰকাৰী বিজ্ঞাপনবোৰ সকলো বড়োভাষাৰ বাতৰি কাকতবোৰত দিব লাগে।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** হয়, ৩খন বড়ো বাতৰি কাকতত আমি চৰকাৰী বিজ্ঞাপন দি আছো, বিজ্ঞাপনটো বঢ়োৱাৰ কথা আমি ভাবি আছো।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া শ্ৰীকমলাক্ষ দে পুৰকায়স্থ

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰ পালো। অসমীয়া কাকত ১৩ খন দিয়া হয়, ইংৰাজী ৯ খন, বাংলা ৬ খন আৰু হিন্দীৰ ৬ খন। অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো এনেকুৱা আছিল যে মাননীয় মন্ত্ৰী মহোদয়ে জানে বৰাকৰ অফিচিয়েল ভাষাটো বাংলা। সেই কাৰণে যিবিলাক বিজ্ঞাপন দিয়া হয় আমি চাইছো, কেতিয়াবা কেতিয়াবা বেংগলীত দিয়া হয় আৰু অধিকতম সময়ত অধ্যক্ষ মহোদয় বেলেগ ভাষাত যায়। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে আগন্তুক দিনত যেতিয়া যায় তেতিয়া বেংগলী পেপাৰত বেংগলী ভাষাত যাব লাগে। আৰু ২য়তে আৰু এটা অনুৰোধ কৰিম অধ্যক্ষ মহোদয়, যে আমাৰ বেংগলী পেপাৰ ৬ খন আছে। কেতিয়াবা কেতিয়াবা আমি চাওঁ দুখন পেপাৰত বিজ্ঞাপন দিলে, ৪ খন পেপাৰত নিদিলে। সেইটোৰ কাৰণে সিহতৰ মাজত কাজিয়া হয়। যিহেতু enlisted আছে, ৬ খন পেপাৰত যাব লাগে ।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ** প্ৰথম কথা হ'ল, বেংগলী মাধ্যমত আমি দিওঁ আৰু সেইটো এতিয়াৰ পৰা আৰু চিৰিয়াছ হ'ম। তেখেতৰ উত্তৰটোত আপুনি সন্তুষ্ট হৈছেনে? বেংগলী ভাষাত আমি দিওঁ কিন্তু ক'ৰবাত ক'ৰবাত যদি অসমীয়াত যায়, অসমীয়াত গ'লে ইমান বেয়া পাব নালাগে। বৰাকৰ পেপাৰত বেংগলী মাধ্যমত দিবলৈকে চেষ্টা কৰিম। ২য়তে তেখেতে ক'লে যে বিজ্ঞাপন কোনোবা পেপাৰত ওলায়, কোনোবা পেপাৰত নোলায়। এটা কথা হয় যে কোনোবা পেপাৰ বেছি চলে আৰু কোনোবা পেপাৰ ক'ম চলে। আমি সকলোতে দিবলৈ চেষ্টা কৰো। এইবাৰ আগতকৈ বাজেট বঢ়াবলৈ চেষ্টা কৰিছো। সেইটো আপোনালোকৰ বাবে ভাল খবৰ। গতিকে সেইটো চিন্তা কৰিব নালাগে, সেইখিনিও আমি চিন্তা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৪৩ মন্ত্ৰী মহোদয়।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰীটেৰছ গোৱালা (দুলীয়াজান) ঃ-** মাননীয় অধ্যক্ষ মহোদয় মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু কৃতজ্ঞতা পিছত জনাম। প্ৰশ্নৰ উত্তৰটোয়ে যথেষ্ট আশা লৈ আহিছে। আমাৰ ৭ টা বিধান সভা সমষ্টিক অতিক্ৰম কৰা বুঢ়িদিহিঙৰ গড়াখহনীয়াৰ কাৰণে ইতিমধ্যে ৬৩৫ কোটি টকাৰ এটা project World Bank ৰ পৰা অনাৰ কথা কৈছে। মোৰ প্ৰথম প্ৰশ্নটো আছিল, আচলতে

কেতিয়াৰ পৰা গড়াখহনীয়া হৈছে? ইয়াত মোক ১৪আৰু ১৫ চন কলে, আচলতে এইটো সত্য নহয়। তাৰ জ্যেষ্ঠলোকে কোৱা মতে প্ৰায় ১৯৫০ চনৰ ভূমিকম্পৰ পাছতেই বুঢ়িদিহিঙৰ গড়াখহনীয়া আৰম্ভ হৈছিল আৰু ১৯৬০ চনৰ পৰা এইটো অত্যাধিক হৈছে। আৰু ২য়তে পৰিপূৰক প্ৰশ্ন হ'ল যে চৰকাৰখন যিহেতু আমাৰে আছে, ইয়াত মোক (গ) উত্তৰত কৈছে যে Administrative and Technical Approval সাপেক্ষে কাম কৰা হ'ব, মই ভাবো ছেপ্তেম্বৰ ২০২১ ৰ আগতে সেইটো যাতে আনিব পাৰে নেকি?

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী মহোদয়।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয় , এই বুঢ়িদিহিঙত ৫১ টা সক্ৰীয় গড়াখহনীয়া আছে। তাৰ কাৰণে আমি Integrated Water Resources Management of বুঢ়িদিহিং বুলি এটা project বনাইছো, এইটো হৈছে ৬৩৫.২২ কোটি টকা। এইখিনি টকাৰে বা এই স্কীমটোত out of 51 erosion affected area ত আমি ৩৭ টা স্থানত কাম কৰিবলৈকে চেষ্টা কৰিম। অধ্যক্ষ ডাঙৰীয়া, ইতিমধ্যে আমাৰ Department of Economic Affairs, Govt. of India ই সেই project টো in principle approval দিছে আৰু World Bank লৈকে forward কৰিছে । তাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া, কিছুমান World Bank related কামত খুব চিৰিয়াছলি কৰিবলগীয়া হয়। তাৰ স্থানীয় মানুহৰ কিবা ওজৰ আপত্তি আছে নেকি, তেওঁলোকৰ যদি মাটি অধিগ্ৰহণ কৰা হয় তেওঁলোকৰ setlement ৰ কথা বতৰা আছে নেকি, বিভিন্ন কিছুমান নিয়ম থাকে। সেই নিয়মখিনি আমি খুব খৰতকীয়াকৈ শেষ কৰিবলৈ আমি চেষ্টা কৰি আছো। বিষয়টো যিহেতু চিৰিয়াছ, মাননীয় সদস্য গৰাকীয়ে কৈছে যিমান সোনকালে কৰিব পাৰো কামখিনি শেষ কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ-** ২য় চাপ্লিমেন্টৰী

**শ্ৰী টেৰছ গোৱালা (দুলীয়াজান) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা চাপ্লিমেন্টৰী আছে, যে গড়াখহনীয়া সাধাৰণতে নদীকাষৰীয়া মানুহে জানে যে কেতিয়া হয়, বিভাগে জানে নে নাজানে মই নাজানো। কিন্তু যেতিয়া পানী ভৰ্তি হোৱাৰ পাছত ক'মে, তেতিয়া লাহেকে গড়াখহনীয়াটো বহুত বেছি হয়। কিন্তু যেতিয়া গড়াখহনীয়া হয় তেতিয়া বিভাগক কমপ্লেইন দিয়াৰ পিছত তেওঁলোকে কেতিয়াবা বাঁহ কাটি বা ওচৰৰ গছৰ ডাল কাটি তাত পেলাই দিয়ে। মই ভাবো বিভাগক এটা special emergency fund দিব লাগে, হয় Executive Engineer ৰ লেভেলত, বা ডি চি ৰ লেভেলত যাতে গড়াখহনীয়া হোৱাৰ লগে লগে তেওঁলোকে ব্যৱস্থা কৰিব পাৰিব। এনে ব্যৱস্থা কৰিব নেকি?

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথম প্ৰশ্নটোতে কৈছিলো আমিনুল ইছলাম ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত, যে Temporary Protection ৰ কাম আৰু Permanent protection ৰ কাম। temporary protection ৰ কাম এতিয়া আমি চলাই আছো।permanent protection ৰ কাৰণে ডিপিয়াৰ বনাব লাগে, এপ্ৰোভেল ল'ব লাগে, টেণ্ডাৰ কৰিব লাগে গতিকে এটা সময় লাগে। কিন্তু মই আকৌ কৈছো, এই বিষয়টো খুব চিৰিয়াছ। গড়াখহনীয়াই এখন ঘৰ লৈ যাব , এখন স্কুল লৈ যাব, এখন কলেজ লৈ যাব, এইটো খুব চিৰিয়াছ। মই কেইবাটাওঁ অঞ্চলত গৈ চাইছো, মাৰ্ঘেৰিটাতো গৈছো, থাওঁৰাটো গৈছো। বুঢ়িদিহিংৰ মই কেইবাটাও Erosion affected area চাই আহিছো, Temporary আৰু Semi temporary, এই semi temporary টো প্ৰায় তিনি বছৰমান যায়। Temporary আৰু Semi

temporary level ত কাম আৰম্ভ কৰা হৈছে। বাকীখিনি নিশ্চয়কৈ কৰিব লাগিব। তে খেতে যিটো ফাণ্ডৰ কথা কৈছে M & R কাৰণে আমৰ প্ৰভিজন আছে। Maintanence and repairing ত বহু টকা নিশ্চয়কৈ দিয়া নহয়। কিন্তু এখন এখন জিলাত ৪-৫ কোটি টকালৈকে দিবলৈ আমি চেষ্টা কৰি আছো। আগতকৈ যাতে কামবোৰ আৰু অলপ ক্ষীপ্ৰতাৰে কৰিব পাৰে। কিন্তু এটা কথা মই কৈছো যে এতিয়া Tmporary works ও আমি সম্পুৰ্ণ অবজাৰভেশ্যনত ৰাখিছো। Whatsup group আছে। মই নিজেও চাবলৈ যাওঁ। মইযে চাবলৈ এই কেইদিন গৈ আছো, কেৰল গড়াখহনীয়াৰ পইন্ট বিলাক চাবলৈ গৈ আছো।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মই অলপ বুজাই কওঁ অধ্যক্ষ ডাঙৰীয়া। কোনোবাই কয় বা পেপাৰত নিউজ ওলায় যে, বাঁহ পেলাই দিছে। বাঁহ নহয়, বেম্বো ক্ৰীট বনোৱা হয়। বাহেঁৰে ত্ৰিভূজ বনোৱা হয়। সেইটো পেলাই দিয়া হয়, সেইটো এটা প্ৰক্ৰিয়া। টেম্পৰেৰী প্ৰক্ৰিয়া। টেম্প'ৰাৰী কৰি ৰাখি পিছত পাৰ্মানেন্ট কৰিবলৈ চেষ্টা কৰা হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। সুশান্ত বৰগোহাঁই।

**শ্ৰীসুশান্ত বৰগোঁহাই (থাওৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যিখন তালিকা দিছে তাত প্ৰায় সকলো কেইটা সমষ্টি সন্নিবিষ্ট হৈছে কিন্তু - থাওঁৰা সমষ্টি সন্নিবিষ্ট হোৱা নাই। বুঢ়ীদিহিং খনৰ একেবাৰে শেষৰ পৰ্য্যায়ত থাওঁৰা সমষ্টিত সোমাই প্ৰায় ৩০ কি.মি গৈ দিহিংমুখ হিচাপে ব্ৰহ্মপুত্ৰত পৰিছে। মন্ত্ৰী মহোদয়ে তাত নিজেই গৈ গড়াখহনীয়া চাই আহিছে কিন্তু ইয়াত যিখন লিষ্ট দিছে তাত নামবিলাক নাই । মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই প্ৰজেক্টৰ অধীনত যিবিলাক মথাউৰী আছে সেইবিলাক ৰোড কাম বান্ধলৈ উন্নীতকৰণ কৰিবনেকি? যদি কিবা এনেধৰণৰ পৰিকল্পনা আছে জনাবনেকি?

**শ্ৰীপিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া , এই গোটেই ইন্টিগ্ৰেটেড ৱাটাৰ ৰিৰ্চচ মেনেজমেন্ট বুঢ়ীদিহিং বেচিনটো দুটা পৰ্য্যায়ত কৰিবলৈ লোৱা হৈছে। প্ৰথম পৰ্য্যায়টো হ'ল- ৬৩৫.২২ কোটি টকা, তাৰে ৩৭ টা স্থানত আমি ইৰোজন এফেক্টেড এৰিয়াত কাম কৰিবলৈ আৰম্ভ কৰিম। কিন্তু টোটেল ৫১ আছে। বাকী থকাখিনি যি ইৰোজন এফেক্টেড এৰিয়া বা য'ত মথাউৰি বনাব লাগে সেইখিনিৰ কাৰণে ৮২ কাৰিকৰী উপদেষ্টা সমিতি মানে আমাৰ যি Technical Advisory Committee তাত ২৮-০৫-২০২১ তাৰিখে দাখিল কৰা হৈছে। যদি এই কিনি হৈ যায় গোটেই স্কীমটো ৬৩৫.২২ কোটিৰ ঠাইত ১১০৫ কোটি টকা হ'ব। দ্বিতীয় পৰ্য্যায়ৰ কামৰ বাবেও আমি ইতিমধ্যে প্ৰাৰম্ভিক কাম আৰম্ভ কৰিছো। মাননীয় সদস্য ডাঙৰীয়াই যিটো কথা কৈছে ৰোড কাম বান্ধ সেইটো অত্যন্ত গুৰুত্বপূৰ্ণ। অধ্যক্ষ ডাঙৰীয়া, মই মাজুলীৰ পৰা চিচিকলঙ বুলি কোৱা ঠাই ডোখৰ ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ সমষ্টিত পৰে, প্ৰায় ১৫০ কি.মি ব্ৰহ্মপুত্ৰৰ মথাউৰিৰে গৈছো। তাত মেক্সিমামত ৰাস্তা আছে , কিছু কিছু ঠাইত শিল পেলোৱা আছে। এইটো অত্যন্ত গুৰুত্বপূৰ্ণ। গতিকে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগতো বহুকেইবাৰ আলোচনা হৈছে যে অনাগত সময়ত আমি মথাউৰীসমূহ পকীকৰণ কৰিব পাৰোনেকি? অধ্যক্ষ মহোদয় যোৱা সময়ছোৱাত মোৰ সমষ্টিত প্ৰায় ৯.৫ কি.মি মথাউৰি মই পকীকৰণ কৰিছো। অধ্যক্ষ মহোদয় মথাউৰী ভঙাৰ এটা অন্যতম কাৰণ হ'ল এন্দুৰ- নিগনিয়ে কুটে। এন্দুৰে কুটাৰ ফলত ইৰোজন হয়। মথাউৰিৰে মানুহ অহা যোৱা নকৰিলে হাবি-জংঘল হয়। এন্দুৰ -নিগনিয়ে বাহঁ ল'বলৈ সুবিধা পায়, মথাউৰিৰ ঠায়ে ঠায়ে ফোঁপোলা হয় পানী সোমায় ফলত মথাউৰিটো ভাঙি যায়। যেতিয়া মথাউৰিটো ৰাস্তাৰ দৰে ব্যৱহাৰ হ'ব মানুহ, গাড়ী, ঘোঁৰা অহা যোৱা কৰিব

তেতিয়া এন্দুৰ -নিগনিয়ে বাঁহ ল'বলৈ সুবিধা নাপাব। এইটো ক্ষেত্ৰত আমি নিশ্চিতভাবে ব্যৱস্থা ল'ম। মই ইতিমধ্যে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছো আৰু এই ক্ষেত্ৰত তেখেতো চিৰিয়াচ। তেখেতৰ নিৰ্দ্দেশনাও আমি পাইছো। মই বিত্ত মন্ত্ৰী ডাঙৰীয়ানীকো অনুৰোধ কৰিছো যাতে আমি মথাউৰীবিলাক ৰোড কাম বান্ধ কৰিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া চক্ৰধৰ গগৈ।

**শ্ৰীচক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেখেতে আজি কিছুদিনৰ আগত গড়াখহনীয়া সম্পৰ্কত বুজ ল'বলৈ চাবুৱাৰ গুৰিজান ঘাটৰ পৰা সুদুৰ বগীবিললৈকে এখন উন্মুক্ত পানী জাহাজৰ যোগেদি আমাৰ সতীৰ্থসকলৰ সৈতে ভ্ৰমণ কৰি আহিল। কোৰেশ্বনটো দিহিং ৰিলেটেড। মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমৰ দুখন নদী বছৰ বছৰ ধৰি আমাক ধুবাই আহিছে। সেই দুখন এখন মহাবাহু ব্ৰহ্মপুত্ৰ আৰু আন খন দিহিং নদী। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আমি এটা কথা গম পাইছো যে ইন্ট্ৰিগ্ৰেটেড ৱাটাৰ ৰিৰ্চচ মেনেজমেন্ট অফ বুঢ়িদিহিঙ বেচিন প্ৰায় ৬৩৫ কোটি টকাৰ এটা বৃহৎ আঁচনি তেখেতে গ্ৰহণ কৰিছে। মাননীয় গোৱালা ডাঙৰীয়াৰ প্ৰশ্ন উত্তৰত আমি এটা কথা গম পালো যে মোৰ সমষ্টিত প্ৰায় ১১ খন গড়াখহনীয়াগ্ৰস্থ গাওঁৰ নাম অৰ্ন্তভুক্ত হৈছিল। কিন্তু প্ৰজেক্ট লোৱা হৈছে মাত্ৰ ৭ খন গাওঁৰ। তাৰ মানে প্ৰায় ৫.৮৩ কিলোমিটাৰ প্ৰপোজ কৰা হৈছিল আৰু ধৰা হ'ল ৩.৮ কি.মি । এই ৩.৮ কি.মি মথাউৰি মোৰ সমষ্টিত হ'বগৈ। বাকী থকা অংশখিনি বনোৱাৰ ব্যৱস্থা কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। আৰু এটা কথা হ'ল, ব্ৰহ্মপুত্ৰৰ কথাটো ইয়াত উত্থাপন হোৱা নাই। কিন্তু মন্ত্ৰী মহোদয়ে নিশ্চয় সমস্যাটোৰ কথা জানে। গতিকে ভবিষ্যতে সেই সমূহ নিৰাময় কৰিবলৈ কিবা ব্যৱস্থা ল'বনে নাই ? কথাখিনি জনাবলৈ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰীপিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া , মাননীয় সদস্য গৰাকীৰ সমষ্টিও আমি ভ্ৰমণ কৰিছিলো। তেখেতৰ সমষ্টিত বুড়ী দিহিঙৰ কাম এইবাৰ যিখিনি লোৱা হৈছে, মই ইতিমধ্যে উল্লেখ কৰিছো যে, কামখিনি দুটা ফেজত কৰাৰ ব্যৱস্থা কৰা হৈছে। তেখেতৰ সমষ্টিত চেকেণ্ড ফেজো নিশ্চয়কৈ থাকিব। এই বিষয়ে অৱগত কৰিলো।

তেখেতৰ সমষ্টিত ব্ৰহ্মপুত্ৰৰ প্ৰায় ১২ কি.মি দুটা ষ্টেজত আছে। ব্ৰহ্মপুত্ৰৰ 7 কি.মি উন্মুক্ত হৈ আছে। সেইখিনি কৰিম বুলি তেখেতক মই প্ৰতিশ্ৰুতি দিছিলো গতিকে অতি সোনকালে সেইখিনি কাম আমি কৰিম। অধ্যক্ষ মহোদয় তেখেতৰ মৰান সমষ্টিত ১২ কি.মি মথাউৰি বনাই দিলে মৰাণ সমষ্টিত বানপানী নাইকীয়া হৈ যাব। গড়াখহনীয়াটো বেলেগ আৰু বানপানীটো বেলেগ। বানপানী মথাউৰিৰে ৰাখিব পাৰি । তেখেতৰ সমষ্টিত মই চাইছিলো দুটা ষ্টেজত ১২ কি.মি মথাউৰি বনাব লাগে তাৰে ব্ৰহ্মপুত্ৰৰ ৭ কি.মি আৰু আৰু বুঢ়ীদিহিঙৰ ৫ কি.মি । সেইখিনি বনাবলৈ নিশ্চয় আগন্তুক দিনত আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া দিগন্ত কলিতা ।

**শ্ৰীদিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বুঢ়ী দিহিঙৰ নহয় জেনেৰেল সমস্যা এটা উল্লেখ কৰিব খুজিছো। জল সম্পদৰ ওপৰত। মই মন্ত্ৰী মহোদয়ক সূক্ষ্ম জ্ঞানেৰে তিনিটা কথা অৱগত কৰিব বিচাৰিছো। মথাউৰি বিলাক যিহেতু এটা সমস্যা মই দেখিছো যে মথাউৰী বিলাকত জংঘল যথেষ্ট পৰিমানে থাকে, অলপ আগতে সদনত মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে, যে এন্দুৰ সোমায়। জংঘল ছাফা কৰিলে আমি গাঁত বিলাক দেখা পাম। মই মন্ত্ৰী ডাঙৰীয়াৰ

লগতো আলোচনা কৰিছিলো যে, মথাউৰীত যেতিয়া আৰ্থ ফিলিঙ কৰি থকা হয় তেতিয়া টপ লেভেলত হে কমপেকশ্যনটো হয়। ১ ফুটৰ মুৰে মুৰে বা ৩০ চেন্টি মিটাৰৰ মুৰে মুৰে হ'লে ভাল হয়।

**শ্ৰীপিযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ ইত্যাদি) ঃ** মাননীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূৰ্ণ কথা কৈছে অধ্যক্ষ মহোদয়। কমপেকশ্যনটো নহ'লে পানীয়ে মথাউৰিটো ভাঙি লৈ যোৱাৰ চান্স থাকে গতিকে এইবাৰৰ পৰা আমি পি ডব্লিউ ডি বিভাগে যেনেকৈ কৰে লেয়াৰ টু লেয়াৰ ৰোলিং সেই ধৰনে আমি ও কৰিবলৈ সিদ্ধান্ত লৈছো। আমি ইতিমধ্যে সিদ্ধান্ত লৈছো আৰু এই কথাটো সন্মানীয় সদস্য গৰাকীয়ে উত্থাপন কৰাত আৰু এই বিষয়ে সদনক অৱগত কৰিবলৈ মই ভাল পাইছো। আৰু এটা কথা তেখেতে কৈছে যে মথাউৰিটো ছাফা হ'ব লাগে । মথাউৰীটো লেতেৰা হৈ থাকিলে এন্দুৰে বাঁহ লয়, গাঁত খান্দে। আমি যেতিয়া ৰোড কাম বান্ধ বনাম তেতিয়া লাহে লাহে এই সমস্যা নাইকীয়া হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, কোৱেশ্চন নং- ৪৪

**শ্ৰীসিদ্দেক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ জিলাৰ লংগাই নদী আৰু চিংলা নদী এই দুয়োখন নদীৰ কাৰণে কৰিমগঞ্জ জিলা প্লাৱিত হয়। মোৰ কথাটো হ'ল যোৱাবাৰৰ আগৰবাৰ যেতিয়া মই বিদায়ক আছিলো তেতিয়া পি এম জি এচ ৱাই স্কীমৰ অধীনত ১৪ কি.মি ৰাস্তা বনাইছিলো। সেই অঞ্চলত কোনো ইৰোজন হোৱা নাই। কিন্তু যোৱা বাৰ যিটো কাম কৰিছে। ইয়াত ১০ জন ঠিকাদাৰৰ নাম দিছে। মই এষ্টিমেটটো বিচাৰিছিলো। এষ্টিমেটত থকাৰ দৰে শিলগুটি, ৰোলাৰ এইবিলাক একোয়ে দিয়া নাই। যিটো মাটি দিছে এজাক বৰষুনত গোটেইখিনি নোহোৱা হৈ যায়। ফ্লাড কনট্ৰলৰ যি মাটি দিব লাগে সেইখিনি দিয়া নাই। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে দায়িত্ববাহী অভিযন্তা গৰাকীক প্ৰয়োজনীয় নিৰ্দ্দেশনা দি যিখিনি ৫০ -৬০ শতাংশ কাম বাকী আছে সেইখিনি সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পিযূষ হাজৰিকা (মন্ত্ৰী, জল সম্পদ ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো প্ৰশ্ন কৰিছে সেই ষ্ট্ৰেছটোত **১০** টা স্কীমত **৫১** কোটি টকাৰ কাম কৰা হৈছে। এটা স্কীম কোৰ্টত Sub-Judice হৈ থকাৰ কাৰণে বন্ধ হৈ আছে। বাকী কেইটাৰ কোনোবাকেইটা এশ শতাংশ হৈছে, কোনোবাটো সত্তৰ শতাংশ হৈছে, কোনোবাটো আশী শতাংশ হৈছে। অধ্যক্ষ ডাঙৰীয়া, কৰ'ণাৰ কাৰণে অলপ অসুবিধা নোহোৱাটো নহয়। যোৱা ডেৰটা বছৰত সকলো এফেক্টেড হৈছে। কিন্তু আমি এইবাৰ বানপানীৰ সময়ত কি কৰিব খুজিছো যে আমাৰ যিখিনি স্থায়ী সুৰক্ষাৰ কামৰ কাৰণে আমি তিনি মাহ দিওঁ বা চাৰি মাহ দিওঁ। পি ডব্লিউ ডিৰ ৰাস্তা এটা বা বিল্ডিং এটা এই বছৰ আধা হ'ল, পিছৰ বছৰো কৰিব পাৰি। কিন্তু যেতিয়া গৰাখহনীয়াৰ কাম কৰা হয়, মথাউৰিৰ কাম কৰা হয় যদি আমি সম্পূৰ্ণ নকৰো তেতিয়াহ'লে অহাবাৰতো বানপানীয়ে আকৌ নষ্ট কৰিব। গতিকে চৰকাৰী ধনৰ অপচয় হ'ব। সেইকাৰণে আমি কৈছো যে যোৱাবাৰ এই বিভাগটোৱে যথেষ্ট ভাইব্ৰেণ্ট ৰূপ লৈছে। আগতেতো কি ডিপাৰ্টমেণ্ট আছিল আমি সকলোৱে জানো। কিন্তু আমাৰ আগৰ গভৰ্ণমেণ্টত যথেষ্ট ভাল কাম হৈছিল। মই সংবাদ মাধ্যমকো কৈছো যে অলপ নতুনত্বটো আনিবলৈ সকলোৱে চেষ্টা কৰে। মই কি নতুনত্ব আনিব খুজিছো যে এতিয়া কমপেক্শ্যন হ'ব, ৰুলিং হ'ব। আগতে নাছিল। গতিকে এইটো আপোনাৰ প্ৰশ্নটোৰ লগত সেইটো নাখাটে। নতুনখিনিত কিন্তু কৰিম। দ্বিতীয়তে, আপুনি যিটো কৈছে যে Sandy Soil সেইটোতো হ'বই নোৱাৰে। আমাৰ

মথাউৰিত Sandy Soil use কৰা নহয়। আপুন যিহেতু কৈছে গুৰত্বসহকাৰে মই চাম। আপোনাক মই প্ৰতিশ্ৰুতি দিছো। তৃতীয় কথাটো মই আকৌ ক'ব খুজিছো যে আমাৰ ৰাটাৰ ৰিৰ্চোচ ডিপাৰ্টমেণ্টৰ যিসকল ঠিকাদাৰ আছে তেখেতসকলক অহা **২৩** তাৰিখে আমি গুৱাহাটীলৈ মতি আলোচনা কৰিব বিচৰিছো যে আপোনালোকৰ কি সমস্যা, কি অসুবিধা, আপোনালোকৰ পৰা আমাৰ কি অসুবিধা, আপোনালোকে ক'ত ক'ত বেয়া কাম কৰি আছে, ক'ত ক'ত ভাল কাম কৰি আছে পৰ্য্যালোচনা হ'ব লাগে। এইখিনি কাম আগতে কৰিব লাগিছিল কিন্তু ক'ভিডৰ কাৰণে কৰা নহ'ল। মই সংবাদ মাধ্যমক কৈছো যে ঠিকাদাৰসকল আমাৰ বন্ধুও নহয়, আমাৰ শত্ৰুও নহয়। কামটো ঠিকাদাৰে কৰিব লাগিব। কিন্তু ভালকৈ কৰিব লাগিব। That is must. এই সদনত মই এছুৰেঞ্চ দিছো। অনাগত সময়ত ঠিকাদাৰে ৰাটাৰ ৰিৰ্চোচৰ কাম ভালকৈ কৰিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য নিজাম উদ্দিন চৌধুৰী, আৰু এটা আছে কওঁক।

**শ্ৰী ছিদ্দিক আহমেদ (দক্ষিণ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত সুৰক্ষাৰ কাৰণে যিটো শিলগুটি লিখা আছে এইটো কাম হোৱা নাই আৰু এটা কথা দয়া কৰি মন্ত্ৰী মহোদয়ে ক'ব নেকি যে ই এণ্ড ডিৰ পাথৰৰ যিটো বান্ধ আছে তেওঁলোকে যেনেকৈ বেৰ দি বনাইছে সেইটো ৰাস্তাৰ নিচিনাই হৈছে। তাৰ ওপৰত বোধ হয় চাৰি ইঞ্চি Sand Gravel দিয়াৰ কথা আছে। কিন্তু এইটো বোধ হয় হোৱা নাই। যিটো কমপ্লিট হৈছে তাতো হোৱা নাই। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো কৈছে যে এই ৰাস্তাটো যদি পকা ৰাস্তা বনাই দিয়ে তেতিয়াহ'লে এটা বৃহৎ এলেকাৰ উন্নতি হ'ব আৰু বান্ধটোও প্ৰটেকশ্যন হ'ব।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, জলসম্পদ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মই ইতিমধ্যে কৈছো যে অনিয়ম কৰিবলৈ কাকো দিয়া নহ'ব। আপোনাৰ যিটো কাম, স্পেচিফিক কামৰ বিষয়ে কালিও মই কথা পাতিছো, আপোনাৰ লগত আকৌ কথা পাতিম, ভৰিষ্যতে মই ও নিজে যাম, আমাৰ টীম যাব চিৰিয়াচলি কামটো ইমপ্লিমেণ্ট হয়নে নহয় নিশ্চয়কৈ চাম।

**শ্ৰী নিজাম উদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ শিংৰা আৰু লঙ্গাই নদীৰ লগত আৰু এখন নদী আছে দীতা নদী।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক।

**শ্ৰী নিজাম উদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই নদীৰ কাৰণে কম চে কম পাঁচটা জি পি পানীৰ তলত আছে।

**মাননীয় অধ্যক্ষ ঃ** এইটো প্ৰশ্নৰ লগত সম্পৰ্ক আছে নে?

**শ্ৰী নিজাম উদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আছে। কমচেকম ৫০ হাজাৰ বিঘা মাটি পানীৰ তলত আছে। আমাৰ মন্ত্ৰী মহোদয়ৰ লগত দেখা কৰিছো। আৰু বিভাগৰ বিষয়া সকলো তাতে উপস্থিত হৈছে। কিন্তু আমাৰ কথা হ'ল এই নদীখন খনন কৰিব লাগে। আমি যোৱাবাৰ এই পবিত্ৰ সদনত এই নদী খনৰ কাৰণে কথা পাতিছিলো।

**মাননীয় অধ্যক্ষঃ** প্ৰশ্নটো কৰক। কি লাগে। সময় নাই।

**শ্ৰী নিজাম উদ্দিন চৌধুৰী (আলগাপুৰ) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এতিয়া আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক মই ক'ব বিচাৰিছো, যে জিজা নদীখন খনন কৰিব পাৰিব নোকি? আৰু এই নদীৰ ওপৰত কমচেকম ৬ য় ঠাইত মাছ মৰাৰ কাৰণে বান্ধি ৰাখিছে। আগতে ডি চিয়ে এইটো উঠাই দিছিল কিন্তু আজিৰ দিনতো কিয় বন্ধ কৰি ৰাখিছে। এইটো কাৰণে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা ল'ব নেকি? মই জানিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য গৰাকীৰ লগত মোৰ নিকট সম্পৰ্কীয়। পলিটিকেল নহয় ব্যক্তিগত। তেওঁৰ সমস্যা কি কি আছে নিশ্চয় ভালদৰে চায় দিম।

**মাননীয় অধ্যক্ষঃ** এতিয়া শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ দুখন প্ৰধান নদী কুচিয়াৰা নৈ আৰু লঙ্গাই নৈ। আমাৰ কৰিমগঞ্জৰ এই দুইখন প্ৰধান নদী। কথাটো হৈছে, অধ্যক্ষ মহোদয়, এই যে, কুচিয়াৰা নৈ যিখন আছে, সেইখনৰে আগতে নৈ export, import বাংলাদেশৰ পৰা জাহাজ আহিছিল, গৈছিল। কুচিয়াৰা নৈ কলকাতাৰ পৰা খাদ্য সামগ্ৰী আহিছিল। আজিকালি নহয় এইখিনি বস্তু। নহয় এইটোৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়, যে ড্ৰেজিং হোৱা নাই। আমাৰ economy টো নিৰ্ভৰ কৰে কুচিয়াৰা নৈৰ ওপৰত। সেইকাৰণে মই মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম। কেইদিনমান আগতে আমাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত কিবা agreement হৈছিল lime stone ৰ এখন জাহাজ আহিব, কিন্তু এখন boat আহিছিল। তাৰ পাছত হোৱা নাই। মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম, ড্ৰেজিং কৰি export, import বা খাদ্য সামগ্ৰী যাতে আহিব পাৰে।

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, উত্তৰটো আচলতে পাটোৱাৰী ডাঙৰীয়াই ভালকৈ দিব পাৰিব। তথাপিতো মই কৈ থওঁ। আমি water management কৰো। Erosion management কৰো। তথাপিতো মই অলপ কওঁ মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি অসমৰ কিছুমান নদীত ড্ৰেজিঙো কৰিব লাগিব। বিশেষকৈ পাহাৰৰ পৰা নামি অহা নদী বিলাকত খুব বেছি siltration হয় আৰু নদীখন দেখাই পোৱা নাযায়। আমি যদি উত্তৰ অসমত যাও, জিয়াভৰলীৰ পৰা আমি জোনাইলৈ গ'লে এনেকুৱা বহুত নদী দেখা পাম, কতো পানী নাই। মাত্ৰ দলংখন থকাৰ কাৰণেহে তাতে এখন নদী আছে যেন লাগে। গতিকে যিহেতু মাটি একেবাৰে ওপৰত বানপানী definitely হয়, তাত তললৈ নাইয়ে। নদীখন ওখ হৈ গ'ল। পানী চাৰিওফালে ওলাই গুচি যায়। গতিকে definitely আমি এইটো কৰিবলৈ যত্ন কৰিম কিন্তু আমি এই বিষয়ে এটা ইউ এ আই ইতিমধ্যে উলিয়াইছো জানিবলৈ বুজিবলৈহে। এতিয়াই মই কোৱা নাই সদনক যে আমি অনতিপলমে ড্ৰেজিঙৰ ব্যৱস্থা কৰিম বুলি কোৱা নাই। কিন্তু ড্ৰেজিং যিহেতু আমাৰ বিভাগে কৰা নাই এতিয়ালৈকে তাৰ বিষয়ে কিন্তু আমি জানিবলৈ বুজিবলৈ ইউ এ আই উলিয়াইছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ৪৫। মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীচৰণ বড়ো (মাজবাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো। ইয়াত (খ) উত্তৰটো যিহেতু খেতিয়ক সকলৰ সংখ্যা ৫.১৮ কোটি টকা দিছে আৰু ইয়াত ৭৬০০ জন কৃষক নিয়োজিত হৈ আছিল। মোৰ মতে প্ৰত্যেক শিক্ষিত নিবনুৱা খেতিয়ক সকলে কমেও একলাখ কে তেওঁলোকৰ ক্ষতি হৈছে আৰু এই হিচাপত যদি আমি মুঠ হিচাপ কৰিবলৈ যাও, কমেও ইয়াত ৫০ কোটি টকা লোকচান হৈছে, ক্ষতি হৈছে। তাৰ পাছত (গ) প্ৰশ্নটো মোৰ প্ৰশ্নটো অলপ বেলেগ আছিল। মই পোনপটীয়াভাৱে শুধিছো ক্ষতিপূৰণৰ ব্যৱস্থা কৰিব নে নাই।

**মাননীয় অধ্যক্ষঃ** সময় নাই। উত্তৰটো দিব লাগিব।

**শ্ৰীচৰণ বড়ো (মাজবাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো অকনমান সলনি কৰি অলপ বেলেগ কৈ লিখিছে। মই বিচাৰো অলপ ক্ষতিপূৰণৰ ব্যৱস্থা কৰিব লাগে। কিয়নো ইয়াত ৭৬০০ শিক্ষিত

নিবনুৱা কৃষকসকল যিহেতু নিয়োজিত হৈছিল আৰু তৰমুজ খেতি কৰা ওদালগুৰি জিলাখনত মাত্ৰ এইবাৰে কৰা নহয়। ইতিমধ্যে পাঁচবাৰ কৰিছে। ভাল ফলাফল পাইছিল। তাৰ কাৰণে এইবাৰ বহুত উৎসাহেৰে ইমানখিনি কৃষকে ইয়াত খেতি কৰিবৰ কাৰণে আগবাঢ়ি আহিছিল. যদি আমি তেওঁলোকক এইবাৰ ক্ষতিপূৰণ নিদিও। এইবাৰো ক্ষতি নহলেহেঁতেন। ক'ভিড পৰিস্থিতিৰ কাৰণে এই টো হৈছে। তাৰবাবে এই কৃষক সকলক যাতে অকনমান উৎসাহ দিবৰ কাৰণে ক্ষতিপূ ৰণৰ যাতে ব্যৱস্থা কৰে তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো পুনৰ বিবেচনা কৰিবৰ ক াৰণে।

**শ্ৰী অতুল বৰা (কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে লোকচানৰ সম্পৰ্কিত যিখিনি কথা কৈছে, আমি তেখেতৰ প্ৰশ্ন লাভ কৰাৰ পাছতেই আমাৰ বিভাগক খেতিয়ক সকলে কিমান লোকচানৰ সন্মুখীন হৈছে সঠিক তথ্য আনিবলৈ কৈছিলো। এইটো সচাঁ কথা যে ওদালগুৰি জিলাৰ মাজবাট সমষ্টিত বহু শিক্ষিত নিবনুৱা যুৱক এই খেতিৰ লগত জড়িত হৈ আছে। আৰু ইয়াৰ পৰা লাভান্বিতও হৈছে। প্ৰায় ৭৬০০ মান কৃষক ইয়াত জড়িত হোৱাৰ তথ্য আমাৰ হাতত আছে। কিন্তু আমি এই কথা জানিব পাৰিছো যে ক'ভিডৰ কাৰণে প্ৰথম অৱস্থাত খেতিয়ক সকলে লোকচানৰ সন্মুখীন হৈছিল সেইটো সচাঁ কথা। কিন্তু প্ৰথম অৱস্থাত তেওঁলোকে ৰেটো পাইছিল। ২৫- ৩০ টকা দ ৰত per kg বিক্ৰী কৰিবলৈ সক্ষম হৈছিল । কিন্তু পিছৰ পৰ্য্যায়ত খুব কম টকাত তেওঁলোকে বিক্ৰী কৰিব লগা হ'ল। পাঁচ টকাকৈ কিনাৰ ব্যৱস্থা কৰে আৰু ২১ লাখ টকাৰ পৰিবহন বা ৰেহাই ব্যৱস্থা কৰে আৰু নেৰামেকৰ জৰিয়তে প্ৰায় ৪৫মেট্ৰিক টন তৰমুজ ত্ৰিপুৰালৈ পঠোৱা হয়। মাননীয় সদস্য গৰাকীয়ে কোৱা ক্ষয়-ক্ষতিৰ সম্পৰ্কে মই ক'ব বিচাৰিছো যে আমাৰ বিভাগে তৰমুজৰ উপৰিও অন্যান্য কিবা লাভজনক খেতি তাত কৰিব পাৰে নেকি বা ভৱিষ্যতে তেওঁলোকে কৃষি ক্ষেত্ৰত অন্যান্য কিবা কৰিব পৰা যায় নেকি, তাৰ বাবে সহায় কৰাৰ প্ৰতিশ্ৰুতি আমি দিছো।

**মাননীয় অধ্যক্ষঃ** Question Hour is over, এতিয়া -প্ৰদীপ হাজৰিকা।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** Sir, Point of Order.

**মাননীয় অধ্যক্ষঃ** প্ৰত্যেক দিনাই কিহৰ Point of Order আনি থাকে? কি বিষয়ত Point of Order ক'ব, আপুনি পঢ়ি দিয়ক।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** চাৰ, যোৱা তিনি দিন ধৰি প্ৰশ্নকালীন ঘণ্টাত Point of Orderক লৈ ....(interruption)...

**মাননীয় অধ্যক্ষঃ** Point of Order আপুনি কথা উত্থাপন কৰাৰ বাবে নহয়। কোনটো Rule ৰ অধীনত আপুনি Point of Order আনিছে?

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** Sir, under Rule 300.

**মাননীয় অধ্যক্ষঃ** Rule 300 ত কি আছে, আপুনি পঢ়ি দিয়ক।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** চাৰ, Rule 300 মোৰ মুখস্থ আছে। Rule 300 অনুসৰি- এটা device ত যদি কিবা irregularity হয়, তেন্তে after completion of this device, a member can draw attention of the Speaker about the matter. সদায় প্ৰশ্নকালীন ঘণ্টাৰ মাজতেই Point of Orderক লৈ আমাৰ ১০-১৫ মিনিট সময় নষ্ট হয়। আমাৰ বহুতো গুৰুত্বপূৰ্ণ প্ৰশ্ন থাকে। গতিকে, Point of Orderক আলোচনা প্ৰশ্নকালীন ঘণ্টাৰ পিছত হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** Rule 300 ত কোৱা হৈছে যে-  (1) A point of order shall relate to the interpretation or enforcement of these rules or such articles of the constitution as regulate the business of the house and shall raise a question which is within the congnizance of the Speaker. (2) A point of order maybe raised in relation to the business before the House at the moment: Provided that the Speaker may permit a member to raise a point of order during the interval between the termination of one item of business and the commencement of another if it relates to maintenance of order in, or arrangement of business before the House.

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** হয় চাৰ,  exactly এই কথাটোৰেই মই আপোনাক মনত কৰি দিছো।

**মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule 300 (3) অনুসৰি Subject to conditions  referred to in sub rules (1) and (2), a member may formulate a point of order and the Speaker shall decide whether the point  raised if of a point of order and if so, give his/her decision thereon, which shall be final. আকৌ, Provided that the Speaker may permit a member to raise a point of order during the interval between the termination of one item of business and the commencement of another if it relates to maintenance of order in, or arrangement of business before the House. অৰ্থাৎ দুটা ক্ষেত্ৰত পাৰিব, maintenance ৰ ক্ষেত্ৰত যদি কিবা খেলি-মেলি হয় আৰু যদি business  কিবা খেলি-মেলি হৈ আছে, তেন্তে তাক আপুনি ঠিক কৰিব পাৰিব। Otherwise general points can't be raised.

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** অধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়.......(interruption)...

**মাননীয় অধ্যক্ষঃ** আপুনি কথাবোৰ আৰামত কওঁকচোন। আপুনি Rule 300 মতে, কোনটো বিষয় ক'ব?

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** আপোনাক মই সেই কথাটোৰেই কৈ আছো....(interruption)...

**মাননীয় অধ্যক্ষঃ** মই বুজি পালো। আপোনাৰ বিষয়টো Houseৰ business ৰ লগত জড়িত হ'ব লাগিব।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** আমাৰ প্ৰশ্নকালীন ঘণ্টা চলি থকাৰ মাজতে Point of Order যে উত্থাপন কৰি ক'লে এইটো পাৰি-নোৱাৰি, সেইবোৰ কথা এতিয়া ক'ব লাগিছিল। এনেদৰে ১৫-২০ মিনিট সময় নষ্ট হয়, এই কথাটোকে বুজাই দিব বিচাৰিছো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাওঁ)ঃ** অধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে ক'ব বিচাৰিছে যে- প্ৰশ্নকালীন ঘণ্টা আৰম্ভ হোৱাৰ আগতেই যে Point of Order আনি দিছে সেইটো হ'ব নালাগে। তেওঁ কথাটো বুজাই দিব পৰা নাই।

**মাননীয় অধ্যক্ষঃ** হয়। যিহেতু প্ৰশ্নৰ কথা আহিল, তেখেতে সেই কাৰণে কথাটো....(interruption)...

**শ্ৰী মানৱ ডেকা (লখিমপুৰ) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নকালীন ঘণ্টা আৰম্ভ হোৱাৰ আগতেই বাহিৰত প্ৰশ্ন কেনেকৈ দিব পাৰে, ইয়াৰ clarification লাগে। আমি ইয়াত কিয় বহি আছো? তেখেতে breach of privilege আনক।

**মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা প্ৰশ্নৰ উত্তৰটো দিবলৈ হ'লে এজন সদস্যই প্ৰথমে প্ৰশ্নটো থিয় হৈ ক'ব লাগিব, তেতিয়া মন্ত্ৰীয়ে ক'ব যে উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে। Then, it becomes the property of the public. আনকি প্ৰশ্নটো অহাৰ আগমূহুৰ্ততো মন্ত্ৰীয়ে প্ৰশ্নটোৰ উত্তৰ সলাবও পাৰে। গতিকে, আজি সদনত যিটো দুৰ্ভাগ্যজনক ঘটনা হ'ল যে আগতেই গৈ সদনত hijack কৰাৰ যিটো পৰম্পৰা হৈছে যে গোটেই সদনখন মই hijack কৰি ল'ম। অধ্যক্ষ মহোদয়, ইয়াতে গৌৰী শংকৰ ভট্টাচাৰ্যৰ পৰা গোপীনাথ বৰদলৈ লৈকে বিদগ্ধ ব্যক্তি সকলে তেওঁলোকৰ কাৰ্য্যকাল পাৰ কৰি গৈছে, গতিকে, আমি কোনো প্ৰকাৰে আমাৰ কাৰ্য্যকালত সদনৰ গৰিমা হানি হ'বলৈ নিদিওঁ। আজিকালি democracy ত freelancer মানুহ পায়। তেওঁলোকে নিজকে সকলো custodian বুলি ভাৱে, that is a different issue। কিন্তু, মই আপোনাক অনুৰোধ কৰিম- আজি আপুনি মিডিয়া চেনেলবোৰক নিৰ্দেশ দিব লাগে যে যদি কোনোবাই সদনৰ কাৰ্য্যসূচী আৰম্ভ হোৱাৰ আগতেই সদনৰ property disclose কৰে, it will be treated as a breach of privilege of this House. মই ভাৱো যে বিৰোধী পক্ষইও ইয়াৰ সমৰ্থন কৰিব।

**মাননীয় অধ্যক্ষঃ** এই ক্ষেত্ৰত মই আগতেই clarification দিছো ....(interruption)...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোৰ কথা কৈ আছে ....(interruption)...

**মাননীয় অধ্যক্ষঃ** আপুনি বহক। এইটো আপোনাৰ কথা নহয়...(interruption)...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোৰ কথা কৈ আছে। এখেতসকলে প্ৰশ্নটো মোক পঠাইছিল। ........... (interruption)...........

**মাননীয় অধ্যক্ষঃ** আপোনাৰ নাম লোৱা নাই নহয় .... (interruption)... আপুনি বহক ....(interruption)... সদনৰ নিয়ম আছে।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** এই বিষয়ে মোক ক'বলৈ কিয় নিদিয়ে? মোক clarification দিবলৈ দিয়ক ....(interruption)...

**মাননীয় অধ্যক্ষঃ** আপুনি কিয় clarification দিব? clarification টো মইহে দিম।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** এই প্ৰশ্নটো উত্থাপন কৰিছিল মোৰ ওপৰত ....(interruption)...

**মাননীয় অধ্যক্ষঃ** সন্মানীয় সদস্য, আপুনি বহক। নিয়মৰ মাজত চলক। আপুনি যদি এনেকুৱা কৰে কেনেকৈ হ'ব? আমাৰ সমাজত যে কথা এষাৰ আছে- 'নামঘৰৰ কল কোনে খাইছে? মই খোৱা নাই ' আপোনাৰ দেখোন এনেকুৱা হৈছে। আপোনাৰ নাম কোনেও লোৱা নাই। আপুনি বহক ....(interruption)...

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপোনালোকে এনেকৈ নিজৰ নিজৰ comment pass কৰি থাকিব আৰু মই তাত একো উত্তৰ দিব নোৱাৰিম নেকি? ....(interruption)...

**মাননীয় অধ্যক্ষঃ** বিধান সভাত এনেকৈ কোনেও উত্তৰ দিব নোৱাৰে।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (মাননীয় পৰিবহন মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি কথা কৈছে ঠিকেই কৈছে। Rules of Procedure and Conduct of Business in

Assam Legislative Assembly ৰ Rule 47 B ত Prohibition of advance publicity of answer সম্পৰ্কত কৈছে যে- Answers to questions which Ministers propose to give in the Houe shall not be released for publication until the answers have actually been given on the floor of the House or laid on the Table.

**মাননীয় অধ্যক্ষঃ** ইতিমধ্যে মই clarification দিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী (পৰিবহন মন্ত্ৰী) ঃ** Rule 47 B ত এই কথাখিনি স্পষ্টভাৱে কৈছে আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই কথাটোকে কৈছে আৰু তেওঁক যে counter কৰিব লাগিব সেইটো নিয়ম আছে নেকি ? নিয়ম নাই নহয়। মই ১৯৮৫ চনৰ পৰা এই বিধান সভাত আছো। এই ক্ষেত্ৰত আপুনি action ল'ব বুলি মোৰ এটা ধাৰণা আছে। এই ক্ষেত্ৰত আপুনি কিয় action নল'লে সেইয়া আপোনাৰ সিদ্ধান্ত, মই আপোনাক প্ৰশ্ন কৰা নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নকালীন ঘন্টা আৰম্ভ হোৱাৰ আগতেই এগৰাকী সদস্যৰ বিৰুদ্ধে যি অভিযোগ আনিলে সেইটো গুৰুত্ব সহকাৰে ল'ব লাগে আৰু গোটেই বিষয়টো আপুনি চালি-জাৰি চাব।

**মাননীয় অধ্যক্ষঃ** নিশ্চয়।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদন অকল এই বিষয়টোলৈ নহয়। সদন আমি সকলোৱে মিলিজুলি চলাব লাগিব। আমি ইয়ালৈ অহাৰ আগতে ক'তো একো এনেকুৱা ধৰণৰ কথা হ'ব নালাগে যিটো সদনৰ ভিতৰত অহাৰ লগে-লগে বোম এটা ৰখাৰ দৰে কৈ দিয়ে। এনেধৰণৰ কথা আমি বাহিৰত ক'ব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** শপত গ্ৰহণ কৰাৰ সময়তে এই কথা কোৱা হয়। শপত লোৱাৰ কথাটো পাহৰি যাব নালাগে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত এটা প্ৰতিযোগিতা হয় যে আমাৰ ইয়াত শেষ হোৱাৰ আগতে দৌৰি গৈ কোনে আগতে ক'ব পাৰে। এই কথাখিনি চাব লাগে। এনেধৰণৰ কথাবোৰ ক'বলৈ যাওঁতে গোটেই ঘটনাবোৰ ঘটে। গতিকে যিখিনি নিয়ম, সেইখিনি আমি সকলোৱে মানি চলিব লাগে। অধ্যক্ষ মহোদয়, অভিযোগটো আনিলেই যে সত্য হ'ব সেইটো নহয়।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়া Parliamentary Affairs Minister হৈ থাকিলে ভাল আছিল।

**মাননীয় অধ্যক্ষ ঃ** এই সম্পৰ্কত অখিল গগৈৰ আৰু কোনো কথাই record ত নাযাব। আপুনি বহক। Already মই এটা direction দিছো। House টো এটা Rule ৰ মাজেৰে চলে। আপুনি প্ৰথম দিনাই এটা শপত লৈছিল, মনত পেলাওঁকচোন। আমি সাধাৰণ মানুহৰ নিচিনা চলিলে আমাৰ আৰু সাধাৰণ মানুহৰ মাজত পাৰ্থক্য ক'ত থাকিল ? তেনেকুৱা হ'লেতো আমি পথাৰতেই কথা পাতিব পাৰিলোহেঁতেন। গতিকে বিধান সভাত অহাৰ পিছত আমাৰ দায়িত্ব সম্পূৰ্ণ সলনি হৈ যায়। যোৱাকালিও মই কৈছো মোৰ কি অৱস্থা হৈছে। ইয়াত অহাৰ লগে-লগে আমি সলনি হ'ব লাগিব। আগতে আইনটো ভুল বুলি মই কৈছিলো। এতিয়াতো মই ইয়াত আইনৰ দ্বাৰাই যাব লাগিব। অখিল গগৈ ডাঙৰীয়া আপুনিও আগতে বাহিৰত বহুত কথা ক'ব পাৰিছিলে, কিন্তু এতিয়া সদনৰ ভিতৰত নিয়মৰ মাজত থাকিহে কথা ক'ব লাগিব। গতিকে আজি কিবা এটা হ'ল যিটোৰ

ওপৰত মই ইতিমধ্যে clarification দিছো যে আমি এটা বিশেষ কাৰণবশতঃ ৰাতিৰ ভিতৰত Questionnaire ত question টো দিছিলো যাতে supplementry Question ৰ ক্ষেত্ৰত prepare হৈ আহি ইয়াৰ relevant question খিনি কৰিব পাৰে। কাৰণ সদনত বহিয়েই যেতিয়া প্ৰশ্নৰ উত্তৰটো দেখিব তেতিয়া ভালদৰে অধ্যয়ন কৰিব নোৱাৰে আৰু যিটো তথ্য আপোনালোকে বিচাৰিছে তাৰ ৰামায়ণ-মহাভাৰতৰ নিচিনা তথ্য আছে। সকলোবোৰ তথ্য আমি CD ত বিচাৰি পঠিয়াব লগা হৈছে। গতিকে আজিৰ পৰা এইটো বন্ধ। এতিয়া শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়া।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১২-০৭-২১ তাৰিখৰ The Assam Tribune কাকতত এটা অতি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ পাইছে। তাৰ caption টো হ'ল "Drug Trafficking from Myanmar Cause for concern" অধ্যক্ষ মহোদয়, ম্যানমাৰৰ Drug Trafficking ৰ যিটো বিষয় ইয়াত দাঙি ধৰিছে তাৰবাবে মই আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, মই বৰ্তমানৰ অসম চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত পৰিচালিত যোৱা দুমাহত যিখিনি সিদ্ধান্ত লৈছে Drug Trafficking ৰ ওপৰত সেইটো অত্যন্ত গুৰুত্বপূৰ্ণ। চৰকাৰে এতিয়ালৈ প্ৰায় ৩৫০০ মানুহক গ্ৰেপ্তাৰ কৰিছে for illicit drug trading in the State. অধ্যক্ষ মহোদয়, ইয়াত এই কথাটো এনেধৰণে দাঙি ধৰিছে যে - "Though The Assam Police has launched a major crackdown against drugs in recent months, trafficking of narcotics from Myanmar ". অধ্যক্ষ মহোদয়, the Assam Government has started the war against drugs. এতিয়া আমাৰ অসমলৈ বিভিন্ন ধৰণৰ নিচাজাতীয় বস্তু যেনে- হেৰোইন, গাঞ্জা, অপিয়াম, টেবলেট, কোকেইন, ব্ৰাউন ছুগাৰ আদি আহিছে। ড্ৰাগছে সমগ্ৰ পৃথিৱীৰ লগতে অসমতো সাংহাৰিক ৰূপ ধাৰণ কৰিছে। বহুত দেৰীকৈ হ'লেও এই যিটো সিদ্ধান্ত চৰকাৰে লৈছে আৰু এই সিদ্ধান্তটোৰ বাবেই প্ৰায় ৩৫০০ মানুহ গ্ৰেপ্তাৰ হৈছে। ইমান সংখ্যক মানুহ গ্ৰেপ্তাৰ হোৱাৰ পাছতহে ইয়াৰ magnitude টো অসমৰ ৰাইজে বুজি পাইছে। Drugs affected হোৱা ৰোগী সকলক নেদেখিলে ইয়াৰ ভয়াবহতা বুজিব নোৱাৰি। চৰকাৰ হোৱাৰ মাত্ৰ দুটামান দিনৰ ভিতৰতে ইমান ড্ৰাগছ চৰকাৰে ধৰিলে আৰু ইমান মানুহ গ্ৰেপ্তাৰ কৰিলে সেয়া শলাগ ল'বলগীয়া। কেইদিনমান আগতে বৰছিং বে' নামৰ হোমগাৰ্ড এজনে এখন গাড়ীত অহা প্ৰায় ১২কোটি টকাৰ ড্ৰাগছ ধৰিলে। তেখেতক আমাৰ চৰকাৰে পুৰস্কৃত কৰিছে আৰু তেখেতক কনিষ্টবল হিচাপে নিযুক্তি দিছে। তাৰবাবে আমি চৰকাৰক ধন্যবাদ জনাইছো। তেখেতে এটা বহুত ডাঙৰ কাম কৰিছে। অধ্যক্ষ মহোদয়, এতিয়া এই কথাটো চাব লাগিব যে ড্ৰাগছ যে অসমলৈ আহিলে এই সমূহ কৰ পৰা অহিছে? তাৰ source টো ক'ত? আমি শুনিছো যে দুটা source ৰ পৰা ড্ৰাগছ অসমলৈ আহিছে। এই দুটাৰ এটা হৈছে Golden triangle আৰু এই Golden triangle টো হৈছে ম্যানমাৰ, লাওছ আৰু থাইলেণ্ড। এই তিনিখন দেশক Golden triangle বুলি কৈছে। এতিয়া কথাটো হৈছে ম্যানমাৰ, লাওছ আৰু থাইলেণ্ডৰ পৰা অসমলৈ কেনেকৈ আহিছে? এই তিনিখন দেশৰ যিটো জইনিং পইণ্ট সেইটোক গল্ডেন ট্ৰাইএংগল বুলি কৈছে। এই গল্ডেন ট্ৰাইএংগল ম্যানমাৰ, লাওচ আৰু থাইলেণ্ডৰ পৰা আহিছে। ম্যানমাৰ আৰু ভাৰতবৰ্ষৰ মাজত তাত আমাৰ টেৰ'ৰিষ্ট গ্ৰুপ বিলাক থাকে। এই ঠাইখিনিত ম্যানমাৰ চৰকাৰৰ প্ৰশাসন নচলে। তাত যিমান বিলাক টেৰ'ৰিষ্ট গ্ৰুপ আছে বহুতে চীজ ফায়াৰ কৰিলেও এতিয়াও তাত ১৫-২০ টা টেৰ'ৰিষ্ট গ্ৰুপে কাম কৰি আছে আৰু এই টেৰ'ৰিষ্ট

গ্ৰুপ বিলাক ড্ৰাগছ ৰ লগত জড়িত হৈ আছে। ৰিচেণ্টলি পোৱা খবৰ অনুযায়ী দুটামান টেৰ'ৰিষ্ট গ্ৰুপে ইতিমধ্যে ড্ৰাগছ মেনুফেকচাৰিং উদ্যোগ খুলি লৈছে। তেওঁলোকে প্ৰডাকশ্যন কৰে আৰু তাৰপৰা ভাৰতবৰ্ষ আৰু ইউৰোপিয়ান দেশ বিলাকলৈ পঠিয়ায়। এতিয়া ড্ৰাগছৰ দৰে বৰবিহৰ প্ৰতি আমাৰ ভাল ভাল ঘৰৰ ল'ৰা-ছোৱালী বিলাক আসক্ত হৈ আছে৷ এই বৰবিহ গণ্ডেন ট্ৰাইএংগলৰ পৰা আহিছে আৰু চাউথ-ইষ্ট এচিয়া লৈকে ক'ভাৰ কৰি আছে। ইতিমধ্যে অসমত ৩,৫০০ মানুহ এৰেষ্ট কৰিছে আৰু কোটি কোটি টকা ৰিক'ভাৰ হৈছে। বৰ্তমান সময়ত ভাৰতবৰ্ষৰ ফালৰ Moreh and ম্যানমাৰৰ ফালৰ Tamu ড্ৰাগছৰ আটাইতকৈ ডাঙৰ বজাৰ বুলি কোৱা হৈছে। এই Moreh আৰু Tamu ৰ পৰা মণিপুৰ হৈ অসমলৈ ড্ৰাগছ সৰবৰাহ কৰা হয়। সেইকাৰণে ডিমাপুৰ, কাৰ্বি আংলং এই ঠাইবিলাক অন দা ৰোড পৰে যাৰ ফলত ড্ৰাগছ বিলাক আহি আমাৰ এই ঠাই বিলাকত সোমাইছে। দ্বিতীয় উৎস হ'ল Golden Crescent সেইটো হৈছে পাকিস্তান, আফগানিস্তান আৰু ইৰান। ইয়াতো টেৰ'ৰিষ্ট গ্ৰুপ কিছুমানে ড্ৰাগছ মেনুফেক্সাৰ কৰি আছে। যিবিলাক তালিবান এৰিয়া আছে তাত হেভিলী poppy cultivation কৰি ড্ৰাগছ বনাই আছে। য'ৰ পৰা সোনকালে পইচা উপাৰ্জন কৰিব পাৰে আৰু অস্ত্ৰ-শস্ত্ৰ কিনিব পাৰে। তেওঁলোকৰ হাতত কন্ট্ৰোল থকা যিবিলাক এৰিয়া আছে তাত তেওঁলোকে খুব সুন্দৰকৈ এই poppy cultivation কৰি ড্ৰাগছ বনাই আছে আৰু এই ড্ৰাগছ আফগানিস্তানৰ পৰা পাকিস্তান হৈ আমাৰ ভাৰতবৰ্ষলৈ আহে। পাঞ্জাৰত ৫০০ কিলোমিটাৰ এৰিয়াৰ যোগেদি, গুজৰাট, কেৰেলা আদি ৰাজ্যলৈ ড্ৰাগছ সোমায়। Golden triangle ৰ ড্ৰাগছ অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা, নক্সালাইট এৰিয়া বিলাকলৈকে পঠিয়ায়। এই ধৰণে গোটেই ভাৰতবৰ্ষখন কেপচাৰ কৰি আছে। হিমাচল প্ৰদেশত এই ড্ৰাগছ বিভিন্ন কাৰণত লিগেলী প্ৰডাকশ্যন কৰা হয়। এতিয়া Golden Crescent ৰ পৰা অহা ড্ৰাগছে হিমাচল প্ৰদেশ, কাশ্মীৰ ৰাজস্থান, গুজৰাট, কেৰেলা আদি সকলো ৰাজ্য ক'ভাৰ কৰিলে আৰু Golden triangle ৰ পৰা অহা ড্ৰাগছে গোটেই South-East Asia ক'ভাৰ কৰি আছে। আমাৰ অসম, মেঘালয়, মিজোৰাম, অৰুণাচল, নাগালেণ্ড আদি ৰাজ্যৰ গোটেই young ল'ৰা-ছোৱালী বিলাকে ড্ৰাগছৰ প্ৰতি আসক্ত হৈ আছে। লাহে লাহে গোটেই জেনেৰেশ্যন শেষ হৈ যাব। গতিকে অন্য নেশ্যনৰ লগত কথা পতা নহ'লৈ এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা আহি পৰিব বুলি মই ভাৱো। ২৬ জুন তাৰিখটো ইউনাইটেড নেশ্যনত International Day Against Drugs হিচাবে পালন কৰে। ড্ৰাগছে স্বাস্থ্য, উন্নয়ণ, শান্তি, চিকিউৰিটি ক্ষেত্ৰত অপকাৰ সাধন কৰিছে। ইউনাইটেড নেশ্যনৰ তথ্য মতে প্ৰত্যেক বছৰে ১ লাখ ৯০ হাজাৰ মানুহ ড্ৰাগছত আসক্ত হৈ মৃত্যু মুখত পৰিছে। ড্ৰাগছত আসক্ত হোৱাৰ ফলত এইচ আই ভি, হেপাটাইটিচ, টিউবাৰ কুলচিচ হৈ স্বাস্থ্যৰ হানি হৈছে, ক্ৰাইম আৰু ক'ৰাপশ্যন বৃদ্ধি হৈছে। যিটো চেইনত ড্ৰাগছ চাপ্লাই হৈ আছে তাত এই ঘটনা বিলাক ঘটি আছে। মাননীয় অধ্যক্ষ মহোদয়, কলম্বিয়াত গোটেই প্ৰশাসন নাৰ্কটিক্স মাফিয়া পাবলু এচক'বাৰ হাতত থাকে। আনকি মেক্সিকোৰ পৰা কলম্বিয়ালৈ ড্ৰাগছ পঠিওৱাৰ ফলত ই আমেৰিকাক এফেক্ট কৰিলে আৰু আমেৰিকাই আৰ্মিৰ সহায়ত কাম কৰিব লগীয়া হ'ল। পাবলু এচক'বাৰ কলম্বিয়াত এদিনৰ বাবে প্ৰেচিডেণ্ট হোৱাত ড্ৰেচ-পোছাক চিলাই তাত থিয় হৈ আছিলে যাৰ ফলত আমেৰিকাই তেওঁৰ লগত ব্যস্ত হ'ব লগীয়া হ'ল। ড্ৰাগছটো অকল পাউদাৰ বা পানীয় নহয় ইয়াৰ লগত হেভিলী আৰ্মচ্ জড়িত হৈ আছে। এনেকুৱা ধৰণৰ চিৰিয়াচ ঘটনা যিহেতু লাহে লাহে হ'বলৈ ধৰিছে গতিকে চৰকাৰে ইয়াৰ গুৰুত্ব বুজি ইতিমধ্যে পদক্ষেপ হাতত লৈছে। ড্ৰাগছৰ জৰিয়তে পৃথিৱীত ভয়াবহ ৰূপ আহিব ধৰিছে। ইতিমধ্যে আমাৰ

চৰকাৰে কৈছে যে ওচৰৰ ৰাজ্য বিলাকৰ লগত কো-অৰডিনেট কৰি পেলাই এই সমস্যা বিলাক সমাধানৰ কাৰণে তেওঁলোকে ইউনাইটেডলী ফাইট কৰিব। গতিকে আমাৰ ৰাজ্য চৰকাৰৰ পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰলৈ যাব লাগে আৰু ৰিলেটেড দেশ বিলাকৰ লগত আলোচনা কৰি যাতে সঠিক ব্যৱস্থা গ্ৰহণ কৰে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনৰ এগৰাকী জ্যেষ্ঠ সদস্য শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই অত্যন্ত স্পৰ্শকাতৰ আৰু নতুন প্ৰজন্মৰ বাবে অত্যন্ত প্ৰয়োজনীয়। ড্ৰাগছ ট্ৰেফেকিঙৰ ওপৰত বা যিটো আমাৰ অবৈধ ড্ৰাগ্‌ছৰ ব্যৱসায় হৈ আছে, খোৱা হৈ আছে আৰু ই ক'ৰ পৰা আহিছে, এই গোটেই ধৰণৰ কথা সদনত শূণ্যকালীন ঘন্টাৰ জৰিয়তে সদনৰ দৃষ্টি আকৰ্ষণ কৰিছে। অধ্যক্ষ মহোদয়, যোৱা কিছুবছৰ ধৰি যেতিয়া আমি কোনোৱা জিলাত ভ্ৰমণত যাওঁ, ৰাজহুৱা ভাৱে কথা বতৰা পাতো বিশেষকৈ আই মাতৃ সমাজৰ সৈতে কথা পাতো, তেতিয়া সদায় তেওঁলোকে অসমৰ আটাইতকৈ ডাঙৰ সমস্যা হিচাপে ড্ৰাগছৰ বিভিসীকাৰ কথা আমাৰ আগত উল্লেখ কৰি আহিছিল। পোন প্ৰথমে মোৰ মনত এটা ধাৰণা আছিল যে আমাৰ উত্তৰপূৰ্বৰ কিছু অঞ্চল বিশেষকৈ চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে কিছু বোৰ্ডাৰত বহুত বেছি আৰক্ষী বা সামৰিক বাহীনিয়ে প্ৰশাসনৰ স্পৰ্শ দেখা পোৱা নাযায়, তেনেকুৱা অঞ্চলৰ পৰা এই ড্ৰাগছ উৎপাদন হয় আৰু উত্তৰপূব বা অসমক পাৰ কৰি পাঞ্জাৰ আদি ৰাজ্যলৈকে যায়। আমাৰ মনত এটা ধাৰণা আছিল যে অসমৰ ড্ৰাগছ ব্যৱসায় সকলৰ বাবে এটা ট্ৰেনজিৎ ৰোড কিন্তু ইয়াত খুৱ তেনেকৈ Consumption নহয়। মোৰ মনত আছে যে, এদিন মই বিশ্বনাথ চাৰিআলীত আছিলোঁ, তাতে দুগৰাকী মহিলাই মোক লগ কৰি কৈছিল যে চাৰ আপোনালোকে বাকী যি কাম কৰে কৰক, ড্ৰাগছটো বন্ধ কৰক। তেতিয়া মই সুধিলো বিশ্বনাথ চাৰিআলীত ড্ৰাগছ ক'ৰ পৰা আহিল ? তেতিয়া তেখেতে মোক কৈছিল যে একো একোখন ভাল ঘৰ ড্ৰাগছৰ কাৰণে নষ্ট হৈ গৈছে, ল'ৰা-ছোৱালীয়ে মাটি বিক্ৰী কৰাব, কাৰোবাক দেউতাকৰ নামত ফল্‌চ চহী চেক ইচ্চু কৰিব, মাকৰ অলংকাৰ কাঢ়ি লৈ যাব, এখন গাঁৱলীয়া ভাষাত এটা যি ধৰণে চিত্ৰ বৰ্ণনা কৰিছিল, মোৰ মনটো সেমেকী উঠিছিল। কিন্তু তথাপিতো কৰবাত নহয় কৰবাত মনত এটা মোৰ সন্দেহ আছিল যে This might be abrasion, হয়তো এনেকুৱা দুই এটা ঘটনা হৈছে। কিন্তু অসমত এইটো বহুত ভয়বহ কথা নহয়। সেই ধৰণে এটা দুই ধৰণৰ চিন্তা লৈ মই চলি আছিলো। আমাৰ অসমত আৰু এখন সমাজ আছে, যিখন হ'ল প্ৰথমতে ড্ৰাগছ খাইছিল পিছত তেওঁলোকে Rehabilitation চেন্টাৰত গৈ ড্ৰাগছ এৰি দিয়ে আৰু তেওঁলোকক আমি ক'ব পাৰো যে তেওঁলোক প্ৰাক্তন ড্ৰাগছ আষক্ত। তেখেত সকলে যোৱা কিছুদিনত যি ধৰণে কথাবিলাক বৰ্ণনা কৰিছে যে, জেলতো ড্ৰাগছ পায়, হস্পিটালতো ড্ৰাগছ পায়, দোকানতো ড্ৰাগছ পায়, আনকি গুৱাহাটীত এনেকুৱা পৰ্য্যন্ত হৈছে যে চুইগিত অৰ্ডাৰ দিলে যেনেকৈ খোৱা বস্তু আহে, ঠিক তেনেকৈ তেনেকুৱা ধৰণৰ কাপোৰ পিন্ধি ধুনীয়াকৈ দেলিভেৰী বয়ৰো নেটৱৰ্ক বনাই লোৱা হৈছে যে, যোনে য'ত বিচাৰে ঘৰত গৈ ড্ৰাগছ দি থৈ আহে। চুইগী শব্দটো উদাহৰণ দিবলৈহে ব্যৱহাৰ কৰিছো। আনকি লক্‌ডাউনৰ সময়তো যিহেতু এই ধৰণৰ ব্যৱসায় খোলা আছে হোম ডেলিভাৰী, ড্ৰাগছৰ হোম ডেলীভাৰী হৈছে। বিভিন্ন ধৰণে টেলিভিচনতো এই কথাবিলাক আলোচনা হৈছিল, যেতিয়াই এই কথা বিলাক আমি দেখিছিলো তেতিয়া আমি লগে লগে সিদ্ধান্ত লৈছিলো যে নহয়, আমি ড্ৰাগছৰ বিৰুদ্ধেও কাম কৰিব লাগিব। অসম আৰক্ষীয়ে এইটো নহয় যে প্ৰথম বাৰৰ বাবে ড্ৰাগছৰ বিৰুদ্ধে কাম কৰিছে। কম বেছি পৰিমাণে আমাৰ অসমত

আমি ড্ৰাগছ চিচ কৰি আছিলো ২০১৬ চনৰ পৰাই। আমি ২০১৬ চনত হিৰোইন ১০ কে জি চিচ কৰিছিলো, ২০১৭ চনত ৫ কেজি, ২০১৮ চনত ৭ কেজি, ২০১৯ চনত ২৩ কেজি, ২০২০ চনত ২৭ কেজি। তাৰমানে এই গোটেই যিটো দাতা তাৰ পৰাই আপোনালোকে বুজিব যে এভেলেবেলিটিটো অসমত বাঢ়ি গৈ আছে। কাৰণ পুলিছে যিটো চিচ কৰে সেইটো probably যিমান যিমান ড্ৰাগছ থাকে তাৰে ক্ষুদ্ৰ অংশ এটাহে জব্দ কৰো। ২০১৬ চনত বা যদি ২০১৭ চনত চাই ৫ কেজি হিৰোইন জব্দ হোৱাৰ বিপৰীতে ২০২০ চনত জব্দ হ'ল ২৭ কেজি। তাৰমানে মই যদি ধৰি লওঁ যে যিমান ড্ৰাগছ এভেইলেবল আছে তাৰ ১০ শতাংশ হে পুলিছে ধৰিব পাৰে। এতিয়ালৈ in a given year ২০১৭ চনত যদি এইটো ৫০ কেজি আছিল তাৰ পৰা আমি ৫ কেজি ধৰিছোঁ, ২০২০ চনত আহি আহি আমি ২৭ কেজি ধৰিছো, তাৰমানে Availability of drugs was almost 270 kg of Heroin. যিকোনো চোৰাং কথা-বতৰা পুলিছে কিমানটো চিচ কৰে, 10% of the Available illegal commodity. তাৰমানে ৫০ কেজিৰ পৰা ২৭০ কেজিলৈকে যিটো যাত্ৰা সেইটো আমাৰ সন্মুখতে হ'ল। আমি এই সদনত বহি থকা অৱস্থাত, নতুন বিধায়ক খিনি আমি বাদ দিওঁ, আমাৰ সন্মুখতে কব নোৱাৰাকৈয়ে এই যাত্ৰাটো আমাৰ চলি থাকিল। আমি সদনতো কেতিয়াও এই বিষয়ে আলোচনা কৰা নাই, যিটো ধৰণে আলোচনা কৰিব লাগে, প্ৰয়োজনীয়তাও অনুভৱ কৰা নাই, কাৰণ যি সকলে ড্ৰাগছ খাই, ড্ৰাগ কনজিউম কৰে, দেউতাক-মাকে সামাজিক এটা অপবাদ আহিব বুলি ঘৰৰ পৰা নকয়। ড্ৰাগছ খোৱা ল'ৰা-ছোৱালী খিনিও সমাজৰ পৰা অলপ দূৰত থাকে, তেওঁলোকে এখন নিজৰ পৃথিৱী নিৰ্মাণ কৰি লয় আৰু একো একোটা পৰিয়াল একেবাৰে শেষ হৈ যায়। অধ্যক্ষ মহোদয়, মই দায়িত্ব লোৱাৰ পিছত ভাৰতৰ গৃহ মন্ত্ৰী অমিত শ্বাহ ডাঙৰীয়াই মোক দুই তিনিটা কথা পৰামৰ্শ দিছিল। এটা পৰামৰ্শ দিছিল যে হিমন্ত অসমত যিটো ড্ৰাগছৰ পাদুৰ্ভাৱ বাঢ়িছে আৰু বিশেষকৈ উত্তৰপূবত, সকলোৰে মিলি সমন্বিত হৈ কাম কৰিব লাগিব যাতে উত্তৰ পূবত আমি ড্ৰাগছৰ ব্যৱসায়টোৰ ওপৰত আঘাট হানিব পাৰো। দ্বিতীয়তে, তেওঁ মোক কৈছিল যে গৰুৰ চোৰাং ব্যৱসায় হ'ব নালাগে আৰু তৃতীয়তে, তেখেতে মোক কৈছিল যে হিউমেন ট্ৰেফিকিং হ'ব নালাগে। তিনিটা কথাই মোৰ কাৰণে অৱিশ্বাস্য আছিল। মই শুনি আছিলো যে ক'ত অসমত ড্ৰাগছ আছে? ক'ত অসমত গৰুৰ চোৰাং ব্যৱসায় আছে? ক'ৰ পৰা অসমত হিউমেন ট্ৰেফিকিং আছে? অলপ মনত সন্দেহ বুকুত বান্ধিয়ে তেখেতৰ কথাখিনি শুনি আছিলো। ইয়াত আহিলো, দায়িত্ব লোৱাৰ পিছত পুলিচৰ এখন মিটিং কৰি কলো যে আমি এই তিনিটা ব্যৱস্থাৰ ওপৰত কঠোৰ হ'ব লাগে আৰু জিৰো টলাৰেন্স নীতি এটা আগত ৰাখি আমি কাম কৰিব লাগে। অধ্যক্ষ মহোদয়, আপোনালোক আচৰিত হ'ব যে এই সময়চোৱাত অসম আৰক্ষীয়ে কেছ ৰেজিষ্টাৰ কৰিছে মাত্ৰ যোৱা দুই মাহ তিনি মাহত, কেলেণ্ডাৰ বছৰটো ২০২১ বুলি কৈছো যদিও ইলেক্‌চনৰ সময়ততো এনেকুৱা একটিভিটি নাছিল। যোৱা দুমাহত ১১২০ টা কেছ ৰেজিষ্টাৰ হৈছে। আমি কিমান মানুহক ধৰিছো, ১৮৯৭ জন। ইয়াৰ ভিতৰত কেইটামান king pin আছে। These are basically paddlers। যিবিলাকে সৰু সৰু delivery ৰ কাম কৰে। ডাঙৰ কোৱাইনটাম আমি এক কেজি, য'ত এক কেজিৰ দাম international market ত ডেৰ, দুই কোটি টকা হ'ব। তাৰ পৰা লাহে লাহে সৰু সৰু গ্ৰামলৈকে convert কৰি এই ধৰণৰ paddlers বিলাকে কাম কৰে। তেওঁলোক হ'ল **১৮৯৭** গৰাকী। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সৰু কাৰ্য্যত অৰ্থাৎ যোৱা দুমাহত হেৰ'ইন ধৰিছো **২৭,৬৩১** গ্ৰাম অৰ্থাৎ প্ৰায় **২৮** কেজি। মই ভাৱো ইয়াৰ মাজতে বহুতখিনি ওলাই গৈছে। গাঞ্জা এই সময়ত

ধৰিছো **১২,৮৮৩** কেজি। ওপিয়াম এই সয়ম ছোৱাত ধৰিছো **৪১** কেজি, কফচিৰাপ এই সময় ছোৱাত ধৰিছো **৭৮** হেজাৰ বটল, psychotropic substance যিটো কেমিকেল দি বনাই, এনেকুৱা এটা টেৱলেট আছে YABA বুলি কয় আৰু (ওৱালি জিউচ) WY। এই ওৱালি জিউচৰ টেৱলেট লয় তিনি চাৰিদিন আপুনি young হৈ থাকিব, য'ত আপোনাক duty কৰিব দিব, যেনেকৈ কাম কৰিব দিব, আপুনি ৰবটৰ দৰে কাম কৰিব, আপোনাৰ দুখ ভাগৰ আদি একো নালাগে। মিলিটেন বিলাকে বিশেষকৈ উত্তৰ পূবৰ একাংশই অপাৰেচনৰ সময়ত আৰু কাবুলৰ ঘটনাৰ সময়ত বা যেতিয়া মুম্বাইত আক্ৰমণ হৈছিল সৰু সৰু drug substance পাইছিলে, তাৰ কাৰণটো হ'ল যে সেই সময় ছোৱাত যিবিলাক মানুহক ব্যৱহাৰ কৰা যায়, তেওঁলোক জন্তুৰ দৰে হৈ থাকে, মাষ্টাৰে যি কয় তাকে শুনে আৰু তিনি চাৰিদিন তেওঁলোকে দিনে ৰাতিয়ে কাম কৰিব তাৰ পিছত টোপনি আহিব দুই তিনিদিন দিনে ৰাতিয়ে শুই থাকিব। আকৌ টেৱলেট লব তেতিয়া energy থাকিব, beyond the normal human level। খেলাধুলাৰ কাৰণে আমি যিটো steroid লোৱা বুলি কওঁ, WY is a kind of steroid. This is type of chemical substance, psychotropic substance। মাননীয় অধ্যক্ষ মহোদয় আমি **১৩,৬৩, ১৮৩** টেবলেট ধৰিছো। তাৰমানে কিমান যুবক ধংস হৈ গ'ল, এইখন এখন কিমান ডাঙৰ বজাৰ আছিল আপোনালোকে চিন্তা কৰক। এই সময়ছোৱাত মৰফিন ধৰিছো **৩** কেজি। Crystalline বুলি এবিধ drug ধৰিছো **৩** কেজি Poppy straw ধৰিছো **৩৩** কেজি আৰু এওঁলোকে লগত fake currency আৰু Foreign currency লৈ আহে সেইটো আমি ধৰিছো **১৫** হাজাৰ। এই মানুহ বিলাকৰ পৰা cash cease কৰিছো **১** কোটি **৮০** লাখ টকা। যোৱা দুমাহত আমাৰ অসম আৰক্ষীয়ে যি দৰে কাম কৰিছে, মাননীয় অধ্যক্ষ মহোদয়, এই ধৰণৰ cease কৰা তাৰমানে প্ৰতিটো টেবলেটে এটা এটা পৰিয়াল জীৱন ধংস কৰিলে। **১৩** লাখ টেবলেটে **১৩** লাখ ডেকা লৰাক শেষ কৰি পেলালেহেতেন। আজি **২৭** কেজি হিৰো'ইন যাৰ মূল্য international market ত not less than 50 crore কেনেকুৱা অৱস্থা হ'লেহেঁতেন। মাননীয় অধ্যক্ষ মহোদয় আপোনাক এক প্ৰকাৰে explain কৰিব নোৱাৰো যে কি অৱস্থাত অসম খন লাহে লাহে পৰিনত হৈছে। আমি এখন চিনেমা দেখিছিলো Udta Panjab। তাতে আমি পাঞ্জাৱৰ পৰিবেশ দেখিছিলো। আমাৰ অসমক কি গতি কৰি আছিলে ক'ব নোৱাৰাকৈ। আমি ইয়াত কৰ্ম-সংস্কৃতিৰ কথা কৈছো। আমি ইয়াত আন ধৰণৰ কথা কৈছো আৰু এচাম লোকে drug আৰু বৰবিহৰ কবলত পৰি আমাৰ গোটেই জাতিটোক ধংস কৰাৰ ৰাষ্টালৈ লৈ গৈ আছে। কিন্তু দুৰ্ভাগ্যবশত আমি যিসকল অভিভাৱক সমাজৰ এই কথাবিলাক গমে পোৱা নাছিলো। তাক কেতিয়াও আলোচনা কৰা নাছিলো। আৰু এনেকুৱা হৈছে যে আৰক্ষী বিভাগৰ ভিতৰতো এই ধৰণৰ কাম কৰা মানুহ সোমাই গৈছিলে। যোৱা কেইদিনমান আগত অজিৎ দাস বুলি এগৰাকী ব্যক্তিৰ পৰিয়ালে আমাক অভিযোগ দিলে যে মোৰ দেউতা kidnap হৈছে। normal kidnap case। এটা সময়ত আমি এটা source ৰ পৰা গম পালো যে এই kidnap case টোৰ এটা history আছে, কেনেকুৱা? প্ৰায়ে এবছৰ আগতে হূtyre ত **১০** কেজি হিৰো'ইন আনিছিলো, এই হেৰ'ইনটো এই মানুহজনে handle কৰিছিলে আৰু এই মানুহজনে বিক্ৰী কৰি যোনে পঠিয়াইছিলে, তেখেতক পইচা ঘুৰাই দিব লাগিছিলে। অজিৎ দাসে পইচাটো ঘুৰাই দিয়া নাছিলে। যেতিয়া টাক ঘুৰাই নেদিলে ইমান অভিযানৰ মাজতো তেওঁক kidnap কৰি মৰিগাওঁত hostage কৰি ৰখা হৈছিলে। তেওঁলোকৰ এখন নিজৰ দুনিয়া আছে, এই মানুহজনক hostage কৰি লৈ গ'ল। ছোৱালীজনীয়ে বাৰে বাৰে কয় যে

পুলিছে লৈ গৈছে। কেনেকৈ পুলিছে লৈ যাব পাৰে। পিছত আমি গম পালো যে ৰামবাবু সিং বুলি ফাঁচিবজাৰ থানাৰ আৰক্ষী কনিষ্টবলে চাহাবে মাতিছে বুলি মৰিগাওৰ এখন পাহাৰৰ ওপৰলৈকে লৈ গ'ল। সহায় কৰিলে ফৰেষ্ট বিভাগৰ এজন কনিষ্টবলে। আৰু গোটেই অপৰেচনৰ নেতৃত্ব দিলে Kanwaldeep Singh Sidhu বুলি। তেওঁ RPF ৰ Inspector আছিলে, তেখেতৰ এটা বিশেষ গোচৰত চাকৰি গৈছিলে। He was one of the main king pin । case তো kidnap register হ'ল। আমি বিভিন্ন ধৰণৰ কথা বতৰা পাতিলো আৰু এটা সময়ত এই মানুহজনক ডিমাপুৰত এৰেষ্ট কৰিলো। মানুহজন RPF ৰ Inspector আছিলে, আমাৰ সৰু টিম এটা এৰেষ্ট কৰিছিলে। আমাৰ service revolver কাৰি লৈ পেলাই, আমাৰ অফিচাৰ জনক গুলিয়াবলৈ চেষ্টা কৰোতে আমাৰ পুলিছে তেওঁক মাৰিব লগিয়া হ'ল। He is dead now as a result of encounter. হিন্দী চিনেমাত যেনেকুৱা ধৰণৰ হুunderworld আমি দেখা পাওঁ, তেনেকুৱা ধৰণৰ underworld ৰ কাম অসমত চলি আছিলে।

মাননীয় অধ্যক্ষ মহোদয়, এই সময়ছোৱাত কোনোবাই কয় যে অসম পুলিছ trigger happy. যেতিয়া এনেকুৱা মানুহবিলাক এৰেষ্ট হয়, তেওঁলোকে জানে যে this is end of our life. যেতিয়া ১০ কেজি হেৰ'ইনৰ লগত এৰেষ্ট হয়, তেতিয়া conviction is confirm আৰু এওঁলোকে নিজেও অলপ অলপ খায়ো থাকে। গতিকে তেওঁলোকে সৰ্ব চেষ্টা কৰে ওলাই যাও, মাৰো, they became desparate তেওঁলোকৰ হুbehaviour is not like a normal person এই মানুহবিলাকে যেতিয়া হাজাৰ হাজাৰ লৰাক বেয়া কৰিবৰ কাৰণে অলপো শঙ্কাবোধ নকৰে তেওঁলোকৰ মানসিকতা কেনেকুৱা ধৰণ হ'ব আপোনালোকে নিজে অনুভৱ কৰিব পাৰে। মাননীয় অধ্যক্ষ মহোদয়, এই সময়ছোৱাত আমি ১৮৯৭ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছো আৰু পুলিছৰ লগত সংৰ্ঘষ কৰোতে, পলাই যাওঁতে এজন ব্যক্তি পুলিছৰ গুলিত মৰিব লগিয়া হৈছিলে। সাতজন ব্যক্তিয়ে আঘাত পাইছে। ছফিকুল ইছলাম, অৰুন যাদৱ, লোখনৱালা মেইটে, ৰহমতুল্লা খান, ৰমেশ কুমাৰ, আইজুল হক, জয়তুল কবিত এওঁলোকক আমি যেতিয়া তেওঁলোকে পুলিছৰ লগত কাজিয়া পেচাল কৰিছে, পুলিছৰ পৰা হুservice revolver লবলৈ চেষ্টা কৰিছে আমি তেওঁলোকৰ CRPC ৰ মতে ভৰিত গুলিয়াই পেলাই এৰেষ্ট কৰিব লগিয়া হৈছে। **আৰু এওঁলোকে নিজেওঁ অলপ অলপ খাই থাকেস গতিকে তেওঁলোকে নিজেওঁ সৰ্বস্ব চেষ্টা কৰে যে আমি ওলাই যাওঁ, মাৰো** and they become desperate. Drugs Addict **ৰ লগত আপোনালোকে কথা পাতি চালে দেখিব যে তেওঁলোকে যেনেকৈ হাত, ভৰিত ধৰি, কান্দিব** then they don't behave like a normal person **আৰু এই মানুহ বিলাকে হাজাৰ হাজাৰ ল'ৰা বিলাকক বেয়া কৰাৰ কাৰণে অলপো শংকা বোধ নকৰে তেওঁলোকৰ মানসিকতা কেনে ধৰণৰ হ'ব পাৰে আপোনালোকে নিশ্চয় নিজে অনুভৱ কৰিব পাৰিছে। অধ্যক্ষ মহোদয়,. এই সময়চোৱাত আমি ১৮৯৭ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছো আৰু পুলিচৰ লগত সংঘৰ্ষ কৰোতে বা পলাই যাওঁতে এজন ব্যক্তি পুলিচৰ গুলীত মৃত্যু হয়, ৭জন ব্যক্তিয়ে ভৰিত আঘাত পাইছে - ছফিকুল ইছলাম, অৰুণ যাদৱ, লোখনালা মেইটেই, ৰহমতউল্লাহ খান, ৰমেশ কুমাৰ আইজুল হক, জয়তুল কবীৰ। এওঁলোকে যেতিয়া কাজিয়া কৰি পুলিচৰ পৰা** Service Revolver **লব চেষ্টা কৰিছে আমি** CRPC **মতে তেওঁলোকক ভৰিত গুলীয়াই** Arrest **কৰিবলগীয়া হৈছে। অধ্যক্ষ মহোদয়, অহা ১৭ আৰু ১৮ তাৰিখে আমি** Demonstrative Affect **হিচাপে** Seized **কৰা** Drugs**খিনি জ্বলাই দিম, ইয়াৰ দ্বাৰা জনসাধাৰণৰ মাজত যাতে এটা** Message **যায় যে**

অসমত আৰু এনেদৰণৰ কাম নহ'ব।

অধ্যক্ষ মহোদয়, আমি গোলাঘাটত এক কেঃ জিঃ হেৰইন, ৬৯৫ কেঃ জিঃ গাঞ্জা আৰু ২,৬৫,৪৪৪ টা টেবলেট , নগাওঁত ৮ কেঃ জিঃ হেৰইন, হোজাইত ২৩ গ্ৰাম হেৰইন আৰু কাৰ্বি আংঙত ১০ কেঃ জিঃ হেৰইন উদ্ধাৰ কৰিব সক্ষম হৈছো। আমি আগতে কেতিয়াও এনেকুৱা ৰাজহুৱা Burning কৰা নাছিলো। আমি প্ৰথমবাৰৰ বাবে যোৱা দুটা মাহত জব্দ কৰা Narcotic খিনি ৰাজহুৱা Burning কৰাৰ বাবে সিদ্ধান্ত লৈছো except the sample we need to keep for the legal purpose. আমি ১৭ তাৰিখে ডিফু আৰু গোলাঘাটত আৰু ১৮ তাৰিখে নগাওঁ আৰু হোজাইত ৰাজহুৱা Burning কৰিম। মই আমাৰ বিধান সভাৰ সদস্য সকলকো অনুৰোধ জনাইছো তেখেত সকলে যেনেকৈ পাৰে সেইদিনাখন যেন এই কাৰ্যসূচীত উপস্থিত থাকে। তেতিয়া সমাজলৈ এটা বাৰ্তা যাব যে Drugs নিয়ন্ত্ৰন কাৰ্য্যত বিধান সভা একত্ৰিত হৈ অসম পুলিচক সাহস আৰু প্ৰেৰণা দিছে, যাতে কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰি হ'লেওঁ অসমৰ পৰা Drugs অসম পুলিচে নোহোৱা কৰিব পাৰে। আজি আমাৰ সন্মানীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা দেৱে বিধান সভাত Drugs সংক্ৰান্তীয় প্ৰশ্ন উত্থাপন কৰাত ময়ো এই বিষয়ত উত্তৰ দিবলৈ এটা সুবিধা পালো। এটা কথা উল্লেখ কৰিব লাগিব যে আগতে আমি যিখিনি Drugs Seized কৰিছিলো সেইখিনি may be 10% of the total quantity. আজি যিখিনি কৰিছো that might be 20% of the total quantity. ২৭ কেঃ জিঃ যদি আমি Already Seized কৰিছো, তেতিয়া হ'লে সম্ভৱত অসমত Seized নকৰাকৈ আৰু ১৫০/ ২০০ কেঃ জিঃ হেৰইন নিশ্চয়কৈ ঘূৰি আছে। দাম হিচাপে এই হেৰইন খিনিৰ মূল্য বজাৰত প্ৰায় ৪০০ কোটি মান হ'ব।

অসম পুলিচে যদি ১০০ শতাংশ effort দি দুমাহত যি ২৭কেঃ জিঃ নিচাযুক্তসামগ্ৰী জব্দ কৰিলে তাৰ আমি যদি থুলমূল হিচাপ এটা কৰো তেতিয়া হ'লে ১২ মাহত ২০০ কেঃ জিঃ হ'ব আৰু যদি ২ কোটি কৈ ধৰো তেতিয়াহলে কিমান কোটি টকা হ'ব পাৰে! কিমান দেউতাক মাকে মাটি-বাৰী, সোণৰ অলংকাৰ বিক্ৰী কৰিবলগীয়া হৈছে, কাৰণ এই ২০০/ ৪০০ কোটি টকা ওপৰৰ পৰা টো নাহে, আমাৰেই কাৰোবাৰ সন্তানে দেউতাকৰ দৰমহাৰ পইছা কাঢ়ি লৈ গৈছে, মাকৰ সোণৰ অলংকাৰ কাঢ়ি লৈ গৈছে, কাৰোবাৰ মাটি বিক্ৰী কৰিছে আৰু এইদৰে সমাজত মানুহ অপহৰণ কৰা, সোণৰ অলংকাৰ কাঢ়া, গাড়ী চুৰি কৰা আদি অপৰাধবোৰ দিনে-দিনে বাঢ়ি গৈ আছে। এই Drugs Addict ল'ৰা বিলাকক কিছুমান উগ্ৰপন্থী সংগঠন বিলাকে ব্যৱহাৰ কৰি আহিছে যেনে তোক Drugs দিম, তই Fake Currency লৈ যা, Drugs দিম, তই আন ধৰণৰ illegal element লৈ যা। এই গোটেই Crime বিলাকৰ Central Point টোৱেই হল Drugs ব্যৱসায়ী সকল। যেতিয়া ইমান ডাঙৰ ব্যৱস্থা এটাৰ ওপৰত কুঠাৰাঘাট কৰা হয় তেতিয়া Issue টো Divert কৰাৰ কাৰণেও প্ৰচেষ্টা চলিব। অসম পুলিচক নিৰাশ কৰাৰ কাৰণেও প্ৰচেষ্টা চলিব, কোনোবাই ক'ব- এইবিলাক নাটক, কোনোবাই ক'ব- Police Trigger Happy এনে ধৰণৰ বিভিন্ন শব্দৰে Drugs ব্যৱসায়ী সকলক শক্তিশালী কৰাৰ কাৰণে সমাজত প্ৰচেষ্টা এটা চলিব, 400/ 500 Crores is not a easy money, its a big money. অসমত ৪০০ কোটি টকা যদি পায়, probably আপুনি গোটেই সমাজখনকে Control কৰি লব পাৰিব। যিহেতুকে ইয়াত ইমান ডাঙৰ Transaction এটা চলি আছে আমাৰ মানুহে এই কাম বিলাক কৰোতে যথেষ্ট Risk লবলগীয়া হৈছে কাৰণ Drugs ধৰা বুলিটো Defend কৰিব নোৱাৰিব, গতিকে

বেলেগ এটা Point উলিয়াই চৰকাৰখনক দুৰ্বল কৰিব বিচাৰিব, because this is a huge market, অধ্যক্ষ মহোদয়। এনেকুৱা ডাঙৰ ব্যৱসায় আগতে কোনো দিনে অসমত হোৱা নাছিল। যদিওঁ ম্যানমাৰৰ কথা উল্লেখ কৰা হৈছে, আমি চুবুৰীয়া ৰাষ্ট্ৰৰ কাৰো নাম নোলোৱাঁকৈ এটা কথায়ে কব পাৰো যে State is not involved in anywhere. এই গোটেই কামবিলাক কৰি আছে একাংশ উগ্ৰপন্থী সংগঠনে বা On Record আমি ক'ব লাগিব যে এনেকুৱা কোনো ঘটনাৰ লগত আলফা জড়িত হোৱাৰ কোনো তথ্য আমি পোৱা নাই and in fact কেতিয়াবা কেতিয়াবা আলফাৰ পৰা দূৰণিবতীয়া Source হে পাইছো আমি যে কোনোবাই Consignment লৈ গৈ আছে বুলি। উগ্ৰপন্থী সংগঠনে বুলি ক'লে কোনোবাই হয়তো ভাবিব যে আমি আলফাৰ কথা কৈছো বুলি কিন্তু সেইটো absolutely নহয়, At least আমাৰ অসমীয়া মানুহ ইমান তললৈ যোৱা নাই বুলি ভাৱিবই লাগিব, and I must give due credit আমি তেখেত সকলৰো দুই এটা মানুহৰ পৰা Source হে পাইছো। যিহেতুকে ম্যানমাৰৰ কোনো এখন জংঘলৰ পৰা এইটো আৰম্ভ হৈছে, কোনোবা উগ্ৰপন্থী সংগঠনৰ Knowledge ত আছে আৰু তেখেতসকলে কোনো চিনা-জনা পুলিচ অফিচাৰক ফোন কৰি খবৰ দিছে যে "অমুকে বস্তু লৈ আহিছে বুলি"। আন উগ্ৰপন্থী সংগঠন সমূহ হে ইয়াত জড়িত আছে। আমি ম্যানমাৰৰ চৰকাৰৰো সহযোগীতা বিচাৰিছো আৰু আমাৰ গোটেইকেইখন ৰাজ্যই ইয়াৰ বিৰুদ্ধে Co-ordinated action লোৱাৰ বাবে কাম কৰিছো। মই সঘনাই আন ৰাজ্যৰ মুখ্যমন্ত্ৰী সকলৰ সংস্পৰ্শত আছো। সদনে জানি ভাল পাব যে আজি কেইদিন মানৰ আগতে মণিপুৰ চৰকাৰে অসমৰ গড় হত্যাৰ যিজন King Pin আছিল, যিজনে Shooter বিলাকক প্ৰশিক্ষণ দিছিল তেনেকুৱা এজন ব্যক্তিক আমাক গটাই দিছে যিটো One of the big Success of the Assam Police আৰু এইটো সম্ভৱ হৈছে মণিপুৰ চৰকাৰে বা পুলিচে কৰা Co-operation ৰ কাৰণে। আমাৰ সতীৰ্থ মুখ্যমন্ত্ৰী সকল বা পুলিচৰ পৰা we are receiving all types of Co-operation আৰু আমি ভাৱো যে ৰাইজো এইক্ষেত্ৰত আগবাঢ়ি আহিব লাগে যিহেতুকে বহুত মানুহৰ হাতত খবৰ থাকে যে কোনে Drugs ৰ ব্যৱসায় কৰিছে, কোনে Drugs খাইছে আৰু ক'ৰ পৰা আহিছে আদি। মই পবিত্ৰ সদনৰ পৰা ক'ব বিচাৰিছো যে - প্ৰতিটো Source কে আমি Protect কৰিম যাতে বিনা দ্বিধাই তেখেত সকলে আমাক খা-খবৰ বিলাক দিব পাৰে। এইবাৰ আমি অসম পুলিচৰ আৰক্ষী মহা নিৰ্দেশকক কৈছো যে Source ৰ কাৰণে আপুনি যিমান খৰছ কৰিব লাগে কৰক, কিন্তু আমি অসমত Drugs নোহোৱা কৰিব লাগিব আৰু অসমৰ মাজেদি হোৱা Transit যদি আমি বন্ধ কৰিব পাৰো তেতিয়া Drugs Con-trol কৰাত পঞ্জাৱ আদিৰ দৰে ৰাজ্যত অসমৰ এটা ডাঙৰ Contribution থাকিব আৰু আজি মই সদনক এইটো জনাব বিচাৰিছো যে - মই অসম পুলিচৰ আৰক্ষী সঞ্চালক প্ৰধানক কৈছো যে, যি সকলে এই Drugs সংক্ৰান্তীয় গোচৰ ধৰিব বা যি সকল পুলিচে এই ব্যৱস্থাটোৰ লগত জড়িত থাকি ৰাইজক সেৱা কৰিব আপোনালোকে তেওঁলোকক যি ধৰণে পাৰে পুৰস্কৃত কৰি আগুৱাই লৈ যাওঁক, আৰু মই ইমানলৈকে কৈছো যে সাধাৰণতে আমাৰ অসম পুলিচৰ Hierarchy মতে A.S.I. পৰা S.I. হ'বৰ কাৰণে আৰু S.I. পৰা Inspector হ'ব লাগে, মই তেওঁলোকক কৈছো যে, আপোনালোকৰ Service Rule খন Change কৰক, যি সকল ল'ৰাই ভাল কাম কৰিব তেওঁলোকক পোনে পোনে A.S.I. পৰা Inspector লৈকে Promotion দি দিয়ক যাতে তেওঁলোকে ভাল কাম কৰাৰ কাৰণে অনুপ্ৰেৰণা পায়। আজি আমি গৌৰব অনুভৱ কৰো যে, যি ধৰণে মই কলো আমাৰ এজন Police Constable, Drugs ৰ লগত জড়িত হৈ আছিল,

**তেনেকে কাৰ্বি আংলং ৰ বৰসিং বেৰ নিচিনা ভাল ল'ৰাওঁ আমাৰ** Force **তে আছে। এই ভাল ল'ৰাখিনিক যদি আমি একত্ৰিত কৰিব পাৰো আৰু তেওঁলোকে যদি কাম কৰে তেন্তে মই নিশ্চিত যে দুই তিনি বছৰৰ ভিতৰত এই** Drugs Menaces **নোহোৱা কৰিব পাৰিম। অধ্যক্ষ মহোদয়, এটা কথা কৈ মই সামৰণি মাৰিব বিচাৰিছো যে** This is a big amount of money. **আমি যে সদনত আলোচনা কৰো** NREGA **ত কিমান টকাৰ দূৰ্নীতি, পাচ লাখ টকাৰ দূৰ্নীতি, দমকল বহোৱাত কিমান টকাৰ দূৰ্নীতি** This is not what we discussed. This is about thousands of Crores. **এইখন এখন বেলেগ দুনীয়া আৰু এই দুনীয়া খনে নিশ্চয় টকাৰো** Pump **কৰিব, অসম পুলিচক** Demoralise **কৰিববলৈ চেষ্টা কৰিব আৰু বিভিন্ন ধৰণৰ কথাও ক'ব। কিন্তু যি সন্তানে নিজৰ লগতে দেউতাক-মাকৰ জীৱন ধ্বংস কৰিছে তেওঁলোকৰ আশীৰ্বাদ ও এই অসম পুলিচৰ মূৰৰ ওপৰত থাকিব যদি তেওঁলোকে ভাল কাম কৰিব পাৰে। সেইবাবে অধ্যক্ষ মহোদয়, মই সদনৰ সদস্য সকলক অনুৰোধ কৰিম আপোনালোকে অসম পুলিচৰ মানসিকতা শক্তিশালী কৰাত সহায় কৰক আৰু তেওঁলোকক প্ৰেৰণা দিয়ক যাতে** They can re-dedicate themselves in curbing this big menaces **আৰু বাকী যি ধৰণে হৈ থাকিব বা আগ বাঢ়ি থাকিব সেইটো মই সময়ে সময়ে সদনক জনাই থাকিম।**

**অহা ১৭ আৰু ১৮ তাৰিখৰ কাৰ্যসুচীত আপোনালোকৰ যি সকলে অন্ততঃ স্থানীয় বিধায়ক সকল বা জিলাখনৰ বিধায়ক সকল আৰু** Guardian Minister **সকল উপস্থিত থাকিলে ভাল হয় আৰু মই নিজেওঁ চাৰিওটা অনুষ্ঠানতে উপস্থিত থাকিম । মই পুনৰ বাৰ বিধায়ক প্ৰদীপ হাজৰিকা ডাঙৰীয়াক এই বিষয়টো উপস্থাপন কৰি মোক দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।**

**শ্ৰী শ্বেৰমান আলি আহমেদ (বাঘবৰ) ঃ প্ৰথমতে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে দায়িত্বভাৰ হাতত লৈয়ে** Drugs **আদি** Control **কৰাৰ কাৰণে যি তৎপৰতা দেখুৱাইছে তাত আমি অত্যন্ত সুখী অনুভৱ কৰিছো আৰু ধন্যবাদ জ্ঞাপন কৰিছো। দ্বিতীয়তে, যোৱা কিছুদিনৰ পৰা দেখা গৈছে যে তেখেতে** Trigger Happy **শব্দটো উচ্ছাৰণ কৰাৰ কাৰণে কৈছো** Encounter **নাম দি বহুখিনি মানুহক পুলিচে গুলীয়াই মৰিছে, কিন্তু পুলিচৰ** Manual **মতে কোনোবা মানুহক যদি গুলীয়াব লাগে প্ৰথমে** below the navel **গুলীয়াব লাগে। কিন্তু এনেকুৱাকৈ গুলীয়াইছে যে** Spot Dead. **এতিয়া কিছুমানে কৈ আছে যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'ৰবাত কৈছিল যে প্ৰয়োজনত গুলীয়াই দিব, সেইটোৱে তেখেত সকলক উৎসাহিত কৰিলে নেকি! সেইটো বন্ধ কৰিব লাগে।** মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ যে গুলীয়ালে below level ত হে গুলিয়াব লাগে। কিন্তু এনেকুৱাকে গুলীয়াইছে যে spot death. এতিয়া কিছুমানে কৈ থাকে যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'ৰবাত কৈছিল যে প্ৰয়োজনত গুলীয়াই দিব। সেইটোৱে তেখেত সকলক উৎসাহিত কৰিলে নেকি?

**মাননীয় অধ্যক্ষ ঃ-** মুখ্য মন্ত্ৰী মহোদয়,

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী) ঃ-** মাননীয় সদস্য গৰাকীক মই ক'ব খুজিছো এই যে প্ৰশ্ন বিলাক ইয়াত অনা হৈছে, অসম আৰক্ষীক যদি কোনোবা ৰেলৰে ইন্সপেক্টৰে চাৰ্ভিচ ৰিভলভাৰ লৈ গুলীয়াব খোজে। তেওঁ কি চাই থাকিব নেকি? তেওঁটো নিজক বচাব লাগিব। গতিকে এই চৰকাৰৰ নীতি শূণ্য সহনশীনতা। ইয়াতে যি নকওক কিয় This will continue anybody who try to attack Assam Police, they will get befitting reply irrespective of anything. আৰু ইয়াতে শূণ্য সহনশীনতা, ড্ৰাগচ্‌ৰ বিৰুদ্ধে, criminal ৰ

বিৰুদ্ধে এইখন যুঁজ চলি থাকিব আৰু মই যেতিয়ালৈকে এইখন চকীত থাকো I will not compromise.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীশ্বেৰমান আলি আহমেদ (বাঘবৰ)ঃ** যদি পুলিচেই মাৰি দিব পাৰে, তেতিয়া হ'লে আৰু কি কাম থাকিল?

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী, অসম) ঃ-** পুলিচে নামাৰে।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ড্ৰাগছৰ বিৰুদ্ধে বৰ্তমান চৰকাৰে যিখিনি ব্যৱস্থা লৈছে, আমি ধন্যবাদ জনাইছো, আৰু এই কথাখিনি যাতে continue হৈ থাকে তাৰ কাৰণে আমি আহ্বান জনাইছো, যাতে আধাতে সামৰি নাযায়। লগতে এটা কথা ক'ব বিচাৰিছো যে ড্ৰাগছ তিনিটা ভাগৰ। এটা হ'ল কোনোবাই ইয়াৰ চাপ্লাই কৰে, কোনোবাই বিক্ৰী কৰে আৰু আনটো হ'ল যিয়ে সেৱন কৰে। আমি বাকী দুটা নিৰ্মূল কৰিব বিচাৰিছো, কিন্তু যিবিলাকে সেৱন কৰে সেই বিলাক কিন্তু আমাৰ ল'ৰা ছোৱালী। আমাৰ সমাজৰ ল'ৰা ছোৱালী। মুখ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে যাৰ মাক বাপেকে ক'ব নোৱাৰে বাহিৰত তেওঁলোকৰ ল'ৰা ছোৱালীয়ে সেৱন কৰে। সেই সকলৰ কাৰণে চৰকাৰখনে কিবা ব্যৱস্থা লয়, অকুণ্ঠভাৱে আমি সহায় কৰিম। আমি নিজেই এই সকলৰ ক্ষেত্ৰত Rehabilitation Center কৰক । মই আমাৰ অভিভাৱক মন্ত্ৰীৰ এখন মিটিংত কৈছিলো, যদি নগাঁৰত কৰে MLA Fund ৰে সৈতে আমি এটা দেখাও য়ে All party য়ে আনি এই ক্ষেত্ৰত সহায় কৰিম। এই ক্ষেত্ৰত আমি কৈছো যে তেতিয়াহে আমাৰ সমাজখন হ'ব। এই যে আমাৰ সমাজখনত বহু মানুহ আছে, সমভ্ৰান্ত পৰিয়ালৰ লোক আছে, তেওঁলোকৰ পৰিয়ালৰ ল'ৰা ছোৱালীও জড়িত হৈ আছে। কিন্তু বাহিৰত নকয়। এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়, অতি গুৰুত্বসহকাৰে ল'ব লাগে। কিন্তু এটা কথা চাব লাগে এই যে গুলীওৱাৰ কথাটো কৈছে, আমি গুলীওৱাত আপত্তি কৰা নাই, কিন্তু এনেকুৱা এটা ভাৱধাৰা চৰকাৰে কৈ দিব লাগে যে সঁচাকৈ এইটো এনেধৰণেৰে হৈছে। সাধাৰণ এটা ভাৱধাৰা হৈছে, এনকাউন্টাৰটো বেছি হৈছে। গতিকে যদি কোনোবাই আত্মৰক্ষাৰ বাবে কৰে আমাৰ কোনো ক'বলগীয়া নাই। কিন্তু যদি আত্মৰক্ষাৰ বাবে নহৈ কোনোবাই নিজেই প্ৰচাৰৰ কাৰণে কৰে, সেই কথাটো চাব লাগিব। বহু ক্ষেত্ৰত কোৱা গৈছে, আমি আৰক্ষীৰ মনোবল বৃদ্ধি কৰিবৰ কাৰণে চেষ্টা কৰিম। কিন্তু এই ক্ষেত্ৰত কিবা কাৰণত যদি অনিয়মৰ আশ্ৰয় লয়, অনিয়মটো হ'ব পাৰে। তাৰ কাৰণে proper enquiry কৰি ব্যৱস্থা ল'ব লাগিব। Rehabilitation ৰ যিটো কথা কৈছো অধ্যক্ষ মহোদয়, আমি ড্ৰাগছ ইয়াত নাইকিয়া কৰি দিম, খোৱা লোক সকল কিন্তু আমাৰ নিজৰ ল'ৰা ছোৱালী। সেই ল'ৰা-ছোৱালী বিলাকক যদি ক'ৰবাত কিবা কৰি এটা পথ দেখুৱাব পাৰো, তেতিয়া মই ভাবো গোটেই ভাৰতবৰ্ষ পৃথিবীৰ অন্যতম নজিৰ হ'ব।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মাননীয় মুখ্যমন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, ৰেকৰ্ডত যাতে নাযায় তাৰ বাবে কৈছো, যদি কোনোবাই অপৰাধী সকলৰ এটা Training Camp পাতিব পাৰে, যে আপোনালোকে পুলিচৰ ৰিভলভাৰ নল'ব, পুলিচৰ ধৰাত পৰিলে নপলাব, তেতিয়া এনকাউন্টাৰ নহয়। এতিয়া problem টো হ'ল অপৰাধীবিলাকৰ workshop নহয়। এতিয়া তেওঁলোকে আহে নিজৰ মতে। পলাবৰ কাৰণে ৰিভলভাৰটো কাঢ়ি লয়, গুলিয়াব খোজে। কোনোবা এনেকুৱা আছে, নলবাৰীত কেইদিনমান আগতে এজন ব্যক্তি গুলী খাই মৰিছে। তেওঁ on record, police ক পিটি ওলাই যোৱা ৰেকৰ্ড আছে যোৱা বছৰত। বৰক্ষেত্ৰী সমষ্টিৰ দিগন্ত বৰ্মন ডাঙৰীয়াই জানে, তেখেতে সদনত কওঁক। পুলিচক পিটি মাৰি ওলাই গৈছে। আগত কথাটো আছিল যে পিটিলে, মাৰিলেও বিধান সভাত criticism হ'ব, গতিকে পুলিচে action ল'ব নোৱাৰে। পুলিচেই মৰিব।

সেইটো টো মই মোৰ force ক এৰি দিব নোৱাৰো। সেইটো ন'হব। গতিকে crime যেতিয়া বেছি হৈছে, তেতিয়া পুলিচৰ Action ও বেছি হৈছে, এনকাউন্টাৰ বেছি হোৱা নাই, এৰেষ্ট বেছি হৈছে। ১৮০০ ল'ৰা-ছোৱালী এৰেষ্ট হৈছে আমি আইনত লৈ যাম। কিন্তু যিকেইজন গ্ৰেডেট ক্ৰিমিনেল, তেওঁলোকে জানে যে আমি এৰেষ্ট হলেই ফাঁচি লম। তেওঁলোকেটো আমাৰ মতে নচলে। গতিকে কোনোবাই যদি অসৎ, ক্ৰিমিনেল বিলাকৰ workshop এখন লৈ বুজাব পাৰে যে step 1, step 2 আজি যিজন ৰুবু বুলি শিৱসাগৰৰ ল'ৰা গুলীখাই মৰিছে, যেতিয়া মই কংগ্ৰেছত আছিলো, কংগ্ৰেছ দলৰ আমগুৰিৰ এজন জ্যেষ্ঠ নেতাক গুলীয়াই হত্যা কৰি বেইল লৈ ওলাই গৈ আকৌ শিক্ষক এজনক হত্যা কৰিছে। এজন ব্যৱসায়ীক হত্যা কৰিছে। এজন আমাৰ কংগ্ৰেছ দলৰ নেতাক হত্যা কৰিছে। শিৱসাগৰত সকলোৱে জানে যে ইয়াক ধৰিলে, ই মৰিব। It is either or, হয় আপুনি জীয়াই থাকক, ন'হলে মই জীয়াই থাকিম। মইটো বৰ্দীৰ মানুহজনক নিৰ্দেশ দিব নোৱাৰো যে বিধান সভাত মোক criticise কৰিব, গতিকে আপোনালোকে মাৰ খাই থাকিব। মোৰ clear instruction law ত যি লিখা আছে, আইনত যি কৰিবলগীয়া আছে, do not break law, but within the law, you take extreme action and Assam Government is going to protect you, Assam Government is going to defend you আৰু কোনো ধৰণৰ সমালোচনাক মই বিষ যেনেকৈ ভগৱানে পান কৰে, মই ঠিক তেনেকৈ পান কৰিম।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ-** যেনেকৈ চৰকাৰে ক'ব, অপৰাধীসকলৰ যদি তেনেকুৱাকৈ Training camp কৰিব পাৰে তাকো কৰক। আমিও বিচাৰিছো। আইনৰ গণ্ডিত থাকি তেনেকুৱা ব্যৱস্থা লওঁক। আইনৰ গণ্ডিৰ বাহিৰত থাকি তেনেকুৱা ব্যৱস্থা নলওঁক সেইটো কথাও কৈছো।

**মাননীয় অধ্যক্ষ ঃ-** কমলাক্ষ দে পুৰকায়স্থ।

(মাননীয় উপাধ্যক্ষ মহোদয় মাননীয় অধ্যক্ষ মহোদয়ৰ আসনত বহে)

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দৈনিক যুগশঙ্খ" পত্রিকায় ২ জুলাইয়ে প্রকাশিত "বাজেটে করিমগঞ্জে মেডিকেল কলেজ চাই ।" অর্থমন্ত্রীকে পরামর্শ একাধিক ব্যক্তি সংগঠনের। অধ্যক্ষ মহোদয়, সবসময় অন্যের কল্যাণের জন্য কাজ করার চেষ্টা করা উচিত তখন স্বয়ং ঈশ্বর তোমার মঙ্গল করবেন। অর্থাৎ যে রাজনীতিতে জনগণের উপকার হয় না সেই রাজনীতিতে আমরা বিশ্বাস করি না। উপাধ্যক্ষ মহোদয়, ২০১২ সালে প্রয়াত তরুণ গগৈ মহাশয় যখন মুখ্যমন্ত্রী ছিলেন তখন আমাদের বর্তমান মুখ্যমন্ত্রী স্বাস্থ্যমন্ত্রী ছিলেন। তিনি করিমগঞ্জে গিয়েছিলেন এবং সেখানে গিয়ে একটা পরিকল্পনা নিয়েছিলেন যে করিমগঞ্জে একটা মেডিকেল কলেজ স্থাপন করার হবে। ২০১৮ সাল পর্যন্ত ৬ টি মেডিকেল কলেজ ছিল এবং ২০১১ তে যখন কংগ্রেস পরিচালিত সরকার ছিল তখন আরও ৪ টি মেডিকেল কলেজ হয়। অর্থাৎ ২০১৮ সালে আরও চারটি মেডিকেল কলেজ অসমে উদ্বোধন করা হয়। এবং তারপর আরও চারটি মেডিকেল কলেজ করার কথা বাজেটে ঘোষণা করা হয়। উপাধ্যক্ষ মহোদয় দুঃখের সঙ্গে বলতে হচ্ছে যে, সব গুলো মেডিকেল কলেজের কাজ শেষ, এবং বাজেটে ঘোষণা করা এই চারটি মেডিকেল কলেজের কাজও চলছে। কিন্তু করিমগঞ্জ মেডিকেল কলেজের কোনো পাত্তা নেই। উপাধ্যক্ষ মহোদয় সবচেয়ে বড় ব্যাপার হচ্ছে গিয়ে ২০১৮-১৯, ২০১৯-২০ এবং ২০২০-২১ এই তিনটি বছরে প্রত্যেক বাজেটে বলা হয়েছিল A new medical college will be established in Karimganj. প্রত্যেক বাজেটে এই কথাটি উল্লেখ করা হয়েছিল। কিন্তু করিমগঞ্জে

সেই মেডিকেল কলেজ টা করা সম্ভব হচ্ছে না। তার জন্য অনেক মানুষের মৃত্যু হচ্ছে। আমাদের করিমগঞ্জে কোনো আই.সি.ইউ নেই, কোনো ইনফ্রাস্ট্রাকচার নেই। প্রত্যেক দিন আমরা শুনতে পাই কারো মা, কারো বা বাবা কোনো অসহায় মানুষ সিভিল হাসপাতালে যায় আর সেখানে গিয়ে মৃত্যুবরণ করতে হয়। উপাধ্যক্ষ মহোদয় এই কথাগুলো আমি বলছি না , কথাগুলো Additional Secretary to the Government of Assam Health & Family Welfare থেকে যে তথ্য পেয়েছি যে no fund has been sanction till now. ২০১৮-১৯ বাজেটে উল্লেখ করা হয়েছে এখানে বলা হয়েছে Land is yet to be selected due to difference opinion of various group. অর্থাৎ উপাধ্যক্ষ মহোদয়, এই Land selection করা সম্ভব হচ্ছে না। যে কোন জায়গায় মেডিকেল কলেজটা হবে। কোন জায়গায় করলে ভিজিবিলিটি হবে। সেই প্রশ্ন আজ প্রায় ৩ টা বাজেটে উল্লেখ করা হল কিন্তু করিমগঞ্জে মেডিকেল কলেজ হলো না। আমাদের বর্তমান মুখ্যমন্ত্রী করিমগঞ্জে গিয়ে বলেছিলেন, যে করিমগঞ্জে মেডিকেল কলেজ চাই কিন্তু দুই বিধায়কের মনোমালিন্যের জন্য হয়তো সেই মেডিকেল কলেজটা করা সম্ভব হচ্ছে না। সবচেয়ে বড় বিষয় হচ্ছে যে মেডিকেল কলেজ করিমগঞ্জের জনগণের জন্য কোন ব্যক্তিগত মানুষের কথায় মেডিকেল কলেজ হবে না। অর্থাৎ করিমগঞ্জের জনগণের মতামত নিয়ে সেই মেডিকেল কলেজ করা হোক। বিশেষ করে Our Chief Minister is verymuch serious আমি সেটা দেখেছি। আমরা চাই নেশন্যাল হাইওয়ের পাশেই কোন একটা জায়গায় এই মেডিকেল কলেজটা হোক। এই মেডিকেল কলেজটা করিমগঞ্জ শহরের পাশে এমন একটা জায়গায় করতে হবে যাতে করিমগঞ্জবাসী উপকৃত হয়। নেশন্যাল মেডিকেল কমিশনের গাইড লাইন মতে একটা মেডিকেল কলেজ করতে হলে সেই গাইডলাইন মানতে হবে। যেখানে মেডিকেল কলেজ করবেন তার আশে পাশে তিনশো বেডের হাসপাতাল থাকতে হবে । কিন্তু নর্থ-ইষ্টের জন্য কিছুটা relaxation আছে। সেই জায়গা গুলোতে আমরা দেখতে পাই North-East is hills area, the bed strength required at the time of inspection may be 250 bed অর্থাৎ ২৫০ টা বেড নর্থ-ইষ্টের জন্য। মেডিকেল কলেজ যেখানে হবে তার আশে পাশে ২৫০ টা বেডের একটা হাসপাতাল থাকতে হবে, এবং ২ বছর পুরনো সেই হাসপাতাল হতে হবে। আমাদের করিমগঞ্জের সিভিল হাসপাতাল প্রায় ৫০ বছর পুরনো। বর্তমানের স্বাস্থ্য মন্ত্রী সেখানে গিয়েছিলেন, এবং ইতিমধ্যে সেই হাসাপাতালের আই সিউর কাজটা শেষ হবে। আমি মনে করি এন এম সির গাইডলাইন মতে সেই কাজটা করা হোক। একাধিক সংগঠনের ৯৯ শতাংশ এইবার দাবি জানিয়েছে যে করিমগঞ্জ জেলায় একটা মেডিকেল কলেজ করা হোক। আমার কিছু suggestion আছে মুখ্যমন্ত্রী মহোদয়ের কাছে বর্তমান যে সিভিল হাসপাতাল আছে সেখানে ৩৫০ টা বেড, নার্সিং হোস্টেল, ডাক্তারদের হোস্টেল, এ এন এম ও জি এন এমের বিল্ডিং আছে সেইজন্য আমাদের করিমগঞ্জের জনগণের দাবি যেহেতু বাজেটে উল্লেখ করা হয়েছিল সেইজন্য করিমগঞ্জ মেডিকেল কলেজ টা করিমগঞ্জ সিভিল হাসপাতালেই ইতিমধ্যে চালু করা হোক। আমার দ্বিতীয় প্রস্তাব হচ্ছে মাননীয় স্বাস্থ্য মন্ত্রীর কাছে যে অসম সরকারের তরফ থেকে অফিসারের টিম একটা পাঠানো হোক সেই ভিজিবিলিটি দেখার জন্য। করিমগঞ্জবাসীর সঙ্গে যোগাযোগ করুন, সেই ইনস্টেন্স গুলো এখনো আছে । ২০১১ সালে যখন করিমগঞ্জে ইঞ্জিনিয়ারিং কলেজ স্থাপন হয়েছিল তখন উপাধ্যক্ষ মহোদয় সেটা বাজেটে উল্লেখ করা হয়েছিল হাইলাকান্দি জেলার জন্য কিন্তু পরে সেটা করিমগঞ্জ জেলাতে করা হয়। কারণ তখনও একটা expert টিম

পাঠানো হয়েছিল। সেই expert টিম গিয়ে জায়গা নির্ধারিত করেছিল যে এই জায়গায় হলে করিমগঞ্জ ও হাইলাকান্দির জনগণ উপকৃত হবে। আমরা চাই এন এইচের আশে পাশে হোক । আমার তৃতীয় suggestion বিশেষ করে করিমগঞ্জের জনগণের মতামত নিয়ে এন এইচের সামনে হাইদর বিল নামে একটা জায়গা আছে সেখানে করা যেতে পারে। করিমগঞ্জবাসীর মতামত নিয়ে মেডিকেল কলেজ টা এমন একটা জায়গায় করতে হবে কারণ তিন বছর পর আমরা আবার একটা মেডিকেল কলেজ করতে পারবো না । অন্তত ১০০ বছরের পরিকল্পনা হতে হবে। এই মেডিকেল কলেজ দিয়ে যাতে ত্রিপুরার মানুষ উপকৃত হয়, করিমগঞ্জের মানুষ উপকৃত হয়, বাইরের মানুষ উপকৃত হয় সেই দিকে লক্ষ্য রাখতে হবে। সেই ভাবে ভিজিবিলিটি দেখা হোক। আমাদের যে শিলচর মেডিকেল কলেজ আছে করিমগঞ্জ থেকে তার দূরত্ব ৬০ - ৬৫ কিলোমিটার। সেটা আমাদের মন্ত্রীমহোদয় ভালো করে জানেন। কোন রোগীকে যদি শিলচর মেডিকেল কলেজে পাঠাতে হয় তখন রাস্তায় অনেক রোগী মারা যান। আমারা দেখতে পাই যে শিলচর মেডিকেল কলেজে কার্ডিওলোজি, নিউরোলোজি বিভাগ নেই। শিলচর মেডিকেল কলেজ নামমাত্র আছে, কিন্তু অনেক বিভাগ সেখানে নেই। আমাদের ডিব্রুগড় মেডিকেল কলেজেরও একই অবস্থা। অনেক মেডিকেল কলেজে বহু বিভাগ না থাকায় আবার সেই রোগীকে গুয়াহাটী মেডিকেল কলেজে পাঠানো হয়। উপাধ্যক্ষ মহোদয়, আমি একটা তথ্য আপনার সামনে তুলে ধরতে চাই। গুয়াহাটী মেডিকেল কলেজ তিন কিলোমিটারের মধ্যে। ডিব্রুগড় মেডিকেল কলেজ ৫.৩ কিলোমিটার, যোরহাট ৩.৩ কিমি, ফকৰুদ্দিন আলী আহমেদ ২.৭ কিমি, ধুবরী ৪ কিমি, নগাঁও ২.৫ কিমি., ডিফু ১ কিমি, নলবারী ১২.৩ কিমি. , কোকরাঝাড় ৮.৫ কিমি, তিনসুকীয়া ১৮ কিমি, তেজপুর মেডিকেল কলেজ যেহেতু ইউনির্ভাসিটি সেহেতু ২২ কিমি, অর্থাৎ বিগত দিনে যেগুলো মেডিকেল কলেজ করা হয়েছিল সেগুলো অসম সরকারের পক্ষ থেকে জায়গাগুলো চয়ন করা হয়েছিল সেই জায়গা গুলো শহরের সন্নিকটে। আমি দেখেছি যে ভারতের প্রত্যেকটা মেডিকেল কলেজ শহরের নিকটবর্তী স্থানে স্থাপন করা হয়েছে। তার উদ্দেশ্য হল যে, সেই মেডিকেল কলেজ থেকে যেন সাধারণ মানুষ উপকৃত হয়। মন্ত্রীমহোদয়ের কাছে আমার বিনম্র অনুরোধ যে আপনারা . expert team পাঠিয়ে জায়গা চয়ণ করুণ এবং সেই মেডিকেল কলেজ থেকে যেন জনসাধারণ উপকৃত হয়। নমস্কার।

**শ্রী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্রী) ঃ** কৰিমগঞ্জ জিলাৰ আমাৰ পাঁচজন বিধায়ক আছে। শ্রী বিজয় মালাকাৰ, সন্মানীয় বিধায়ক কৃষ্ণেন্দু পাল, শ্রী চিদ্দিক আহমেদ, শ্রী আব্দুল আজিজ আছে। গতিকে এইখন জিলাৰ বিধায়ক আৰু কৰিমগঞ্জৰ যিখন হেড কোৱাৰ্টাৰ, জিলাৰ বিধায়ক হৈছে কৰিমগঞ্জ নৰ্থ শ্রী কমলাক্ষ দে পুৰকায়স্থ। এতিয়া এই বিষয়টো আলোচনা কৰি থাকোতে সকলো অকনমান ইয়াত বিষয়টোত জৰিত বুলি আমি সদনত বহি থাকিয়ে অনুভৱ কৰিব পাৰিছো। আপোনাকো আমি অনুভৱ কৰিব পাৰিছো। চিদ্দিক চাহাবকো অনুভৱ কৰিব পাৰিছো। এতিয়া ইয়াত মাননীয় উপাধ্যক্ষ মহোদয়, আমি গোটেই কথাটোত এটা সৰ্ব্বসন্মত সিদ্ধান্ত লোৱাতো আমাৰ কাৰণে অসুবিধা হৈছে। যিটো সিদ্ধান্ত হয়তো আজি মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই সেই সময়ত আপোনালোকে একমত নোহোৱাৰ কাৰণে দিবলৈ অসুবিধা পালে। এই সিদ্ধান্ত ইয়াৰ পৰা আপোনালোকে expert team পঠিয়াবলৈ ক'লে কোনটো জাগা বেছি ভাল। সেইটোত expert team পঠোৱাত মোৰ কোনো অসুবিধা নাই। মই আজি কেইদিনমান আগতে মৰিগাওঁৰ কাৰণে expert team পঠয়াইছো, ধেমাজীৰ কাৰণে expert team পঠাইছো। দুই-তিনিটা ঠাই তেওঁলোকে প্রতিবেদন দিছে।

কিন্তু কৰিমগঞ্জৰ ক্ষেত্ৰত যিটো প্ৰকৃততে ex-expart য়ে ক'ব সেইটো চলিব নে আপোনালোকৰ মতামত চলিব, এইবিলাকো কথা আছে। গতিকে সিদ্ধান্তটো অলপ আপোনালোকৰ লেভেলতো লোৱাৰ প্ৰয়োজন হ'ব। সেইকাৰণে এই ক্ষেত্ৰত মই বহুত বহলকে ইয়াত কোনো কথা কৈ থাকি বেছি লাভ নাই। এই বিষয়টো এটা সৰ্ব্বসন্মত সিদ্ধানৰ কাৰণে অপেক্ষা কৰি আছে। গতিকে সৰ্ব্বসন্মনি সিদ্ধান্তটো মই আজি ক'ব পাৰো ইয়াত সেইখন জিলাৰ আমাৰ গাৰ্ডেন মিনিষ্টাৰ আছে শুক্লবৈদ্য ডাঙৰীয়া, বিধায়ক আছে। আপোনালোকে যদি আজিয়েই বিধান স ভাৰ পাছত কথাপাতি এটা স্থান আৰু তাত যদি মাটি আছে বুলি আমাক ঠিক কৰি দিয়ে আমাৰ তৰফৰ পৰা তৎক্ষণাত তাত আমি কাম আৰম্ভ কৰিবলৈ লাগি যাম। কাৰণ এইটো আগতে announcement আছে কোনো অসুবিধা নাই। গতিকে এই কথাটো আপোনালোকে সিদ্ধান্ত ল'ব লাগিব প্ৰথমে। নহ'লে আপোনালোকে যদি সিদ্ধান্ত লব'লৈ নোৱাৰে তেতিয়াহ'লে আমি expart team দি সিদ্ধান্ত লৈ দিম যি আছে সেইটোৱে হ'ব। য'ত হ'লে ভাল ভুলি ভাবো, য'ত হ'লে ৰাইজৰ ভাল, সকলোৰে ভাল, মাটিও তাত আছে সকলো ধৰণৰ. গতিকে মই প্ৰথম সুযোগটো দিবলৈ বিচাৰিছো আপোনালোকক য'ত গাৰ্ডেন মিনিষ্টাৰে তাত আপোনালোকৰ লগত থাকিব সেইখন জিলাৰ আৰু আপোনালোকে এই বিষয়টোত এটা সকলোৰে সৰ্ব্বসন্মত আৰু গ্ৰহণযোগ্য দুয়োটাই চাব লাগিব। গতিকে এইটো এটা সিদ্ধান্ত দিয়ক আৰু দিয়াৰ লগে লগে দেখিব ইয়াৰ প্ৰাৰম্ভিক কাম অতি সোনকালে আৰম্ভ হৈ যাব। এইটো মই সদনত আজি কথা দিছো। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা কথা আছিল। আমাৰ ৰাজ্যৰ highest forum এইটো। সেইটোৰ কাৰণে আমাৰ যিখিনি সমস্যা আছে, আমি বিধান সভাত এইখিনি উত্থাপন কৰো আৰু মন্ত্ৰী মহোদয়ে এইখিনি আলোচনা কৰি আমাক এটা উত্তৰ দিয়ে। সেইটোৰ কাৰণে আমি বিগত প্ৰায় তিনিবছৰ ধৰি এইটো কৰিব পৰা নাই। কৰিব পৰা নাই মানে আমি একমত হ'ব পৰা নাই, ৰাইজ একপিনে, কোনোবা একপিনে, মই একপিনে, চিদ্দিক আহমেদ চাহাব একপিনে opinion টো বেলেগ বেলেগ হৈ গ'ল। এইটো কাৰণে আমি বিচাৰিছো যে আকৌ যদি এনেকুৱা হয় opinion টো বেলেগে থাকিব। সেইটোৰ কাৰণে expert team পঠওক। Physibility হ'ব। এতিয়া যদি কয় যে য'ত দিব লগা আছে, আমি যিমান সহায় কৰিব লাগে কৰিম কিন্তু Physibility য'ত আছে, য'ত দিলে মানুহৰ উপকাৰ হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ে clearly কৈছে আপোনাক যে আপোনালোকে যদি concensus ত আহিব নোৱাৰে, বিধায়ক সকলো যদি নহয় তেতিয়াহ'লে মন্ত্ৰী মহোদয়ে নিজে Fix কৰিব সেই জাগাতে বনাব।

**শ্ৰীকৃষ্ণেন্দু পাল (পাথাৰকান্দি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিটো কথা কৈছে আজি বিধায়ক কমলাক্ষ দে পুৰকায়স্থই যি কথাটো উত্থাপন কৰিলে সেইটো এটা ভাল প্ৰস্তাৱ। কিন্তু এইটো গাৰ্ডেন মিনিষ্টাৰ আছে, বাকী সকলো বিধায়ক আমাৰ সাংসদ কৃপানাথ মাল্লা আছে। আমি সকলোৰে আছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোকে এটা কাম কৰিব। মন্ত্ৰী মহোদয়ৰ লগত গোটেই কেইজন বিধায়ক বহি লৈ আলোচনা কৰিব। এটা প্ৰশ্ন আনিছে কমলাক্ষ দে পুৰকায়স্থ দেৱে।

**(সদনত গণ্ডগোল)** বহক। Please sit down. এতিয়া মই মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াক ইংৰাজী ১৩-০৭-২০২১ তাৰিখ দৈনিক জনমভূমি বাতৰি কাকতত প্ৰকাশিত "Leaving of Assam by Tea Companies" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ

জনালো।

**শ্ৰীমৃণাল শইকীয়া (খুমটাই)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি অৰ্থাৎ ১৩ জুলাই তাৰিখৰ দৈনিক জনমভূমি বাতৰি কাকতত এটা অতি গুতৰত্বপূৰ্ণ বাতৰি প্ৰকাশ পাইছে। বাতৰিটোৰ শিৰোণামা এনেকুৱা ধৰণৰ । বৃহৎ লোকচানৰ সন্মুখীন হ'ব ক্ষুদ্ৰ চাহ খেতিয়ক। প্ৰতিষ্ঠিত চাহ কোম্পানীয়ে এৰিছে অসম। মাননীয় উপাধ্যক্ষ মহোদয়, অসমখন চাহৰ কাৰণে বিখ্যাত আৰু অসমৰ অৰ্থনীতি আমাৰ চাহ বাগান সমূহৰ অবিহনে কেতিয়াও থিয় হৈ থাকিব নোৱাৰে। বিশেষকৈ উজনি অসমত এই চাহ বাগানে, এই চাহ গছজোপা বহুতৰ কাৰণে জীৱিকাৰ পথ মুকলি কৰিছে। আজি যেতিয়াৰ পৰা ক্ষুদ্ৰ চাহ খেতিয়কৰ এটা বিপ্লৱ আৰম্ভ হ'ল এতিয়া অসমত দুটা চাহৰ শ্ৰেণী সৃষ্টি হ'ল। এটা হ'ল ক্ষুদ্ৰ চাহ খেতিয়ক সকল আৰু এটা হ'ল বৃহৎ চাহ কোম্পানী বিলাক আৰু এই ক্ষুদ্ৰ চাহ খেতিয়ক সকল এই বৃহৎ চাহ কোম্পানী বিলাকৰ ওপৰত dependent এইকাৰণে হ'ব লগা হৈ আছে যে বৃহৎ চাহ কোম্পানী বিলাকৰ যিবিলাক চাহ factory আছে তাত সেই ক্ষুদ্ৰ চাহ খেতিয়ক সকলে তেওঁলোকৰ যিটো প্ৰডাকশ্যন green leaf ৰ সেউজীয়া পাটৰ সেইটো তেওঁলোকৰ তাত বেছিব লগা হয়। বৃহৎ চাহ কোম্পানী বিলাকৰ সুস্থতা তেখেতসকলৰ ব্যৱসায় সুস্থতাটো অতি কৈ প্ৰয়োজন কিয়নো তেওঁলোক যদি নাথাকে, তেওঁলোকৰ চাহবাগান বিলাক যদি sick হয় healthy হৈ নাথাকে ব্যৱসায়িক ভাৱে তেতিয়া সেই তাত যিসকল লাখ লাখ শ্ৰমিক আছে, আমাৰ অসমৰ লাখ লাখ শ্ৰমিকে এই বৃহৎ কোম্পানী বিলাকত কাম কৰে সেই লাখ লাখ চাহ শ্ৰমিকৰ ক্ষতি হ'ব আৰু লগতে যি সকল ক্ষুদ্ৰ চাহ খেতিয়ক আছে সেই ক্ষুদ্ৰ চাহ খেতিয়ক সকলে কেচাঁপাত তাত বেচিব নোৱাৰি তেওঁলোকৰ বহুত ক্ষতি হ'ল। আজি এই কোম্পানী বিলাকে এই কাৰণে অসম এৰিছে কোনো কোম্পানীয়ে সাধাৰণতে চাহবাগান আগতে কিনিবলৈ বিচাৰি থাকে। কিন্তু এইকাৰণে তেওঁলোকে বেচিবলৈ বাধ্য হৈছে ইয়াত প্ৰকাশিত মতে যে তেওঁলোকৰ আয় আৰু ব্যয় সেই দুটাৰ বেলেঞ্চটো নোহোৱা হৈছে। যিমান ব্যয় হৈছে তেওঁলোকে হয়তো সিমান আয় কৰিব পৰা নাই বা আয়ৰ পৰিমাণটো কমি আছে। সেইটো তেওঁলোকৰ প্ৰডাকশ্যনৰ কমৰ কাৰণে হওঁক, ক'ভিডৰ কাৰণে হওঁক, কিবা কাৰণে হওঁক। তাত Williamson Magor, টাটাৰ দৰে কোম্পানীয়ে বহু বাগান বিক্ৰী কৰিছে আৰু কিছুমান বাগান তেওঁলোকে বিক্ৰী কৰিবলৈ সাজু হৈ আছে। এইবিলাকৰ কাৰণে এই চাহ শ্ৰমিকসকল ক্ষতি হোৱাৰ লগতে যদি এনেকুৱা ধৰণে গৈ থাকে সেই চাহবাগান বিলাক যদি আমি সুস্থতাটো ঘুৰাই আনিব পৰা নাযায় তেন্তে সেই বাগানবিলাক যদি কোনোকালে lock down হ'বলগীয়া পৰিস্থিতি হয় তেতিয়া কিন্তু লাখ লাখ চাহ শ্ৰমিক কামৰ পৰা বঞ্চিত হ'ব তাত এটা অভাৱনীয় পৰিস্থিতি অসমত সৃষ্টি হ'ব আৰু লগতে এই ক্ষুদ্ৰ চাহ খেতিয়কৰ যোগেদি যি এটা বিপ্লৱ অসমত আৰম্ভ হৈছে স্বনিয়োজনৰ সেই বিপ্লৱো সাম কাটিব কিয়নো তাত ক্ষুদ্ৰ চাহ খেতিয়ক সকলে চাহ উৎপাদন কৰে কিন্তু তেওঁলোকৰ factory নাই। সেই কাৰণে সেই বৃহৎ কোম্পানী বিলাকৰ চাহ factory তেওঁলাকে পাত বিলাক দিব লগা হয়। আৰু কোনো কোনো ক্ষেত্ৰত এই বৃহৎ চাহ কোম্পানী বিলাকে তেওঁলোকৰ মন মজিৰ মতে কিন্তু এই কেচাঁ পাতৰ দামটোম টো নিৰূপণ কৰে। য'ত আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকল অ ভাৱনীয় লোকচানৰ সন্মুখীন হ'বলগীয়া হয় যে অসমত যিমান চাহ উৎপাদিত হয় তাৰ ৫০ শতাংশৰ হয়তো ওপৰতে আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ অৱদান আছে। অসমত যিমান চাহ উৎপাদিত হয় তাৰ প্ৰচাৰ ৫০ শতাতংশতকৈ বেছি চাহ আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলে উৎপাদন কৰে উৎপাদন কৰি কেচাঁ পাতখিনি আমাৰ এই বৃহৎ চাহ কোম্পানী বিলাকত বিক্ৰী

কৰে। প্ৰথম কথা হ'ল আমি ক্ষুদ্ৰ চাহ খেতিয়কসকলক যদি স্বাৱলম্বী কৰিব বিচাৰো, তেন্তে Mini Tea Factory খোলাত চৰকাৰে সাহাৰ্য্য দিয়াৰ লগতে ফেক্টৰী খোলাত Rate tag ৰ যি বাধা আছিল সেইয়া আঁতৰাই সম্পূৰ্ণ অধিকাৰ দিব লাগিব যে, যি সকলে Tea factory খুলিব বিচাৰে তেওঁলোকে Assam Tea Boardৰ অনুমতি নোলোৱাকৈ খোলাৰ ব্যৱস্থা কৰিব পাৰে, তেতিয়া এই ক্ষুদ্ৰ চাহ খেতিয়কসকল স্বাৱলম্বী হ'ব। তেওঁলোকে কেঁচাপাত তৈয়াৰ কৰি বৃহৎ কোম্পানী-ফেক্টৰীৰ মুখলৈ চাই থাকিব নালাগিব। অসমত ডেৰ লাখ ক্ষুদ্ৰ চাহ খেতিয়ক আছে আৰু এটা পৰিয়ালৰে ৫-৬ জন লোক এই ক্ষুদ্ৰ খেতিয়কসকলৰ ওপৰত নিৰ্ভৰশীল হৈ আছে। সেয়েহে, মোৰ চৰকাৰলৈ অনুৰোধ যে এই ক্ষুদ্ৰ চাহ খেতিয়কসকলে চাহ ফেক্টৰী খোলাৰ বাবে যি নীতি-নিয়ম আছে, সেইয়া শিথিল কৰিব লাগে আৰু যিবোৰ প্ৰতিষ্ঠিত চাহ-কোম্পানী আছে, তেওঁলোকে কিয় অসম এৰিব বিচাৰিছে বা অন্যান্য কি অভাৱ-অভিযোগ আছে সেই বিষয়েও আলোচনা কৰিব লাগে। এই কোম্পানীবোৰেও সুস্থ সবল ভাৱে যাতে অসমত থাকিব পাৰে তাৰ বাবেও চৰকাৰে চকু দিব লাগে। সেয়েহে, আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰত্যক্ষ হস্তক্ষেপ মই ইয়াত বিচাৰো। আমাৰ তিতাবৰৰ মাননীয় বিধায়ক ভাস্কৰ জ্যোতি বৰুৱাৰ নিচিনা আৰু বহুতো চাহ খেতিয়ক আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত সেই সকলোকে সাঙুৰি এটা ভাল সিদ্ধান্তলৈ আহিব লাগে যাতে আমাৰ বৃহৎ চাহ-কোম্পানীৰ লগতে এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলক বাচি অসমক উন্নতিৰ পথত আগুৱাই নিব পাৰে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় উদ্যোগ মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, দৈনিক জনমভূমি বাতৰি কাকতত ১৩ জুলাই তাৰিখে প্ৰকাশিত হোৱা বাতৰি সম্পৰ্কত আমাৰ মাননীয় সদস্য মৃণাল শইকীয়া ডাঙৰীয়াই যিখিনি বক্তব্য দাঙি ধৰিছে, সেই বক্তব্য সন্দৰ্ভত মই এটা কথাই ক'ব বিচাৰিছো যে- এতিয়ালৈকে অসম চৰকাৰৰ হাতত কোনো বাগান বন্ধ হোৱাৰ খবৰ নাই, বাগানৰ মালিকীস্বত্ব হে সলনি হোৱা দেখা গৈছে। Tea Board ৰ হিচাপ মতে অসমত ৭৬৫ খন বৃহৎ বাগিচা আছে। Tea Boardৰ Register মতে ক্ষুদ্ৰ চাহ খেতিয়কৰ বাগান ১.০১ লাখ আছে। এইয়া Tea Board ৰ এটা census হে মাথো। আমাৰ ইয়াতকৈয়ো বেছি বাগান আছে আৰু ডেৰ লাখৰ পৰা দুই লাখ ক্ষুদ্ৰ চাহ খেতিয়ক আছে। গতিকে, এতিয়ালৈকে কোনো বাগান বন্ধ হোৱাৰ কথা আমাৰ আহি পৰা নাই। এটা কথা ঠিক যে, ২০১৯ চনৰ তুলনাত ২০২০ চনত ভাৰতীয় চাহ ব'ৰ্ডৰ পৰিসংখ্যা মতে ১৪% কম চাহ উৎপাদন হৈছিল। বৰষুণ নোহোৱা আৰু ক'ভিড্‌ৰ বাবেই এই উৎপাদন হ্ৰাস হৈছিল। তথাপিও চৰকাৰে চাহ উদ্যোগৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথম পৰ্যায়ৰ ক'ভিডত বহুখিনি ৰেহাই কৰি দিছিল। তেওঁলোকে যদিও ১৪% কম চাহ উৎপাদন কৰিছিল, কিন্তু, যোৱা বছৰ চাহৰ দাম বহুত বেছি পাইছিল আৰু সেই দাম আগতে কোনো বছৰেই পোৱা নাছিল। সেয়েহে, লোকচানৰ সন্মুখীন হ'বলগীয়া হোৱা নাই। গতিকে, বাতৰিত ৩৯% চাহ উৎপাদন কম হোৱাৰ যি কথা উল্লেখিত হৈছে, সেইটো ৩৯% নহয়, ১৪% হে আৰু ইয়াৰ ক্ষতিপূৰণ ইতিমধ্যে হৈ গৈছে। ঠিক তেনেদৰে, এই বছৰৰ আৰম্ভণিতে চাহ-উদ্যোগৰ বাবে বতৰ বৰ ভাল নাছিল আৰু লগতে ক'ৰণা মহামাৰীৰ বাবেও ই প্ৰভাৱিত হৈছিল। গতিকে, উৎপাদন কম হৈছে যদিও আশা কৰিছো এই বছৰো কোনো চাহ-উদ্যোগ লোকচানৰ সন্মুখীন হ'ব লগীয়া নহয়। বাতৰিত উল্লেখ কৰা ধৰণে ক্ষুদ্ৰ চাহ খেতিয়কসকল বৃহৎ গোষ্ঠীসমূহৰ ওপৰত নিৰ্ভৰশীল নহয়, কাৰণ বৃহৎ চাহ উদ্যোগে অসমৰ মুঠ ৪৮% আৰু ক্ষুদ্ৰ চাহ খেতিয়ক সকলে

৫২% চাহ উৎপাদন কৰে। বৰ্তমান অসমত ৩২৫ টা Bought Leaf Factory আছে আৰু তাৰে বেছিভাগেই  ক্ষুদ্ৰ চাহ খেতিয়কৰ পৰাই পাত লয়। মই Tea Board ৰ Chairman, Vice Chairman আৰু Indian Forest Service ত নতুনকৈ posting হোৱা E.D. ৰ লগত কথা পাতিছো যে নতুনকৈ Bought Leaf factory ৰ permission  দিয়াৰ যি procedure  আছে, সেইটো অলপ শিথিল কৰি কাম কৰিব লাগে। গতিকে,  Bought Leaf Factory যদি আৰু লাগে তেন্তে পাব। বেছি সংখ্যক বৃহৎ কোম্পানী বাগিচাই বছৰৰ আৰম্ভণিত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ পৰা পাত নলয় আৰু বছৰৰ শেষৰ ফালে তেওঁলোকৰ মূল বাগিচাখনৰ যেতিয়া পাত কমি যায়, তেতিয়া ক্ষুদ্ৰ খেতিয়ক সকলৰ পৰা পাত লয় যদিও সেইখিনিৰ পৰা তেওঁলোক বেছি লাভান্বিত নহয়। ক্ষুদ্ৰ চাহ খেতিয়কসকলক অসমত প্ৰতিষ্ঠিত কৰিবলৈ আমাৰ চৰকাৰৰ দিনত তেওঁলোকৰ Tea cess আমি zero কৰি দিছো। মাটিৰ পট্টা দিয়া আৰম্ভ কৰিছো। তাৰোপৰি, ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ Training ৰ বাবে টোকলাইত ১৭ কোটি টকা খৰচ কৰি Training cum Laboratory ব্যৱস্থা কৰা হৈছে। এই ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে আমি সকলোখিনি ব্যৱস্থা কৰিছো। গতিকে, ক্ষুদ্ৰ চাহ খেতিয়কসকল শংকিত হ'ব নালাগে। ইয়াৰোপৰি, Social Cost ৰ বাবে বৃহৎ চাহ-বাগিচা সমূহ সমস্যাৰ সন্মুখীন হৈছে। কাৰণ ক্ষুদ্ৰ চাহ খেতিয়কৰ কোনো Social Cost নাথাকে। ডাঙৰ চাহ-বাগিচাবোৰৰ Social Cost বহুত থাকে। Labour Plantation Act  মতে বৃহৎ চাহ-বাগিচা সমূহক খৰি দিব লাগিব। NFSA ৰ চাউল পালে চাউলখিনি ৩০ টকাত কিনি ৪০ পইচাত দিব লাগিব, অন্যান্য স্বাস্থ্যৰ সুবিধাবোৰো তেওঁলোকক দিব লাগে যাৰ ফলত আন্তৰ্জাতিক বজাৰত চাহৰ যি প্ৰতিযোগীতা, সেই প্ৰতিযোগীতাত আমি আজিলৈকে থিয় হ'ব পৰা নাই। গতিকে, যেতিয়ালৈকে আন্তৰ্জাতিক বজাৰত আমাৰ চাহৰ মানদণ্ড উন্নত কৰিব পৰা নাযাব, তেতিয়ালৈকে অসমৰ চাহ উদ্যোগসমূহে এনে ধৰণৰ সমস্যাৰ সন্মুখীন হৈ থাকিব। শইকীয়া ডাঙৰীয়াই আশংকা কৰা মৰ্মে তেখেতে এটা কথা কৈছে যে বৃহৎ কোম্পানী সমূহ বন্ধ হৈ যাবলৈ ওলাইছে। মেজৰ অসুবিধাটো হৈছে Social Cost, NFSC হোৱাৰ পিছত আমাৰ চাহ বাগিছাৰ যিখিনি কৰ্মচাৰী আছে তেওঁলোকক Plantation of Labour Act, মতে ৩৫ টকাত চাউল কিনি ৪০ পইচাত দিব লগা হয়। এনেধৰণৰ এটা ডাঙৰ Social Cause আছে। শইকীয়া ডাঙৰীয়াই যিটো কথা কৈছে তেনেকুৱা ধৰণৰ যদি কিবা সমস্যা আছে সেইটো চাব লাগে। চাহ উদ্যোগটোৰ আজি ২০০ বছৰ পাছত  মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ডাঙৰ সিদ্ধান্ত লৈছে। প্ৰতি বছৰে আমি যিটো CTC চাহ উৎপাদন কৰি থাকো আন্তৰাষ্ট্ৰীয় বজাৰত তাৰ মূল্য একেবাৰে কম। Orthodox চাহ যিসকলে বনাব তেওঁলোকক আমাৰ চৰকাৰৰ তৰফৰ পৰা ৭ টকা subsidy  দিয়া হ'ব প্ৰতি কেজিত। যদি আমাৰ চাহ বাগিছা সমূহত Orthodox চাহ বনাবলৈ আৰম্ভ কৰে তেতিয়াহ'লে আন্তৰ্জাতিক বজাৰত আমাৰ চাহৰ মূল্য বাঢ়িব আৰু বাগিছা সমূহৰো লাভ হ'ব। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কেইদিনমান আগতে এখন মিটিঙত ঘোষণা কৰিছে যে এই Orthodox চাহ বনাবৰ কাৰণে যিবিলাক নতুন factory  বনাব লাগিব তাৰ plant আৰু machinary ৰ বাবে ২৫ শতাংশ subsidy অসম চৰকাৰে দিব। তাৰ maximum limit হৈছে ৩০ লাখ। সেইখন মিটিঙত যিমান Tea stake-holder আৰু ক্ষুদ্ৰ চাহ খেতিয়ক আছে সকলোকে মাতিছিল। মইয়ো তাত উপস্থিত আছিলো, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াও তাত উপস্থিত আছিল। বৰ্তমানৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমৰ চাহ উদ্যোগটোৰ বাবে আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ বাবে এইটো এটা ঐতিহাসিক সিদ্ধান্ত লৈছে। দ্বিতীয়

কথাটো হ'ল - Interest Subvention এটা দিছে at the rate of 3% আৰু যিসকলে Bank ৰ পৰা working Capital টো লয় তাৰ ৩ শতাংশ Interest চৰকাৰৰ ফালৰ পৰা দিব। তাৰ maximum limit হৈছে ২০ লাখ per annum. তাৰোপৰিও Agriculture Income Tax টো তেওঁলোকৰ বাবে free কৰি দিয়া হৈছে। ইয়াৰ উপৰিও এই Social Cost ৰ ভিতৰত যিখিনি স্কুল আৰু চিকিৎসালয় আছে সেইবিলাক পয্যাৰ্য়ক্ৰমে আমি চৰকাৰৰ অধীনলৈ আনিম। তেতিয়া তেওঁলোকৰ এটা ডাঙৰ cost কমি যাব।

আপুনি উজনি অসমৰ গোলাঘাট জিলাৰ বিধায়ক, আপুনি চাহৰ বিষয়ে ভালকৈ জানে। বৰ্তমান আমি চাহ বাগিছা সমূহত ৰাস্তা বানোৱা আৰম্ভ কৰিছো, PMAY ৰ ঘৰ দিয়া আৰম্ভ কৰিছো। এতিয়া ATCL ৰ বাগানৰ প্ৰায় ১ হাজাৰটা ঘৰ বনোৱা সম্পূৰ্ণ হৈছে। তাৰোপৰি তেওঁলোকৰ ঘৰত জলশক্তি মিছনৰ পৰা পাইপেৰে পানী যোগান দিয়াৰ ব্যৱস্থা কৰা হৈছে। যেতিয়া Social cost টো কমি যাব সেইদিনা সেই বাগান সমূহ লাভত আহিব।

তাৰোপৰি ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ বাবে যিটো cess সেইটো আমি zero কৰি দিছো। উপাধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মই মাননীয় সদস্য গৰাকীক জনাওঁ যে যোৱা ৫ বছৰে আমাৰ চাহ বাগিছাৰ stakeholder সকলৰ লগত মিটিং কৰিছো আৰু বাৰে বাৰে মই তেখেতসকলক এটা কথা কৈছো যে আপোনালোকে চাহৰ মানদণ্ডটো উন্নত কৰক। কিন্তু তেওঁলোকে CTC ৰ পৰা ওপৰলৈ নাহে। এতিয়া অসমৰ চাহ পাতৰ দাম কমি গৈছে। মই নাম নকওঁ কিন্তু অসমৰ এটা বৃহৎ কোম্পানী, তেওঁলোকে যিটো 'এটি কলি দুটি পাত' ৰ যিটো উন্নত চাহ আছিল সেইটো তেওঁলোকে ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ পৰা ৬-৭ টা পাত থকা কলিলৈ চাহ প্ৰস্তুত কৰিছে। যাৰকাৰণে চাহপাতৰ দাম কমি গৈছে। মই Tea Board ক এইখিনি কথা কৈছো। মই যিটো কোম্পানীৰ কথা কৈছো তেওঁলোকে সিদিনা মুম্বাইৰ পৰা আহিছে। মই তেওঁলোকক কৈছো যে আপোনালোকে তেনেকুৱা নকৰিব। Quality Compromise নকৰিব।

উপাধ্যক্ষ ডাঙৰীয়া, মই আপোনাৰ জৰিয়তে সদনক জনাওঁ যে অসমৰ চাহ উদ্যোগটো এটা ঐতিহ্য আছে আৰু এই ঐতিহ্যটো আমি ৰক্ষা কৰিব লাগিব। এই উদ্যোগটোক আমি বিধ্বস্থ হ'বলৈ দিব নোৱাৰো। আমি সকলোৱে এটা কথা মনত ৰাখিব লাগিব যে আমি Quality উন্নত কৰিব লাগিব। আগতে অসমত CTC চাহ আছিল। এতিয়া Greeen Tea, White Tea, Purple Tea, Yellow Tea আদিৰ দৰে বিভিন্ন চাহ হৈছে। গতিকে চাহৰ মানদণ্ডটো আমি উন্নত কৰিব লাগিব।

এটা কথা মই সদনৰ লগত share কৰিব বিচাৰিছো যে ডুবাইত এখন Tea park আছে। ডুবাইত চাহ বাগিছা নাই। যোৱাবাৰ যেতিয়া এখন International Seminar ত মোক মাতিছিলে তেতিয়া মই ডুবাইলৈ যাওঁতে এই Tea park খন চাইছিলো। য'ত চাহ বাগিছা নাই তাত তেওঁলোকে অসম আৰু বিভিন্ন ঠাইৰ পৰা চাহ সংগ্ৰহ কৰি তাত branding আৰু packaging কৰিছে আৰু সমগ্ৰ বিশ্বত ব্যৱসায় কৰিছে। তাত মই এজন ব্যৱসায়ীক লগ পালো। মই তেখেতক শুধিলো যে তেওঁ কি ব্যৱসায় কৰে? তেখেতে ক'লে যে মই ডুবাইৰ Tea park ত চাহ export কৰো। মই যেতিয়া তেখেতক কোম্পানীটোৰ নাম শুধিলো তেতিয়া তেখেতে ক'লে যে আমি অসমৰ চাহ Ahmed Brand ত চাহ export কৰো। মই তেখেতক শুধিলো Ahmed Brand কি চাহ? তেতিয়া তেওঁ ক'লে যে Ahmed Brand ৰ লগত ইউৰোপ, আমেৰিকা আদিৰ লগত monopoly আছে। সেয়েহে এতিয়া অসমৰ চাহ যাতে Branding

হ'ব পাৰে তাৰবাবে ছয়গাওঁত আমি এখন Tea Park বনাম। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই চাহ উদ্যোগটোৰ বাবে বিভিন্ন incentive দিছে। শইকীয়া ডাঙৰীয়াক মই এইখিনি আশ্বস্ত কৰিলো যে অসমৰ পৰা কোনো বৃহৎ কোম্পানী উঠি নাযায় আৰু ক্ষুদ্ৰে চাহ খেতিয়ক সকলৰো কোনো অসুবিধা নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, ক্ষুদ্ৰ চাহ খেতিয়ক সকলক অৰ্গেনিক টি ৰ ওপৰত উৎসাহিত কৰিব নোৱাৰি নেকি?

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা (তিতাবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই চাহৰ লগত ৰিলেটেড এটা কথা ক'ব বিচাৰিছো। মই ক্ষুদ্ৰ চাহ খেতিয়কৰ এজন জন্ম দাতা। মাননীয় বিধায়ক মৃনাল শইকীয়া ডাঙৰীয়াৰ দেউতাকে আমাক ক্ষুদ্ৰ চাহ খেতি কৰিবৰ কাৰণে অনুপ্ৰাণিত কৰিছিল। মই বিচাৰিছো এই বিষয়ত আপোনালোকে এখন সদন কমিটি গঠন কৰক আৰু মোক ও এজন সদস্য হিচাপে লওঁক কাৰণ চাহৰ বিষয়ে মোৰ বহুতো ক'বলগীয়া আছে। .....

**মাননীয় উপাধ্যক্ষ ঃ** এই বিষয়ে আপুনি মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিব। তেওঁ নিশ্চয় ব্যৱস্থা ল'ব। এতিয়া কাৰ্য্যসূচী নং ২। মাননীয় বিধায়ক শ্ৰীতেৰছগোৱালা ডাঙৰীয়াক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীতেৰছ গোৱালা (দুলীয়াজান) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২১ চনৰ ২৮ জুন তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "তিনিচুকীয়াৰ ৰাজ পথেৰে ট্ৰাকে ট্ৰাকে চোৰাং কাঠ সৰবৰাহ" শীৰ্ষক বাতৰিটোৰ প্ৰতি পৰিবেশ আৰু বন বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, যিহেতু এই বিষয়টো মোৰ সমষ্টিৰ লগতো অলপ ৰিলেটেড। কাৰণ তিনিচুকীয়া দুলীয়াজান লাগি আছে আৰু এনেকুৱা বাতৰি পৰিবেশন হ'লে স্বাভাৱিকতে আমাৰো দুখ লাগে। মই ষ্টেটমেণ্টটো পঢ়িছিলো তাত আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াক কৈছে যে তেওঁ চৰম ব্যৰ্থ। আঁচলতে মই জানো মন্ত্ৰী ডাঙৰীয়া চৰম ব্যৰ্থ নহয়। তেওঁ আজি কিছুদিন আগত উজনি অসমলৈ গৈছিল। মই ভাৱো মন্ত্ৰী মহোদয়ে যথেষ্ট সক্ৰিয়তাৰে কাম কৰিছে। তেওঁ এগৰাকী সফল মন্ত্ৰী এই কথাটো মই ক'ব নালাগে। এই কথাটো কাজিৰঙালৈ গ'লে সকলোৱে দেখিব যে আচলতে পৰিমল শুক্লবৈদ্যৰ নেতৃত্বত বন বিভাগ যথেষ্ট শক্তিশালী হৈছে। ইয়াত অৰুণাচলৰ ভুৱা চালানেৰে অসমলৈ কাঠ সৰবৰাহ হৈছে বুলি কোৱা হৈছে। আমি সকলোৱে জানো যে অৰুণাচল প্ৰদেশৰ ৰয়িং, নামচাই, নামফাই, বৰদুমচা, <u>**জয়ৰামপুৰ**</u> আদি অঞ্চলৰ পৰা এই কাঠবিলাক আহে আৰু চালান বিলাক কিমান সত্য কিমান অসত্য নাজানো কিন্তু আমি এইবিলাক ঠিক কৰাতো ভাল কাৰণ, বৰ্তমান ডিজিটেলাইজেশ্যনৰ যুগ। আমাৰ বিধান সভাতো আইকাৰ্ডৰ ক্ষেত্ৰত এইবাৰৰ পৰা ডিজিটেলাইজেশ্যন প্ৰক্ৰিয়াটো আৰম্ভ হৈছে। গতিকে অৰুণাচলৰ পৰা যেতিয়া কাঠ বিলাক আহিব তেতিয়া চালান বিলাকৰ যাতে ডিজিটেলাইজ কৰিব পৰা যায় তাৰ বাবে আমাৰ চৰকাৰে অৰুণাচল চৰকাৰৰ লগত কথা পাতি কিবা ব্যৱস্থা ল'বৰ বাবে মই অনুৰোধ জনাইছো। ইয়াৰ উপৰিও এই কেচটোৰ লগত পুলিচে জনৈক শইকীয়া উপাধিধাৰী ব্যক্তি এগৰাকীক গ্ৰেপ্তাৰ কৰিছে আৰু গ্ৰেপ্তাৰ কৰাৰ পিছত তেওঁ বহুখিনি কথাই কৈছে। ইয়াত ৰাজনৈতিক নেতা, জনৈক আগৰৱালা, খান উপাধিধাৰী ব্যক্তি জড়িত হৈ থকা বুলি নাম বিলাক উল্লেখ কৰিছে। গতিকে মই ভাৱো এইবিলাকৰ ইণ্টাৰ'গেশ্যন খুব ষ্ট্ৰংলি হ'ব লাগে। অলপতে মন্ত্ৰী ডাঙৰীয়াই ডিব্ৰুগড়, তিনিচুকীয়াৰ পৰা ঘূৰি যাওঁতে দেখিছো ধেমাজিৰ

কোনোবা এটা অঞ্চলত এগৰাকী অৰুণাচলীয়ে অসমৰ সীমান্তত সোমাই অসমৰ মাটি দখল কৰিছে, গছ কাটিছে আৰু আমাৰ মন্ত্ৰী ডাঙৰীয়াকো যথেষ্ট প্ৰশ্নবান কৰিছে। এই বিষয়টোত যিহেতু দুখন ৰাজ্যৰ সীমা মূৰীয়া সমস্যাৰ কথা আছে সেইকাৰণে মই ভাৱো দুয়োখন ৰাজ্যৰ লগত কথা পাতি এই বিষয়টো ঠিক কৰিব লাগে। অকল অসম-অৰুণাচলেই নহয়, অসম-নাগালেণ্ডৰ লগত ও এই সমস্যাটো আছে। যোৱাকালি অসম-অৰুণাচল সীমান্তৰ নাহৰকটীয়া অঞ্চলৰ এটা বাতৰি পৰিবেশন হৈছে যে নাগফাণ্ড অঞ্চলত অৰুণাচলী সোমাই ইতিমধ্যে গছ, হাবি কাটি, মাটি দখল কৰি গাওঁ, চাহবাগিচা পাতিছে এনেকুৱা ধৰণৰ বাতৰি বিলাক আমি কাকতে-পত্ৰই গম পাইছো। সেইকাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ জনাব বিচাৰো যে যিহেতু অসম-অৰুণাচল সীমান্তত ডিব্ৰুগড়, তিনিচুকীয়া আৰু শিৱসাগৰৰ এটা অংশ জড়িত আছে গতিকে এনেকুৱা ঘটনা বিলাক ঘটাৰ বাবে আমি দুখ পাওঁ। কিন্তু মই পৰৱৰ্ত্তী সময়ত বিভাগৰ লগত কথা পাতি গম পাইছো আচলতে এই চালান বিলাক বৈধ কিন্তু একেটা চালানেই ক'ৰবাত বৈধ আৰু ক'ৰবাত অবৈধ বুলি প্ৰচাৰ মাধ্যমত ওলায়। তেনেকুৱা যাতে ভৰিষ্যতে নহয় আৰু মই ভাৱো অৰুণাচলৰ পৰা যেতিয়া কাঠৰ ট্ৰাক বিলাক আহে আমি ৰখাব নোৱাৰো কিন্তু আমি যদি লিগেলাইজদ, চীচটেমেটিক, ডিজিটেলাইজদ কৰি চালান বিলাক বৈধ হয় নে নহয় সেইটো যদি আমি চাব পাৰো তেনেহ'লে নিশ্চয় সমস্যা বিলাকৰ সমাধান হ'ব। আজিৰ দিনত পৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ দৰে মন্ত্ৰী মহোদয়ৰ হাবিৰ লগত যিটো ভাল সম্পৰ্ক তেওঁৰ লগত বহিলে, ৰিভিউ মিটিং ইত্যাদিত আমি গম পাওঁ। গতিকে মন্ত্ৰী মহোদয়ে আৰু অলপ আগবাঢ়ি এই বিষয়টো শক্তিশালী ৰূপত যাতে ৰূপায়ণ কৰে তাৰ বাবে মই অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী পৰিমল শুক্লবৈদ্য (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২৮ জুন, ২০২১ তাৰিখৰ “অসমীয়া প্ৰতিদিন” কাকতত প্ৰকাশিত “তিনিচুকীয়াৰ ৰাজ পথেৰে ট্ৰাকে ট্ৰাকে চোৰাং কাঠ সৰবৰাহ” শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত উল্লেখ কৰিব লগীয়া যে আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পৰা মাজে মাজে কাঠ অসমলৈ সৰবৰাহ হৈ থাকে। এই সংবাদটো চাই মাননীয় বিধায়ক তেৰছ গোৱালা ডাঙৰীয়াই আজি ৰুল ৫৪ ৰ অধীনত আলোচনা আৰম্ভ কৰিলে। ইয়াত কিছুমান কথা মাননীয় বিধায়ক তেৰছ গোৱালা ডাঙৰীয়াই কৈছে যিখিনি আমাৰেই ক'বলগীয়া আছিল। এইকাৰণে মই তেখেতক ধন্যবাদ দিছো। মানুহ জীয়াই থাকিবলৈ হ'লে কাঠৰ প্ৰয়োজন হয়। গছ-গছনি কাটিব নালাগে হয়, কিন্তু আমাৰ কাঠৰ যিবিলাক প্ৰয়োজন সেইবিলাক বন্ধ কৰি দিছো তেনেকুৱা নহয়। কাঠ আমাক লাগিবই কিন্তু এনেকুৱা নহয় যে কাঠ লাগে বুলিয়েই গোটেইখিনি কাঠ অবৈধভাৱে কাটিছো বা সংৰক্ষণ কৰিছো। পেপাৰত দিয়া ফটো অনুযায়ী ৪ টা ল'গ আছে। এই ল'গ বিলাক আমাৰ অসমৰ বা অৰুণাচলৰ জংঘলত সঁচা অৰ্থত চোৰাং কৰি জি এচ টি দি পঠালে নে নাই সেই কথাটোৰ উল্লেখ নাই। এনেকুৱা লাগিছে যেন আমি কাঠ বিলাক জংঘলত কাটি কাটি পেলাই আছো। যদি এনেকুৱাই হ'ল হেঁতেন তেনেহ'লে আপোনাক সৰুকৈ এটা তথ্য দি আছো যে তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰত ২০২০-২১ চনত আমি ৩৭২.১০১৬ বৰ্গ মিটাৰ কাঠ, গাড়ী ২৯ খন আমি জব্দ কৰিছো। ইয়াৰ ভিতৰত চলিত বৰ্ষত ডুমডুমা বন সংমণ্ডলত ১৫ খন গাড়ী বাজেয়াপ্ত কৰি কনফিচকেট কৰিছো, ২৮ জন লোকক আমি গ্ৰেপ্তাৰ কৰিছো। ২০২১-২২ চনত আমি ৩১.৬৩৪৮ বৰ্গ মিটাৰ কাঠ,৭ খন ট্ৰাক জব্দ কৰিছো। ঠিক তেনেদৰে ডিব্ৰুগড়ত যেতিয়া ব্ৰহ্মপুত্ৰ নদীৰে কাঠ বিলাক লৈ আনে তেতিয়া আমি ৭০.৩১৮ বৰ্গ মিটাৰ কাঠ

আৰু ১৯১ টা কাঠৰ কুণ্ডা আমি জব্দ কৰিছো। ১৯১ টা কাঠৰ কুণ্ডা মানে হৈছে ১৯১ ডাল গছ। এইক্ষেত্ৰত ক'ব পাৰো যে আমি চেষ্টা কৰি থাকো। জি এচ টি অহাৰ পিছত আপুনিও জানে যিহেতু এটা ব্যৱস্থা আগতে আছিল, যেতিয়া আমাৰ সিমনাত আহিব প্ৰথম গাড়ী বা শিল-বালিৰ গাড়ী, তেতিয়া আমি ৫০০ টকাকৈ লব পাৰো পাৰমিট দিয়াৰ জৰিয়তে। এতিয়া যিহেতু জি এচ টি আহি গ'ল সেইটো মানা কৰি দিয়া হৈছে। আইনগত ভাৱে আমি ল'ব নোৱাৰো। এই ক্ষেত্ৰত গাড়ীবিলাক যেতিয়া আহে গোটেইখিনি গাড়ী যিহেতু আমাৰ গেট নাই সেইবাবে গাড়ী বিলাকত কিমান হাজাৰ হাজাৰ ট্ৰাক আহি আছে আৰু সেই হাজাৰ ট্ৰাকৰ ভিতৰত যে গোটেই খিনি গাড়ী কাঠৰ গাড়ী এ নেকুৰা নহয়। এই ক্ষেত্ৰত যিমানখিনি বিভাগৰ জৰিয়তে আমি কৰিব পাৰো সেইখিনি কাম আমি কৰি আছো আৰু আমি চেষ্টা চলাই আছো। সেই ক্ষেত্ৰত একেবাৰে থুলমূলকৈ আমি আপোনাক কব পাৰো অসমৰ কাঠৰ চাহিদা পূৰণত অৰুনাচলে বৰঙণি যোগাই আহিছে। নীতিগত ভাৱে সম্পূৰ্ণ বৈধ উপায়েৰে অৰুনাচলৰ পৰা অসমলৈ কাঠ অহাত কোনো বাধা নাই। কিন্তু নীতি বহিৰ্ভূতভাৱে, অবৈধভাৱে অসমলৈ কাঠৰ সৰবৰাহ কেতিয়াও গ্ৰহণযোগ্য নহয়। এই কথা স্বীকাৰ্য্য যে বহু অসাধু ব্যৱসায়ে নীতি বহিৰ্ভূতভাৱে আৰু অবৈধভাৱে অসমলৈ কাঠ সৰবৰাহৰ চেষ্টা কৰে। বনবিভাগে বহুক্ষেত্ৰত তেনে অবৈধভাৱে কাঠ কঢ়িওৱা ট্ৰাক আদি জব্দ কৰিছে। উল্লেখ থাকে যে বিগত দুটা বৰ্ষতে এনেদৰে অবৈধভাৱে কাঠ কঢ়িওৱা গাড়ী কেইবাখনো বনবিভাগে জব্দ কৰাৰ লগতে বিপুল পৰিমানৰ কাঠো জব্দ কৰিছে। ২০২০-২১ বৰ্ষত কেৱল তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাত এনেদৰে অবৈধভাৱে কাঠ কঢ়িওৱা গাড়ী ২৯ খন জব্দ কৰাৰ লগতে ৩৭২.১০১৬ বৰ্গ মিটাৰ কাঠো জব্দ কৰা হয়। এনে অবৈধ কামত জড়িত ২৮ জন লোককো সেই বৰ্ষটোত গ্ৰেপ্তাৰ কৰা হয়। আনহাতে ২০২১-২২ বৰ্ষত তিনিচুকীয়া জিলাত ৭ খন ট্ৰাক অবৈধভাৱে কাঠ কঢ়িওৱাৰ অপৰাধত জব্দ কৰা হয় আৰু লগতে ৩১.৪৩৪৮ বৰ্গ মিটাৰ কাঠো জব্দ কৰা হয়।

ঠিক তেনেকুৰা বিভিন্ন সময়ত আৰক্ষীয়ে সন্দেহ বশতঃ কাঠ কঢ়িওৱা গাড়ী ধৰি আনি বন বিভাগক গতাই দিয়ে। সন্দেহৰ আৱৰ্তত থকা তেনে গাড়ী সমূহ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে কাঠ আৰু নথি দুয়োটাই পৰীক্ষা নিৰীক্ষা কৰি বৈধ পালেহে যাবলৈ দিয়া হয়। বনবিভাগৰ অনুমতি সাপেক্ষে বিভিন্ন অঞ্চলত কাঠৰ ডিপো খুলি বহু লোকে ব্যৱসায় কৰি আহিছে। এনে ডিপো সমূহত বৈধ ভাৱে সংগ্ৰহ কৰা কাঠহে মজুত কৰি ৰাখিব পাৰিব বা বিক্ৰী কৰিব পাৰিব। বাতৰিত উল্লেখ কৰা লোকৰ এনে বৈধ ৰিপোৰ্ট যদি অবৈধ ভাৱে কাঠ সংগ্ৰহ কৰি ৰাখে তেনে ক্ষেত্ৰত আইনগত ব্যৱস্থা নিশ্চয়কৈ গ্ৰহণ কৰা হয়।

কাঠৰ চোৰাং সৰবৰাহ সম্পূৰ্ণভাৱে ৰোধ কৰাৰ বাবে বনবিভাগৰ লগতে আৰক্ষী বিভাগেও সদা সতৰ্ক দৃষ্টি ৰাখিছে আৰু যৌথ প্ৰচেষ্টাত কাঠৰ চোৰাং সৰবৰাহ সম্পূৰ্ণ ৰোধ কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত আছে। এনে যৌথ প্ৰচেষ্টাতে বিগত জুন মাহত দুটা পৃথক পৃথক ঘটনাত ব্ৰহ্মপুত্ৰ নদীৰে উটুৱাই অনা ১৯১ টা কাঠৰ কুণ্ডা, যাৰ পৰিমাণ ৭০.৩১৮ বৰ্গ মিটাৰ ডিব্ৰুগড়ত জব্দ কৰা হয়। এই ক্ষেত্ৰত মই বেছি কবলগীয়া নাই। আজিৰ দিনত আপোনালোকে জানে মাননীয় উপাধ্যক্ষ মহোদয়, যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অবৈধভাৱে যিকোনো কামৰ বিপৰীতে শূণ্য সহনশীলতা লৈ কাম কৰি যোৱাৰ যি নিৰ্দেশ দিছে সেয়াই আমাক অনুপ্ৰেৰণা যোগাইছে। আমি চেষ্টা কৰি আছো যাতে কোনো ঠাইত অবৈধ ভাৱে এনেকুৰা কাম সংঘটিত হ'ব নোৱাৰে তাৰ কাৰণে আমি প্ৰয়াস কৰিছো আৰু মই ভাৱো যে আমি ইয়াতে সফল হম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। জীৱজন্তু গণনা হয় যিহেতু, তেনেকৈ গছৰ চেনচাচ হয়নে নহয়,

তেতিয়া আপুনি অবৈধ যিটো কব পাৰিব যে কিমান statistics টো থাকিল।

**শ্ৰীপৰিমল শুক্লবৈদ্য (মন্ত্ৰী) ঃ** চাৰ, গছৰ চেনচাচ তেনেকুৱা নহয়, কাৰণ বন বিভাগৰ মাটি প্ৰায় ৩৪ শতাংশ আমাৰ মুঠ ভৌগালিক এৰিয়াৰ মাটি হয় আৰু এই ক্ষেত্ৰত গছৰ চেনচাচ কৰা হোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমাৰ কাৰ্য্যসূচী নং ৩। ৩০১ নং নিয়মৰ অধীনত আমাৰ মাননীয় বিধায়ক দিগন্ত কলিতাক তেখেতৰ বক্তব্য ৰাখিবলৈ অনুৰোধ জনালোঁ, ৫ মিনিটত আপুনি সমাপ্ত কৰিব।

**শ্ৰীদিগন্ত কলিতা (কমলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়ৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ এই যি মোৰ প্ৰশ্নটো আনিছো বা যিটো কথা মই ৰাখিছোঁ যে আমাৰ নামঘৰৰ ক্ষেত্ৰত মোৰ সৰু অভিজ্ঞতাৰ ফালৰ পৰা মই অকণমান ক'ব বিচাৰিছো, কথাটো এনেকুৱা যে নিৰ্বাচনৰ সময়ত আমি বহুত প্ৰতিশ্ৰুতি লৈ ৰাইজৰ মাজলৈ গৈছিলো। মই দেখিবলৈ পাইছিলো মোৰ সমষ্টিত বিশেষকৈ পিংলেশ্বৰ এখন গাঁও আছে, তাতে এটা ধুনুকা দৌল বুলি মন্দিৰ আছিল, তাত এজনী বুঢ়ী আইতাক মই লগ পাইছিলো। মই দেখিছিলো সেই সময়ত যে তেওঁ মোক অকণমান দূৰলৈ মাতি লৈ গৈছিল আৰু আপুনি জানে নামঘৰৰ ক্ষেত্ৰত বিশেষকৈ মণিকুটটো বা মন্দিৰৰ ক্ষেত্ৰত বা মন্দিৰৰ মেইন যিটো মণিকূট সেই বিলাকৰ ক্ষেত্ৰত আমাৰ বিধায়ক পুঁজিৰ যিটো ফাণ্ড আমাক দিয়া হয়, আমি অৱশ্যে এতিয়ালৈকে পোৱা নাই, কিন্তু বিগত কিছু অভিজ্ঞতাৰ ফালৰ পৰা কৈছো যিহেতু এম পি মহোদয়ৰো আঁচনি থাকে, আমাৰ লগত অৱগত নহয়, কিন্তু আমি এই পইচা বিলাক মণিকূটৰ নামত দিবলৈ নোৱাৰো বা মন্দিৰৰ নামত আমি দিব নোৱাৰো। সেই কাৰণে মুখ্যমন্ত্ৰী মহোদয়ক মোৰ সুক্ষ্ম কিছু অভিজ্ঞতা তাতে ৰেণুবালা বৈশ্য বুলি এগৰাকী আইতাই মোক খুব দুখৰে কৈছিল। মই কৈছিলো সেই সময়ত যে, আপুনি মোক ইয়ালৈ কিয় মাতি আনিলে? তেতিয়া তেওঁ যেতিয়া মোক নামঘৰৰ ওচৰলৈ মাতিলে তেওঁৰ গাত কেৱল বুকুত এখন কাপোৰ আৰু খালী ভৰিৰে তেওঁ এটা মোক প্ৰশ্ন কৰিছিল যে বাপা তই মোৰ মন্দিৰটোৰ কাৰণে অকণমান ব্যৱস্থা কৰি দিব। তেতিয়া মই তেওঁক প্ৰশ্ন সুধিছিলো যে আইতা আপুনি যে মন্দিৰৰ কথাটো কৈছে আ পোনাৰ ঘৰটোৰ কথা কিয় কোৱা নাই? মই তেওঁক সুধিছিলো যে আপোনাৰ ঘৰটো কোনখিনি ঠাইত আছে? তেখেতে মোক দেখুৱাই দিছিল একেবাৰে লগতে লাগি থকা ঘৰটো। মই চালো যে নামঘৰত এখন টিঙৰ চালিত এটা নামঘৰ আৰু এখন গুৰু আসনত তেখেতে অকণমান তিনি ফুট বাই তিনি ফুট মাটিত তেওঁ ব্যৱস্থা কৰি ৰাখিছে। কিন্তু তাতকৈও মই আচৰিত হ'লো যে তেওঁৰ যিটো ঘৰ টিঙো নাই, এখন ট্ৰিপালত তেওঁ থাকে। তেতিয়া তেওঁক মই সুধিছিলো যে আইতা আপুনি নামঘৰৰ ঠাইত আপোনাৰ ঘৰটোৰ বাবে বিধায়কৰ পুঁজিৰ পৰা কিবা সুধিব বিচাৰিব লাগিছিল, কিন্তু আপুনি নামঘৰৰ কথা কিয় কলে? তেতিয়া তেওঁ মোক কৈছিল যে মোৰ কাৰণে মোৰ ঘৰটোতকৈ নামঘৰটো বেছি আপোন। কাৰণ ইয়াত মই গধূলি সয়মত চাকি এখোৰ দিও। ৰাতিপুৱা চাকি এখোৰ দিওঁ। আমি সকলোৱে বহো, আমি ধাৰ্মিক চিন্তা ধাৰা কৰো। তেতিয়া সেই সময়তে মোৰ মনত এটা ভাৱ হৈছিল যে যদি মই বিধায়ক হ'ব পাৰো এই পুঁজিটো যাতে পোনপটীয়াকৈ নামঘৰৰ মণিকূটৰ ক্ষেত্ৰত বা মন্দিৰত আমি প্ৰযোজ্য কৰিব পাৰো। এতিয়া আমাৰ কি হয়, আমি দিওঁ দেৱাল নিৰ্মাণত দিওঁ, আমি ভোগ ঘৰত দিওঁ, কিন্তু আমি মণিকূটত দিব নোৱাৰো। সেই কাৰণে মোৰ এটা সুক্ষ্ম খুব সৰু কথা, আৰু সেই কথাটো আজি মই বিধান সভাত এইকাৰণে কৈছো যে আজি ৰাতিপুৱা মোক আইতাজনীয়ে ফোন কৰিছে, বাপা তই কথাষাৰ যেনেতেনে উত্থাপন কৰিবি। মই মুখ্যমন্ত্ৰী মহোদয়ক

আপোনাৰ যোগেদি এটা প্ৰস্তাৱ ৰাখিছো যাতে এই আঁচনিবিলাক আমাৰ অনাগত দিনত বিধায়ক পুঁজিৰ আঁচনি আমি কেনেকৈ বিভিন্ন শিতানত দিব পাৰো, বিশেষকৈ নামঘৰৰ এই মণিকূটৰ ক্ষেত্ৰত যাতে এটা বিহিত ব্যৱস্থা তেখেতে লয়। মই ভাৰো যে আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ ওপৰত এটা নিশ্চয় ব্যৱস্থা ল'ব আৰু এই আঁচনি কেৱল দিগন্ত কলিতাৰ সমষ্টিতে নহ'ব সকলো ঠাইতে এই আঁচনি প্ৰয়োজ্য হ'ব। এই খিনিয়ে মোৰ মনৰ বক্তব্য আছিল, সময় যিহেতু ক'ম, মই ক'ম সময়ত সুক্ষ্ম কথা, কিন্তু মনৰ কথা আপোনালোকৰ আগত বক্তব্য ৰাখিলো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰী।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য দিগন্ত কলিতা ডাঙৰীয়াই নামঘৰ সমূহৰ আধুনিকৰণৰ বাবে অসম দৰ্শনৰ পুঁজি পৰ্য্যাপ্ত নোহোৱাৰ বাবে বিধায়ক পুঁজি আৱন্টন সংক্ৰান্তত ৩০১ নং বিধি অনুসৰি এটা বিষয় সদনৰ দৃষ্টি আকৰ্ষণ কৰিছে। অধ্যক্ষ মহোদয়, ২০১৯ আৰু ২০২০ চনত আমি অসম দৰ্শন আঁচনি এখন আৰম্ভ কৰিছিলোঁ। এই আঁচনিৰ জৰিয়তে অসমৰ বিভিন্ন দেৱালয় আৰু থানসমূহলৈ অনুদান আগবঢ়োৱা হৈছে। এই আচঁনিৰ অধীনত গোটেই অসমত বৰ্তমানলৈকে **১১,১৯২** টা নামঘৰত **২০২০-২১** বৰ্ষত **২** লাখ **৫০** হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হৈছে। কমলপুৰ সমষ্টিৰ অন্তৰ্গত নামঘৰ সমূহলৈ **২** লাখ **৫০** হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হৈছে আৰু **১৫৫** টা নামঘৰ ইয়াৰ পৰা উপকৃত হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমত নামঘৰ আৰম্ভ কৰিছিল। নামঘৰ আৰু সত্ৰ তাত কেৱল ধৰ্মৰ কথা নহয়, তাত অসমৰ সংস্কৃতি, অসমৰ সাহিত্য, অসমৰ নৃত্য, গীত, কলা সকলোৰে চৰ্চা হয়। আজি যদি আমি কোনোবা এখন সত্ৰলৈ যাওঁ, তাত ধৰ্মতো **১০** শতাংশহে দেখা পাঁও , **৯০** শতাংশ কালচাৰ আৰু শিক্ষা। কোনোবাই সংস্কৃতিৰ টোল খুলিছে, কোনোবাই গায়ন বায়ন, সত্ৰীয়া নৃত্য, বৰগীত আদিৰ সাধন কৰিছে। সেইকাৰণে **২০১৮** চনৰ **৪** মে তাৰিখে অসম চৰকাৰে এটা সিদ্ধান্ত গ্ৰহণ কৰিছিল যে আমি নামঘৰ সমূহক ধৰ্মীয় অনুষ্ঠান বুলি গণ্য নকৰো। তাৰ পৰিপ্ৰেক্ষিতত বিধায়ক পুঁজিৰ পৰা নামঘৰলৈ আৰু চৰকাৰৰ যিকোনো পুঁজি নামঘৰলৈ দিয়াত কোনো বাধা নাই। because Namghar is consider to be a secular institution. It is more about culture, literature, music । সেইবাবে সন্মানীয় বিধান সভাৰ সন্মানীয় সদস্যসকলক মই জনাব খোজো যে আপোনালোকে বিধানসভাৰ বিধায়কৰ পুঁজিয়ে হওঁক বা Untied fund য়েই হওঁক, এন ৰেগাৰ ফাণ্ডেই হওক এই গোটেই বোৰ আপোনালোকে বিনা দ্বিধাই নামঘৰলৈ আগুৱাব পাৰিব। অৱশ্যে মন্দিৰ, মচজিদ, গীৰ্জাৰ ক্ষেত্ৰত এই নিয়মতো প্ৰজোয্য নহয়। কিন্তু এশ বছৰ পুৰণা এনেকুৱা অনুষ্ঠানলৈ ঐতিহ্যৰ ফালৰ পৰা চাই আমি মন্দিৰ, মচজিদ, গীৰ্জালৈ পুঁজি দিছো। কিন্তু সেইটো অসম দৰ্শনৰ আন এটা শ্ৰেণী যিটো শ্ৰেণী এশ বছৰ পুৰণাত পৰে, তাত আমি **১০** লাখকৈ টকা দিওঁ। আজি কেবিনেটত আলোচনা হ'ব এনৰেগাত এইবাৰ এটা কাম কৰিব খুজিছো যে যিমান আমাৰ নামঘৰ, সত্ৰ বা পুৰণা মঠ মন্দিৰ আছে, তেওঁলোকৰ যি মাটি আছে, সেই মাটিত যদি কোনোবাই community fishery খান্দিব খোজে, আপোনালোক সেই আচঁনিটো দিব পাৰিব। তেতিয়া কি হ'ব ৰাজহুৱা পুখুৰীটো এনৰেগা বা আমাৰ যিটো 15th Finance Commission ৰ টকা, এই 15th Finance Commission ৰ টকাতো বা এন ৰেগাৰ পূঁজি নামঘৰৰ পুখুৰী বনোৱাৰ কামত আপোনালোকে ব্যৱহাৰ কৰিব পাৰিব। নামঘৰ, মঠ মন্দিৰ, দেৱালয় ইয়াৰ পুখুৰীখিনি যদি আমি কৰো, তাৰ উপাৰ্জনৰ টকাৰে এই অনুষ্ঠানখিনিও পৰিচালনা হ'ব আৰু তাৰ লগে লগে মীন উৎপাদনতো সহায় হ'ব। আজি আমাৰ কেবিনেটত

guide line খন আলোচনা হ'ব অহা কালি আপোনালোকে পাই যাব, সেই কামতোও কৰিছো। গতিকে সত্ৰ আৰু নামঘৰক লৈ আপোনালোকে বিধায়ক পুঁজি উদাৰভাৱে দিব পাৰে, কিন্তু মঠ মন্দিৰ, গীৰ্জা বা মছজিদ লৈ যিখিনি restriction আছে, আমি কেতিয়াবা boundary wall বনাবলৈ দিওঁ, বাহিৰে বাহিৰে তাত একো নধৰো বা কেতিয়াবা আমি জানাজাৰ ঘৰ বনাও, কেতিয়াবা আমি শ্মশান ঘৰ বনাও। যিখিনি হুflexibility আছে, আছে, কিন্তু আমি community hall বুলি লিখিব লাগে, কিবা বুলি লিখিব লাগে। কিন্তু নামঘৰৰ ক্ষেত্ৰত আপোনালোকে direct নামঘৰ আৰু সত্ৰৰ নাম লিখিয়ে দিব পাৰিব, তাত আৰু বেলেগ ৰাস্তা ল'ব নালাগে। মই ভাৱো আমাৰ এই কামৰ পৰা অসমৰ সত্ৰ সংস্কৃতি, সাহিত্য এইবিলাকৰ ক্ষেত্ৰত আমি বহুতো আগুৱাই যাব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়া আৰু মাননীয়া সদস্যা শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ **৩০১** নং দফাৰ অধীনত **২০২১** চনৰ ৪ জুলাই তাৰিখৰ "অসমীয়া সাদিন" কাকতত প্ৰকাশিত "ভাৰতীয় খাদ্য নিগমৰ খেতিয়কক চৰম প্ৰতাৰণা ৰাজ্যৰ **১৭** লাখ কৃষকৰ **১২** হেজাৰৰহে ধান ক্ৰয় নিগমৰ" শীৰ্ষক বিষয়টো আনিছে । মই প্ৰথমে মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক ক'বলৈ অনুৰোধ কৰিছো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, as per Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly মই "অসমীয়া সাদিন" কাকতত ৪ জুলাই, **২০২১** তাৰিখত প্ৰকাশিত "ভাৰতীয় খাদ্য নিগমৰ খেতিয়কক চৰম প্ৰতাৰণা। ৰাজ্যৰ **১৭** লাখ কৃষকৰ **১২** হেজাৰৰহে ধান ক্ৰয় নিগমৰ" শীৰ্ষক বিষয়টো উত্থাপন কৰি আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, অসমখন হৈছে এখন কৃষি প্ৰধান ৰাজ্য। ইয়াৰ প্ৰায় **৯০** শতাংশ মানুহে খেতিৰ লগত জৰিত। বিশেষভাৱে কৃষকৰ মূল সমস্যা হৈছে বজাৰ সৃষ্টি। ইতিমধ্যে অসমত যথেষ্ট পৰিমানে ফচল উৎপাদন হৈছে। আমাৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ লক্ষ্য যে **২০২২** চনৰ ভিতৰত কৃষকৰ উপাৰ্জন দুগুণ হ'ব লাগিব। সেই লক্ষ্যত যদি উপনীত হ'ব লগীয়া হয়, তেতিয়া হ'লে আমি আমাৰ ৰাজ্য চৰকাৰৰ জৰিয়তে এখন বজাৰ সৃষ্টি কৰিব লাগিব। কাৰণ আমাৰ বজাৰ নোহোৱাৰ কাৰণে যিখিনি উৎপাদিত ফচল, সেই ফচল বিক্ৰীৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হৈছে আৰু তেওঁলোকে যি উচিত মূল্য পাব লাগে, তেওঁলোকে এতিয়ালৈকে পোৱা নাই। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় খাদ্য নিগমৰ নীতি আছে আৰু সেই নীতি অনুযায়ী ভাৰতবৰ্ষৰ প্ৰত্যেকখন ৰাজ্যতে ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে ধান ক্ৰয় কৰাৰ এটা ব্যৱস্থা আছে। কিন্তু আমি দেখিছো যে ভাৰতীয় খাদ্য নিগমে আমাৰ যিসকল খেতিয়ক আছে, সেই খেতিয়ক সকলৰ পৰা উৎপাদিত শস্য বিশেষকৈ ধান যি ভাৱে ক্ৰয় কৰিব লাগে আজিলৈকে অসমৰ পৰা ধান ক্ৰয় কৰাৰ উদাহৰণ নাই। সেই কাৰণে ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত এটা কঠোৰ দৃষ্টিভঙ্গী ল'ব লাগিব। আজি অসমত খাদ্য শস্য যি ভাৱে উৎপাদিত হৈছে, মই ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ কৃষি মন্ত্ৰীক যে আজি আমাৰ কৃষক সকলে যথেষ্ট পৰিমানে শস্য উৎপাদন বৃদ্ধি কৰিছে। কিন্তু আমাৰ এই কৃষিৰ লগত জৰিত আমি যদি চাবলৈ যাওঁ, তেতিয়া আমাৰ ইয়াত শীতল ভঁৰাল বা গুদাম যিমান পৰিমানে থাকিব লাগে, আজি সিমান কিন্তু নাই। আজি যিবিলাক শস্য বা ফচল উৎপাদিত হ'ব, সেই বিলাক মজুত কৰাৰ কাৰণে বা সেই বিলাক

নষ্ট নোহোৱাকৈ ৰাখিবৰ কাৰণে আমাৰ শীতল ভঁৰালৰ প্ৰয়োজন আছে। যদি শীতল ভঁৰাল বিভিন্ন জিলাত নিৰ্মাণ কৰিব পাৰো, তেতিয়া হ'লে যিমান শস্য উৎপাদিত হ'ব সেই শস্য বিলাক নষ্ট নোহোৱাকৈ ৰাখিব পৰা যাব। আজি কৃষকসকলৰ শস্য নষ্ট হোৱাৰ ভয়তে ক'ম মূল্যতে, পানীৰ দৰতে বিক্ৰী কৰিব লগীয়া অৱস্থাৰ সৃষ্টি হৈছে। বিগত দিনত দেখিছো ভাৰতীয় খাদ্য নিগমে আমাৰ অসমৰ পৰা ধান ক্ৰয় কৰিব লাগে **২** লাখ মেট্ৰিক টন। কিন্তু তেওঁলোকে ধান এনেধৰণে ক্ৰয় কৰিছে, বিশেষভাৱে কোকৰাঝাৰ, বঙাইগাঁও, তেজপুৰ, গুৱাহাটী, নগাঁও আৰু ডিব্ৰুগড় চাবলৈ যাওঁ, দেখা পাওঁ যে মাৰ্চ মাহত **২** লাখ মেট্ৰিক টনৰ বিপৰীতে **৪৫,১৯৯** মেট্ৰিক টন ক্ৰয় কৰিছে। এপ্ৰিল মাহত **২** লাখ মেট্ৰিক টনৰ বিপৰীতে **৬৮,৪০৩** মেট্ৰিক টন ক্ৰয় কৰিছে। ঠিক সেইদৰে যোৱা মে' মাহত **২** লাখ মেট্ৰিক টনৰ বিপৰীতে **১** লাখ **১৪** হাজাৰ **৩৪** মেট্ৰিক টন ক্ৰয় কৰিছে। আমি যদি **২০১০** চনৰ পৰাই চাও যে খাদ্য নিগমে কিমান ধান ক্ৰয় কৰিছিল। বিশেষভাৱে খাৰিফ মাৰ্কেটিং ছিজনৰ যদি আমি চাওঁ তেতিয়া আমি দেখিবলৈ পাওঁ যে ২০১১ চনত এফ,চি,আইয়ে ধান ক্ৰয় কৰিছিল মাত্ৰ ০.১৬ লাখ মেট্ৰিকটন। সেইদৰে ২০১২ চনত যদি আমি ধান ক্ৰয় কৰা চাওঁ মাত্ৰ .২৩ লাখ মেট্ৰিকটন। সেইদৰে২০১২-১৩ চনত ০.২০, ২০১৩-১৪ত ০.১৫ মেট্ৰিকটন, ২০১৫-১৬ বৰ্ষত ০.৪৬ মেট্ৰিকটন,২০১৭-১৮ বৰ্ষত ০.৩৫ মেট্ৰিকটন, ২০১৮-১৯ বৰ্ষত ২.১১ লাখ মেট্ৰিকটন আৰু ২০২০-২১ বৰ্ষত ১.২৬ লাখ মেট্ৰিকটন ক্ৰয় কৰিছিল। ঠিক তেনেকৈ আমি যদি চাওঁ যে আমাৰ অসমত খেতিৰ লগত জড়িত কৃষক আছে প্ৰায় ২৭ লাখ। কিন্তু আমি এভাৰেজ যদি চাওঁ তেনেহ'লে প্ৰায় ১২,৫০০ কৃষকহে উপকৃত হৈছে এই খাদ্য নিগমৰ জৰিয়তে। গতিকে বহুত সংখ্যক কৃষকে উচিত মূল্য পোৱাৰ পৰা এতিয়াও বঞ্চিত হৈ আছে। আমি যদি আৰু এটা কথা চাবলৈ যাওঁ যে, আমাৰ ২০১৫ আৰু ২০১৬ বৰ্ষত বিশেষকৈ আমাৰ খাৰিফ ব্যৱসায়িক বতৰত, অসমৰ মাত্ৰ ৭,২৮৮ জন কৃষকে তেওঁলোকৰ উৎপাদিত ফচল বিক্ৰি কৰিবলৈ সুযোগ পাইছিল। তেনেকৈ ২০১৬-১৭ বৰ্ষত ৬,৯৬০জন, ২০১৭-১৮ বৰ্ষত ৪,৩৩২ জন, ২০১৮-১৯ বৰ্ষত ১২,৯২১ জন, ২০২০-২১ বৰ্ষত১৭,১৯৪ জন কৃষক উপকৃত হৈছিল। গতিকে ইমানখিনি কৃষকহে উপকৃত হৈছে। কেন্দ্ৰীয় চৰকাৰৰ **Paddy Procurement Policy 2020-21** আছে। সেই **Policy** মতে তাত নিৰ্ধাৰণ কৰা আছিল গ্ৰেড-১ ধানৰ প্ৰতি কুইন্টলত ফিক্স কৰি দিয়া আছিল ১৮৩৫ টকা আৰু যিটো আমাৰ কমন গ্ৰেডৰ ধান আছে, তাৰ মূল্য প্ৰতি কুইন্টলত ১৮১৫ টকা। আমাৰ ইয়াৰ কৃষকে বিক্ৰী কৰি আছে ১০০০ বা খুব বেছি ১১০০ টকাকৈ। ৬০০-৭০০ টকা লোকচান কৰি আমাৰ খেতিয়কে ধান বিক্ৰী কৰিবলগীয়া হৈছে। এতিয়া বিশেষভাৱে মই আপোনাৰ জৰিয়তে মাননীয় কৃষিমন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে তেখেতে কেন্দ্ৰীয় চৰকাৰৰ লগতেই হওঁক বা খাদ্য নিগমৰ লগতেই হওঁক আলোচনা কৰি যিটো লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া হৈছে, সেই লক্ষ্যটো যাতে ইয়াতে **Fullfill** কৰে তাৰ বাবে ব্যৱস্থা ল'বৰ বাবে মই অনুৰোধ জনাইছো আৰু লগতে কৃষিৰ ক্ষেত্ৰত এটা বিপ্লৱ আনিছেই, তাৰ বাবেও মই তেখেতলৈ ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীমতী নন্দিতা দাস ।

**শ্ৰীমতী নন্দিতা দাস (বকো)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ Rules of Procedure and Conduct of Business ৰ '৩০১'ৰ অধীনত 'অসমীয়া সাদিন' বাতৰি কাকতত ৪জুলাইত প্ৰকাশিত "ভাৰতীয় খাদ্য নিগমৰ খেতিয়কক চৰম প্ৰতাৰণা, ৰাজ্যৰ ২৭ লাখ খেতিয়কৰ ১২ হাজাৰৰহে ধান ক্ৰয় নিগমৰ" এই বিষয়টো আজি সদনৰ মজিয়াত উত্থাপন কৰিবলৈ যিটো

সুযোগ মোক প্ৰদান কৰিলে, তাৰ বাবে মই আপোনাক ধন্যবাদ জনালো। মাননীয় অধ্যক্ষ মহোদয়, মোৰ আগৰ বক্তাজনে ইতিমধ্যে এই বিষয়টোৰ ওপৰত গোটেই কথাখিনি ডাঙি ধৰিছেই। অসমৰ কৃষকক কেন্দ্ৰীয় চৰকাৰৰ অবহেলাৰ অধ্যায়ৰ শেষ নাই। আজিকোপতি ৰাজ্যখনৰ কৃষকৰ উৎপাদিত ফচল ক্ৰয় কৰাৰ ক্ষেত্ৰত ৰহস্যজনক অনীহা ভাৰতীয় খাদ্য নিগমৰ, চমুকৈ এফ,চি,আইৰ। যি সময়ত দেশৰ কেইবাখনো ৰাজ্যৰ লাখ লাখ কৃষক এফ,চি,আইৰ দ্বাৰা উপকৃত হৈছে, সেই সময়ত অসমৰ দৰে দুখীয়া কৃষকৰ উৎপাদিত শস্যৰ এটা ক্ষুদ্ৰ অংশহে ভাৰতীয় খাদ্য নিগমে ক্ৰয় কৰি আহিছে। এই কথাখিনি তথ্যসহকাৰে কলিতা ডাঙৰীয়াই ডাঙি ধৰিছে, সেয়ে মই আৰু তথ্যলৈ নাযাওঁ। আমি মাননীয় কৃষিমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিব লাগিব, কাৰণ আমি যদি Paddy Productionৰ তথ্য চাওঁ, ২০১৮-১৯ চনত প্ৰায় ৮৯২৯.৯৯৩ মেট্ৰিকটন পেডি উৎপাদন হৈছে। তাৰ মানে মোটা-মোটি ৯০ লাখ মেট্ৰিকটন পেডি উৎপাদন হৈছে। ঠিক তেনেদৰে ২০১৯ চনটো প্ৰায় ৮১ লাখ মেট্ৰিকটন পেডি উৎপাদন হৈছে। ২০২০ চনত ৮২ লাখ ৪৭ হাজাৰ ৬৪০ মেট্ৰিকটন উৎপাদন হৈছে। তাৰ পৰা আমি এইটো বুজিছো যে প্ৰত্যেক বছৰে ধানৰ উৎপাদন বৃদ্ধি হৈছে। আমি চাব লাগিব যে সেই অনুপাতে আমাৰ কৃষকে প্ৰকৃত যি এম,এছ, পি, সেই এম,এছ,পিত তেওঁলোকে ধানখিনি বিক্ৰি কৰিব পাৰিছেনে নাই? সেইবাবে আজি সেই বাতৰিটো আমি পঢ়ি দিছো, যাতে চৰকাৰ আৰু মন্ত্ৰী মহোদয়ৰ এই ক্ষেত্ৰত দৃষ্টিগোচৰ হয়। অধ্যক্ষ মহোদয়, প্ৰত্যেক বছৰে যিটো তথ্য ডাঙি ধৰে অৰ্থাৎ কৃষি বিভাগে এটা টাৰ্গেট ধৰি লয় যে ২ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিব। কিন্তু পৰিশেষত তেওঁলোকে খুব কম সংখ্যক মেট্ৰিকটন ধানহে ক্ৰয় কৰে। ইয়াৰ কাৰণটো কি আমি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। কাৰণ আমাৰ অসমখনত এটা সুন্দৰ কৃষিৰ পৰিৱেশ আছে, য'ত ধানৰ উৎপাদনেই বেছি হয়। সেইকাৰণে কৃষকসকলে ধানৰ খেতি কৰাটোকে বেছি প্ৰাধান্য দিয়ে। আমি যদিও বেলেগ খেতি কৰিবলৈ দিওঁ, মাকৈ বা অন্য শস্যৰ খেতিত বেনিফিট আছে, কিন্তু পৰম্পৰাগতভাৱে কৃষক সকলে ধানৰ খেতিহে কৰিব বিচাৰে। এই ক্ষেত্ৰত আমি বিচাৰো যে অসমৰ কৃষকৰ ধান উচিত মূল্যত ক্ৰয় কৰিব লাগে। প্ৰতি বছৰে ধান ক্ৰয় কৰা উত্তৰ প্ৰদেশ,পঞ্জাৱ, হাৰিয়ানা আদি কেইবাখনো ৰাজ্যৰ কথা ইয়াত উল্লেখিত হৈছে। আমাৰ অসমত ইমান পৰিমাণৰ ধান উৎপাদন হোৱাৰ পিছতো ভাৰতীয় খাদ্য নিগমে বিভিন্ন ৰাজ্যৰ পৰা ধান ক্ৰয় কৰা ৰ্কৰণটো আমি জানিব বিচাৰিছো। আজি আমি কৃষি বিভাগৰ পৰা তথ্য পালো যে ধান ক্ৰয় কৰাৰ দায়িত্ব বিভিন্ন জিলা পৰ্যায়ৰ বিষয়া সকলক দিয়া হয়। কিন্তু জিলা পৰ্যায়ৰ বিষয়া সকলে এই বিষয়ত অনীহা প্ৰকাশ কৰে। মোৰ কামৰূপ জিলাতে প্ৰায় ২ লাখ কৃষক আছে। তথ্যই কয় যে প্ৰায় ৭০-৮০ জনৰ পৰাহে ধান ক্ৰয় কৰিছে। সেইকাৰণে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰো, যাতে এই ক্ষেত্ৰত বৈষম্য হ'ব নালাগে। প্ৰত্যেক জিলাৰ পৰা সমানুপাতিক হাৰত ধান ক্ৰয় কৰিব লাগে। মই এইক্ষেত্ৰত দুটামান পৰামৰ্শ দিব বিচাৰিছো। অসমত এখন ৰেগুলেটেড মাৰ্কেটৰ প্ৰয়োজন আছে, যাতে সকলো শ্ৰেণীৰ কৃষকে গৈ সেই মাৰ্কেটত ধানখিনি বিক্ৰী কৰিব পাৰে। তাৰ উপৰিও আমাৰ ভড়ালৰ অভাৱ আছে। ইয়াৰ বাহিৰে আমাৰ গুদামৰ অভাৱ আছে । আমি বিভিন্ন ঠাইত দেখিছো যে আমাৰ কল্ড স্তৰেজ আৰু গুদামৰ সংখ্যা যথেষ্ট কম। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে যাতে সহজ উপায়েৰে কোনো মধ্যভোগী নোহোৱাকৈ marketing board য়ে হওঁক FCI য়ে হওঁক তেওঁলোকে যাতে ধান ক্ৰয় কৰে আৰু আমি যাতে প্ৰকৃত কৃষকক ন্যায় দিব পাৰো সেই ব্যৱস্থাটো চৰকাৰে কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- হ'ব, মন্ত্ৰী মহোদয়।

**শ্ৰী অতুল বৰা (মন্ত্ৰী) ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি সন্মানীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা, সন্মানীয় বিধায়ক শ্ৰীমতী নন্দিতা দাস ডাঙৰীয়ানীয়ে ভাৰতীয় খাদ্য নিগমে ধান ক্ৰয় কৰা সৰ্ম্পকীয় এটা অতি গুৰুত্বপুৰ্ণ বিষয় আমাৰ দৃষ্টিগোচৰ কৰাত দুয়োগৰাকী সন্মানীয় বিধায়কক মই ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয় অসম এখন কৃষিপ্ৰধান ৰাজ্য, আৰু এই ৰাজ্যখনৰ গৰিষ্ঠসংখ্যক ৰাইজেই হৈছে কৃষক। সাধাৰণতে সাধাৰণলোকৰ মনলৈ কৃষি বুলিলে ধানখেতিৰ কথাই মনলৈ আহে । আমিও গাঁৱৰ ল'ৰা। খেতি বুলিলে আমি প্ৰথমতে ধানখেতিৰ কথাই মনলৈ আহে। কিন্তু এতিয়া কৃষকেও এক বিশাল ক্ষেত্ৰ সামৰি লৈছে। ছাগলী পোহা, গৰু পোহাও খেতি। কিন্তু হ'লেও আমি আমাৰ পৰম্পৰা এৰা নাই, যদিও প্ৰতিবছৰে বান, গড়াখহনীয়াই যথেষ্ট খেতিৰ মাটি লৈ গৈছে, তথাপিও আমি দেখিছো যে ধানৰ উৎপাদন পূৰ্বতকৈ যথেষ্ট পৰিমানে বৃদ্ধি পাইছে। বানপানীত সহনজাত কেতবোৰ বীজ অসম কৃষি বিশ্ববিদ্যালয়ে উদ্ভাৱন কৰিছে। যেনে ৰঞ্জিত ছাকবান, বাহাদুৰ ছাকবান, বীনা ইলেভেন আদি জাতীয় বীজ যিবোৰ বীজ বানপানী আহিলেও ১০ দিন পানীৰ তলত একো নোহোৱাকৈ থাকিব পাৰে। হয়, মাননীয় দুয়োগৰাকী সদস্যই যিটো বিষয় উত্থাপন কৰিছেময়ো উপলব্ধি ক ৰিছো, মইয়ো দেখিছো আৰু যোৱা দিন সমূহত কি দৰে FCI ক অধিক ধান ক্ৰয় কৰাব পাৰি তাৰ কাৰণে আমি চেষ্টা কৰি আহিছো। সেই মতে হেঁচা দিছো। তদ্ৰুপ ২০১২-১৩ চনত অসম চৰকাৰে Agriculture Marketing Board কো ধান ক্ৰয় কৰা এটা সংস্থা হিচাপেও ঘোষণা কৰিছিল। আমি যোৱা বছৰত কিছু ধান মাৰ্কেটিং বৰ্ডৰ পৰা ক্ৰয় কৰিছো যদিও সেই খিনি পৰ্য্যাপ্ত হোৱা নাই। আমি জানো কৃষকে সঠিক দাম পোৱা নাই, আমি জানো। ঠিক তেনেকৈ FCI য়ে যিখিনি commitment আমাক দিছিল, সেই commitment ৰখা নাই। গতিকে এই বিষয়টো আমি অতি গুৰুত্বসহকাৰে মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াৰ সৈতে আমি আলোচনা কৰিছো। Food and Civil Supply ৰ মাননীয় মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস ডাঙৰীয়া আছে। তেখেতৰ সৈতেও আলোচনা কৰিছো। আমি এতিয়াও কথা পাতিছো যে Food and Civil Supply যি corporation আছে, এই corporation য়ে পূৰ্বতেও ক্ৰয় কৰিছিল আৰু এতিয়াও তেনে পৰিকল্পনা কৰিছে আৰু মাননীয় মুখ্য মন্ত্ৰীয়েও আমাক আশ্বাস দিছে যে ধান ক্ৰয় কৰিবৰ কাৰণে পৰ্য্যাপ্ত ধন আমি দিম। গতিকে আমি আশা কৰিছো অহা বছৰ কৃষকে উচিত মূল্য পাব আৰু কৃষকে উচিত মূল্য নোপোৱাৰ কাৰণে মই এটা কথা প্ৰত্যক্ষ কৰিছো যে ধান খেতিৰ প্ৰতি লাহে লাহে মানুহৰ অনীহা আহিছে। অৱশ্যে এইটো ঠিক পৰিবৰ্তিত পৰিস্থিতিত বিশেষকৈ শিক্ষিত যুৱচামে Horticulture Sector টোৰ প্ৰতি বিশেষভাবে আৰ্কষিত হৈছে। যেনে ড্ৰেগন ফ্ৰুটছ কৰিছে, আজি ওডালগুৰিত সন্মানীয় সদস্য বড়ো ডাঙৰীয়াই এটা প্ৰশ্ন উত্থাপন কৰিছিল, উত্তৰটো দিবলৈ সময় নাপালো, কাৰণ অনাহকত কিছু সময় আমাৰ গুছি গ'ল। হয়তো সেইবাবেই বহু মাননীয় সদস্যৰ উত্তৰৰ পৰা বঞ্চিত হ'ল। মই ক'বলগীয়া কথাখিনিও ক'ব নোৱাৰিলো। যি নহওঁক, মই আশা কৰিছো, আজি যিখিনি আলোচনা হৈছে, ভৱিষ্যতে ন'হব। কিন্তু সেই ওদালগুৰি জিলাত প্ৰায় ৭৬০ গৰাকী কৃষক, শিক্ষিত নিবনুৱা যুৱকে তাত তৰমুজৰ খেতি কৰিছে। এটা সময়ত তৰমুজ আমি চিনি পোৱা নাছিলো, সৰুতে আমি তৰমুজ চিনি নাপাওঁ। আমি ছিৰাল, লেটেকু, পনিয়ল চিনি পাওঁ। কিন্তু আমি তৰমুজ চিনি নাপাওঁ। কিন্তু তৰমুজ আমাৰ ৰাজ্যৰ পৰা বাহিৰৰ ৰাজ্যলৈ পঠাব পৰা অৱস্থা এটা হৈছে। এতিয়া কৰ'ণা কালত হয়, কৃষক সকলে বহুত ছাফাৰ কৰিছে। কিন্তু যোৱাবাৰৰ অভিজ্ঞতাৰে এইবোৰ যাতে

কৃষকসকলে অধিক ছাফাৰ নকৰে তাৰ কাৰণে আমি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিলো। প্ৰথম বাৰৰ কাৰণে আমাৰ ৰাজ্যৰ পৰা বহিঃৰাজ্যলৈ আমাৰ উৎপাদিত ফচল ৰপ্তানি কৰিব পাৰিছিলো। ডুবাইলৈকে পঠাইছিলো, লণ্ডনলৈকে পঠাইছিলো। এই কৰ'ণাৰ মাজতো আমাৰ ৰাজ্যখনৰ পৰা নেমু, ৰঙালাও এনেকুৱা কেতবোৰ উৎপাদিত ফচল আমি বিদেশলৈ পঠাবলৈ সক্ষম হৈছো। সেই ধাৰাবাহিকতা আমি অটুট ৰাখিম। আমি নেৰামেককে ধৰি বিভিন্ন তেনেকুৱা এজেঞ্চিৰ লগত কথা বতৰা পাতিছো আৰু মই আশ্বাস দিছো আজিৰ সদনত যে অহা বছৰত আমাৰ কৃষকে যাতে ধানৰ উচিত মূল্য পায়, তাৰ বাবে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিম। উৎপাদনটো বাঢ়িবই, কাৰণ আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ যিবিলাক আঁচনি আছে, কেন্দ্ৰীয় চৰকাৰৰ বহুত Flagship Programme আছে, প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা, ইয়াৰ উপৰিও পি এম কৃষাণ, কিন্তু আমাৰ বহুখিনি আঁচনি কেন্দ্ৰীয় চৰকাৰৰ যেনে RKVY, BGREI, NFSM, NMOP, HMNES. এতিয়া কল্ড স্তৰেজৰ কথাটো মাননীয় সদস্যা নন্দিতা দাস ডাঙৰীয়ানীয়ে মোক বহুবাৰ কৈ আছে। মই তেখেতক এটা কথা ক'ৰ খোজো, যে আমি দেখিছো চৰকাৰীভাৱে যিবিলাক কল্ড স্তৰেজ ৰাজ্যখনত আছিল, defunct হৈ গ'ল। পাৱাৰ বেছিকৈ লাগে, পাৱাৰ যিখিনি আমাক লাগে, তাৰ পইচা দিলে পাৱাৰ যেতিয়া নাথাকে ডিজেলৰে চলালে, অৱশেষত গৈ তেনেধৰণৰ কল্ডস্তৰেজবোৰ বন্ধ হৈ গ'ল। চৰকাৰী লেভেলত থকা তেনে ধৰণৰ বহু কল্ডস্তৰেজ বন্ধ হৈ গৈছে। HMNES যিখন আঁচনি, এই আঁচনিৰ অধীনত ৫ কোটি টকাত এটা কল্ডস্তৰেজ কৰিব পাৰে। ৫ কোটি টকাৰ আঢ়ৈ কোটি টকা নিজে দিব লাগিব। কিন্তু আমাৰ ৰাজ্যখনত তেনেকুৱা ব্যৱসায়ী আছে, ডাঙৰ ব্যৱসায়ীও আছে, ক্ষুদ্ৰ ব্যৱসায়ীও আছে, সেইবিলাকক আমি অলপ সাহস দিব লাগে। ইয়াৰ উপৰিও দলগাঁও আৰু ছয়গাঁৱত, তেখেতৰ সমষ্টিৰ কাষতেই ছয়গাঁৱত আমি এটা ডাঙৰ কল্ডস্তৰেজ নিৰ্মান কৰিছো। ৯৫ শতাংশ কাম হৈছে, আৰু যিটো ছয়গাৱৰ কল্ডস্তৰেজ এইটো ১০০ শতাংশই কাম হৈছে। ইলেকট্ৰিফিশ্যেনো হৈছে। আমি কেৱল তাত বস্তু ৰাখিবলৈ বাকী আছে। ঠিক তেনেকৈ আমি এতিয়া সমবায় বিভাগটোৰ দায়িত্বও মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোৰ হাতত দিছে। মই দেখিছো তাতো দুটা কল্ডস্তৰেজ নিৰ্মাণ কৰাৰ ব্যৱস্থা আছে। ৪৭ কোটি টকা । গতিকে এই ধৰণে আমি কল্ডস্তৰেজবোৰ নিৰ্মাণৰ কথা ভাবিছো। আঢ়ৈ কোটি ,আঢ়ৈ কোটি এই স্কীমটোৰ অধীনত যদি আমি কৰো তেতিয়া হ'লে যি গৰাকীয়ে কৰে সেইটো ব্যক্তিগত খণ্ডতে থাকিব। গতিকে স্বাভাৱিকতে নিজৰ বস্তু বুলি ভাবিব। চৰকাৰী এনেকুৱা অনুষ্ঠান নিজৰ বুলি নভবাৰ কাৰণে, চাকৰিয়াল বুলি ভবাৰ কাৰণে আজি এইবোৰ নোহোৱা হৈ গৈ আছে। এতিয়া গুদামৰ কথাটো আছে, আমি সম্ভৱত ২৪৬ গুদাম নিৰ্মাণ কৰিবলৈ লৈছো, বিভিন্ন ঠাইত ক'ৰপোৰেশ্যনৰ জৰিয়তে। গতিকে খেতিয়কে যথেষ্টখিনি সুবিধা পাব, আৰু ৰাজ্যখনৰ প্ৰতিখন ৰাজহ গাৱঁৰ একো একোটা আত্মসহায়ক গোটলৈ আমাৰ চৰকাৰৰ দিনত একো একোখন ৭০ শতাংশ ৰাজ সাহাৰ্য্যযুক্ত ট্ৰেক্টৰৰ ইতিমধ্যেই ১৫,১০২ খন ট্ৰেক্টৰ দিয়া হৈছে. বাকীখিনি প্ৰচেছ কৰি আছে, কোনোবাই ড্ৰাফট দিয়া নাই, সেইখিনিও হ'ব। ৩০ হাজাৰ পাৱাৰ টিলাৰ যোৱা চৰকাৰৰ দিনতেই আমি দিবলৈ সক্ষম হৈছো। আৰু এতিয়াওঁ বিভিন্ন আঁচনিৰ অধীনত HMNES ত আছে, RKVYত আছে, NFSM ত আছে। আমি এই ৰাজ সাহ্যৰ্য্যযুক্ত পাৱাৰটিলাৰ বিলাক দিম, থ্ৰেছাৰ দিম, ৰিপাৰ দিম। আৰু সেই কাৰণে উৎপাদন বাঢ়িছে আৰু মই আশা কৰিম যে আমাৰ এই চেক্টৰটো শক্তিশালী কৰা মানে কৃষকক শক্তিশালী কৰা আৰু গ্ৰাম্য অৰ্থনীতিত বুনিয়াদ শক্তিশালী হোৱা। মই সন্মানীয় সকলো সদস্যক আমাক দিহা পৰামৰ্শ দিবৰ কাৰণে আমাক সহযোগিতা কৰিবৰ

কাৰণে অনাগত দিনত আমি অনুৰোধ জনাইছো। মাননীয় মুখ্য মন্ত্ৰীয়ে এটা কথা কৈছে যে এই চেক্টৰটোৰ জৰিয়তে কিদৰে আমি স্বনিয়োজনৰ ব্যৱস্থা কৰিব পাৰো, তাৰ পৰিকল্পনা কৰি আছো। তাৰ কাৰণে আমি এখন সুস্থ আঁচনি বনাবৰ কাৰণে আমি কৃষি বিজ্ঞানী সকলৰ লগত আলাপ আলোচনা কৰিছো, কিদৰে এই চেক্টৰটোৰ জৰিয়তে শিক্ষিত নিবনুৱা যুৱক-যুৱতীক আমি সংস্থাপিত কৰিব পাৰো, তাৰ পৰিকল্পনা চৰকাৰে কৰিছে আৰু আমি আশা ৰাখিছো অহা ৫ টা বছৰত আমি নিশ্চিতভাৱে কৃষিখণ্ডটোত এক যুগান্তকাৰী পৰিবৰ্তন আনিবলৈ সক্ষম হ'ম। সন্মানীয় সকলো প্ৰতিনিধিৰে সহযোগিতা কামনা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এইখিনিতে মই এটা এনাউনচমেন্ট দিব খুজিছো যে আজি বাজেট সৰ্ম্পকে প্ৰাক্তন অতিৰিক্ত সচিব শ্ৰীসুভাষ দাস ডাঙৰীয়াৰ এটি ভাষণ আমাৰ জি এন বি বিল্ডিঙৰ সভাকক্ষত অনুষ্ঠিত কৰা হৈছে গতিকে সকলো সন্মানীয় সদস্যকে তালৈ আমন্ত্ৰিত কৰা হৈছে। লগতে সভাৰ পিচত অলপ জলযোগৰ ব্যৱস্থা কৰা হৈছে গতিকে সদন শেষ হোৱাৰ লগে লগে সকলো সন্মানীয় সদস্যকে তালৈ যাবলৈ অনুৰোধ কৰিলো। এতিয়া মই ৰামকৃষ্ণ ঘোষক বক্তব্য ৰাখিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীৰামকৃষ্ণ ঘোষ (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ বিষয়টো আছিল পৰ্য্যটন বিভাগৰ ওপৰত। মোৰ সমষ্টিত যোগীজান বুলি এটা অঞ্চল আছে। তাৰ ওপৰত মই ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, টুৰিজিম বিভাগটো আচলতে এটা বিভাগ নহয়। মই অধ্যয়ন কৰি দেখিছো যে, সকলো বিভাগ এই বিভাগৰ লগত সাঙোৰ খাই আছে। আমি ট্যুৰিজিমৰ ক্ষেত্ৰত কিবা এটা যদি স্পটৰ কথা কওঁ তেতিয়া হ'লে কিন্তু ট্যুৰিজিমৰ ডেভেল'পমেন্ট নহয়। গোটেই বিশ্বত যদি ট্যুৰিজিমৰ ক্ষেত্ৰ বুলি কয়, তেতিয়া হ'লে ফ্ৰান্সত আটাইতকৈ বেছি ফৰেইন exchange আৰ্নিং হয়। আমাৰ নিচেই ওচৰৰ দেশ ভুটানখনো ট্যুৰিজিমৰ ক্ষেত্ৰত আগবঢ়া। থাইলেণ্ড, ইটালী, চীন এই দেশবিলাক ট্যুৰিজিমৰ ক্ষেত্ৰত গোটেই বিশ্বৰ ভিতৰতে আগবঢ়া। কিন্তু আমাৰ অসমৰ ট্যুৰিজিম ইণ্ডাষ্ট্ৰীটো কেনেকৈ আমি আগবঢ়াই লৈ যাব পাৰো। মই যোগীজান অঞ্চলৰ কথাকে ক'ব বিচাৰিছো। যোগীজান অঞ্চলত পুৰাতত্ব বিভাগে যিটো excavation কৰিলে, যি খনন কাৰ্য্য চলাইছে তাৰ দ্বাৰা পৌৰানিক তত্ববিলাক তাত ওলাইছে। অসমীয়া সভ্যতা বা অসমীয়া জাতি সত্বা বুলি আমি যিটো কওঁ এইটো তাৰ পৰা প্ৰথম আৰম্ভ হৈছে। এইটো মই কোৱা নাই এইটো পুৰাতত্ববিদ, ৰিৰ্চাচাৰসকলে কৈছে। তাত oxford University Scholars, Researchers বিলাক গৈছে, জাপানৰ পৰা গবেষক গৈছে- ভাৰতৰ বিভিন্ন ঠাইৰ পৰা তালৈ গৈছিল। তেখেতসকলে কৈছে যে, তাত প্ৰথমে মাতৃ পূজা আৰম্ভ হৈছিল। এই যোগীজান অঞ্চলত শংখা দেৱী নামেৰে এক দেৱস্থান আছে। খনন কৰি গম পোৱা গৈছে যে তাত ৩ টা মন্দিৰ আছিল যদিও মূৰ্ত্তি নাছিলে। কালিকা পুৰাণৰ ১৭১ নম্বৰ পেজত দিয়া আছে যে তাতেই প্ৰথম কামাখ্যা দেৱীৰ মুৰ্ত্তি স্থাপন হৈছিল। কামাখ্যা দেৱীৰ পূজন তাতেই হৈছিল। আচলতে নীলাচল পাহাৰত যিটো আছে তাক যোনীপীঠ বুলি কয়। এই কামাখ্যা মন্দিৰত ইমান পৰ্য্যটক হয়, আনকি ভাৰত তথা গোটেই বিশ্বৰে পৰ্য্যটক তালৈ আহে। মহাভাৰতৰ কালৰে পৰা ১২২৭ চনলৈ তাত যিটো শৈলীৰ মঠ মন্দিৰৰ নিৰ্মাণকাৰ্য্য হৈছিল এইবোৰৰ যোগেদি অসমীয়া সভ্যতা, ইয়াৰ গুণ, বিশেষত্ব , বিকাশ ইত্যাদি আমি বিশ্ব দৰবাৰত দাঙি ধৰিব পাৰিলোহেতেঁন কিন্তু আজিলৈকে এইটো কৰা নহ'ল। কংগ্ৰেছ চৰকাৰে বহু বছৰ শাসন কৰিলে কিন্তু হোজাই অঞ্চলৰ যোগীজানক লৈ একো নকৰিলে। আপোনালোকে তালৈ গ'লে দেখিব তাত খনন চলাই ৬ টা দেব দেৱীৰ মুৰ্ত্তি উলিয়াইছে। কিন্তু

এই দেব দেবীৰ কথা অসমৰ ৰাইজে নাজানে। এইটো কোনে জনাব। এইবোৰ কথা পাবলিচিটিৰ অভাৱত অসমৰ ৰাইজে নাজানে। পুৰাতত্ব বিভাগে জনালেও তেনেকৈ হয়তো পাব্লিচিটি নকৰে। তাত যাবলৈ মিশ্যন, ভিজন- আৰু ডেষ্টিনেশ্যন দুয়োটাই লাগিব যে, ৰাইজে কিয় যাব তাতে? আমি ট্যুৰিজিমৰ ক্ষেত্ৰত দেখো যে, International Tourism and domestic Tourism বুলি দুটা কথা আছে। ট্যুৰিজিম বুলি ক'লে বহুতে ভাবে ফুৰিবলৈ যোৱাটো। প্ৰকৃততে সেইটো নহয়। আজিৰ দিনত ট্যুৰিজিম ভাগ ভাগ কৰা হ'ল। স্প্ৰিচুৱেল ট্যুৰিজিম, চোচিয়েল ট্যুৰিজিম, হেল্থ ট্যুৰিজিম, ইকোনোমিক ট্যুৰিজিম, পলিটিকেল ট্যুৰিজিম ইত্যাদি। এনেদৰে বিশ্বৰ ৰাইজে ট্যুৰিজিম ভগাই লৈছে- তেখেতসকলে সেই হিচাপে আছে। আমি যোগীজানক কি হিচাপে ল'ব পাৰো। আমি এইটো স্প্ৰিচুৱেল ট্যুৰিজিম হিচাপে ল'ব পাৰো। আৰ্কিওল'জিকেল বিভাগৰ দ্বাৰা খননত উদ্ধাৰ হোৱা মুৰ্ত্তি গবেষকসকল বা ষ্টুডেন্ট সকলৰ বাবে আৰ্কিওলোজিকেল চাইট হিচাপেও বা ট্যুৰিজিম স্পট হিচাপেও ল'ব পাৰো। আমি তাত শিলৰ ওপৰত বিভিন্ন চিত্ৰ কলা দেখিবলৈ পাওঁ। বিভিন্নধৰণৰ পিলাৰ বিলাকত এই চিত্ৰ কলা দেখিবলৈ পাওঁ। বাহুবলী চিনেমাত দেখুৱাৰ দৰে শিৱ লিঙ্গ আমি তাত দেখিবলৈ পাওঁ। এই বিলাক লৈ আলোচনা হ'ব লাগে। ১৯৫৪ চনত ন নাথ মন্দিৰৰ আবিস্কাৰো তাতেই হৈছিল। সেই মন্দিৰৰ যিটো ভাস্কৰ্য্য শৈলী , তাৰ স্থাপত্য সেইটো দেখিলে আচৰিত হৈ যাব লাগে। তাত স্প্ৰিচুৱেল বা পূজা কৰা হৈছিল। পৌৰানিক কালৰ পৰাই নীলাচল পাহাৰত মা কাম্যাখ্যাৰ পূজা হয়, কালিকা পুৰাণৰ ১৭১ পেজত সেইটো আছে। মাননীয় অধ্যক্ষ মহোদয়, মই সকলোকে আপীল কৰিছো যে সকলোৱে যোগীজানত যাব লাগে। আমাৰ পৰ্য্যটন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যদি গোটেই বিষয়টো লৈ লয় তেন্তে ভাল হয়। লগে লগে তাত ইনফ্ৰাচষ্ট্ৰাকচাৰ ডেভল'পমেন্টৰ কথাটো আহি যায়। যোগীজান যোৱা ৰাস্তা আছে যদিও কিন্তু তাত প্ৰকৃত ৰাস্তা হ'ব লাগিব। তেতিয়া ডোমেষ্টিক ট্যুৰিজিম হ'ব। থকা -খোৱাৰ যদি ব্যৱস্থা হয় বা চৰকাৰে কৰি দিয়ে তেতিয়া ট্যুৰিষ্ট নিশ্চয় যাব। হোজাই অঞ্চলত গ'লে দেখিব তাত আকাশী গঙ্গা আছে, বুঢ়ী গঙ্গা আছে, অলপ দুৰত কাজিৰঙা নেশ্যনেল পাৰ্ক আছে।

মাননীয় অধ্যক্ষ মহোদয়, আমি যদি গোটেই অঞ্চলটো সাঙুৰি লৈ ট'ৰিজিমৰ ওপৰত গুৰুত্ব দিওঁ তেতিয়া ডমেষ্টিক ট'ৰিজিমটো আমি আগবঢ়াই লৈ যাব পাৰিম। সেইকাৰণে মোৰ এটা অনুৰোধ যে যোগীজান অঞ্চলৰ ইমুৰৰ পৰা সিমুৰলৈ দুটা পাৰ আছে মাজতে ৰেল লাইন আছে। তাত যদি ৰেল বিভাগক কৈ এখন অভাৰ ব্ৰীজ কৰি দিয়াৰ ব্যৱস্থা কৰে তেতিয়াহ'লে বাহিৰৰ পৰা অহা ট'ৰিষ্ট সকলে তাত থকা বজাৰ বিলাকত গৈ ধুনীয়াকৈ বজাৰ কৰিব পাৰিব আৰু এইদৰে তাৰ বজাৰবিলাকৰ ডেভেলপমেণ্ট হ'ব। শেষত এটা কথা কওঁ যে তাত হাতী বিলাকে বহুত দিগ্দাৰ কৰে। গতিকে ট'ৰিজিমৰ ক্ষেত্ৰত এইটো এটা সমস্যা হ'ব পাৰে। সেইকাৰণে মই কৈছিলো যে কোমৰাকাটা বনাঞ্চলত যিটো 'অসমমালা', মই অসম চৰকাৰক ধন্যবাদ দিব খোজো যে, 'অসমমালা'ৰ যিটো প্ৰজেক্ট হৈ আছে তাত কিন্তু ট্ৰাঙ্ক ৰোড বা আণ্ডাৰ পাচ দিয়াৰ কোনো ব্যৱস্থা হোৱা নাই। মই আজি এই সদনৰ জৰিয়তে আপোনাৰ মাধ্যমেৰে এপীল কৰিব খোজো যে তাত ট্ৰাঙ্ক ৰোড এটা দিয়াৰ ব্যৱস্থা হওক। সেইটো হ'লে আমাৰ এই অঞ্চলৰ ধুনীয়াকৈ এটা ট'ৰিজিমৰ ব্যৱস্থা হ'ব। ধন্যবাদ। নমস্কাৰ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কওক।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি, পৰ্য্যটন ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হোজাই সমষ্টিৰ মাননীয় বিধায়ক ৰামকৃষ্ণ ঘোষ ডাঙৰীয়াই কৈছে, হোজাই জিলাৰ এটা অতি উল্লেখযোগ্য পৰ্য্যটনৰ

সম্ভাৱনা থকা এডোখৰ ঠাই হৈছে যোগীজান। তেখেতে আজি যোগীজানৰ বিষয়ে সদনৰ দৃষ্টি আকৰ্ষণ কৰিছে। মই মাননীয় বিধায়ক ডাঙৰীয়াক ধন্যবাদ জনাইছো যে যোগীজান সম্পৰ্কত তেখেতে ৩০১ডিভাইচৰ জৰিয়তে এই গোটেই বিষয়টো তুলি ধৰিলে। তাৰ জৰিয়তে আমাৰ সদনৰ সন্মানীয় সদস্যসকলৰ লগতে অসমবাসীও যোগীজান সম্পৰ্কত এটা ধাৰণা পাবৰ কাৰণে সক্ষম হ'ব। মাননীয় অধ্যক্ষ মহোদয়, যোগীজান বিভিন্ন ঐতিহাসিক সমলেৰে চহকী এডোখৰ ঠাই য'ত ৭ শতিকা, ৮ শতিকা, ১০, ১১ শতিকা এনেধৰণৰ সময়ৰ বহু ভাস্কৰ্য্য শিল্প আমি তাত দেখিবলৈ পাও। বিশেষজ্ঞসকলে এইসমূহ ভাস্কৰ্য্য শিল্প তেতিয়াৰ দিনৰ বুলি অনুমান কৰে আৰু তাত ভাস্কৰ্য্য শিল্প, বিভিন্ন মঠ-মন্দিৰ, দেৱালয় কেইবাটাও স্থান আছে। এই সমূহ যদি আমি উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰো আৰু তাৰ লগে লগে যোগাযোগ, যাতায়ত ব্যৱস্থাটোও যদি আমি শক্তিশালী কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰো নিশ্চয় যোগীজান আমাৰ ঘৰুৱাই নহয় বৰঞ্চ দেশী-বিদেশী পৰ্য্যটকৰো আকৰ্ষণৰ কেন্দ্ৰস্থল হৈ পৰিব। কাৰণ কাজিৰঙা অভয়াৰণ্যৰ একেবাৰে কাষতেই বৰ বেছি দূৰ নহয়, একেবাৰে ওচৰতেই সেই স্থান আছে। সেইকাৰণে পুৰাতত্ব বিভাগ আৰু পৰ্য্যটন বিভাগ দুয়োটা বিভাগৰ সমন্বয়ত আমি যোগীজানৰ সেই ঐতিহাসিক কীৰ্তি চিহ্নসমূহ, সমল সমূহ জনসাধাৰণৰ কাৰণে, জনসাধাৰণক সেই সম্পৰ্কত তেখেত সকলৰ অনুসন্ধিৎসাৰ লগতে যি আধ্যাত্মিক চিন্তা, আধ্যাত্মিক এক পৰিৱেশ তেখেত সকলে যাতে পাব পাৰে তাৰ কাৰণে এটা বাতাৱৰণ আমি নিৰ্মাণ কৰাৰ যথেষ্ট সম্ভাৱনা আছে। অধ্যক্ষ মহোদয়, তাত কেইবাটাও অতি গুৰুত্বপূৰ্ণ স্থান সেই অঞ্চলত বিভিন্ন ঠাইত অৱস্থিত। তাৰে এটা গুৰুত্বপূৰ্ণ স্থান হৈছে-ৰাজবাৰী। আমাৰ আৰ্ক'লজিকেল ডিপাৰ্টমেণ্টে 'ৰাজবাৰী Archaeological Site' বুলি নামাকৰণ কৰিছে। হোজাই চহৰৰ পৰা ১০ কিলোমিটাৰ দূৰত অৱস্থিত। সেই চাইটটোত প্ৰায় ৬টা ওচৰা-ওচৰিকৈ শিৱ মন্দিৰ আছে। প্ৰায় ১১ শতিকাত এইসমূহ নিৰ্মাণ কৰা হৈছে বুলি অনুমান কৰা হয় আৰু ঠিক তেনেধৰণে শিলেৰে নিৰ্মাণ কৰা যিসমূহ দুৱাৰৰ ফ্ৰেম, খুঁটা ইত্যাদিসমূহ আছে, সেইসমূহ নিশ্চয় পৰ্য্যটকক আকৰ্ষিত কৰিব পৰা কৈ যথেষ্ট সম্ভাৱনা আছে। যোগীজান মূলগতঃ ঐতিহাসিক সমলেৰে পৰিৱেষ্টিত আৰু এই সমলসমূহ পুৰাতত্ব বিভাগে চোৱা-চিতা কৰি থাকে। পুৰণি মন্দিৰ, ঐতিহাসিক সমলসমূহৰ প্ৰচুৰ সম্ভাৱনা আমি সেই অঞ্চল সমূহত বিচাৰি পাওঁ আৰু তাৰ কাৰণে যোগীজান সম্পৰ্কত জনসাধাৰণক অৱগত কৰিবৰ কাৰণে, জনসাধাৰণে জানিবৰ কাৰণে নিশ্চয় আগন্তুক দিনত পৰ্য্যটন বিভাগ আৰু Archaeological বিভাগ এই দুইটা বিভাগৰ তৰফৰ পৰা প্ৰমোচন আৰু ডেভেলেপমেণ্টৰ উদ্যোগ গ্ৰহণ কৰা হ'ব আৰু সেই সম্ভাৱনাময় যিপৰ্য্যটনস্থলীসমূহ, আধ্যাত্মিক কেন্দ্ৰসমূহ আছে সেই কেন্দ্ৰসমূহ যদি আমি ভালধৰণে আগুৱাই লৈ যাব পাৰো সেই অঞ্চলৰ জীৱন-জীৱিকাৰ লগতে আৰ্থ-সামাজিক দিশটোও যথেষ্ট টনকিয়াল হোৱাত সহায়ক হ'ব। গতিকে অতি গুৰুত্ব পূৰ্ণ আমাৰ বিষয় আজি সেই অঞ্চ লটোৰ ৰাইজৰ কাৰণে মাননীয় বিধায়ক ডাঙৰীয়াই উত্থাপন কৰিছে। মই তেওঁক ধন্যবাদ জনাইছো। ঠিক সেইদৰে শঙ্খধবী বুলি Archaeological Site এটা আছে। তিনিটা মন্দিৰেৰে পৰিৱেষ্টিত সেই স্থান। কপিলী এখন সুঁতি, এখন উপনৈ সেইখনেই যোগীজান। একেবাৰে সেই কপিলী নৈৰ কাষতেই অৱস্থিত আৰু প্ৰচুৰ শিলৰ কাৰুকাৰ্য্য আমি তাত দেখিবলৈ পাওঁ আৰু উল্লেখযোগ্য যে এইশঙ্খধবী মন্দিৰলৈ উঠি যাবৰ কাৰণে ডাঙৰ শিলৰ খঁটখটী তাত নিৰ্মাণ কৰা আছে। সেইটোও পৰ্য্যটকসকলৰ কাৰণে আকৰ্ষণৰ বিন্দু হিচাপে আমি ৰাইজৰ মাজত প্ৰচাৰ নিশ্চয় কৰিব পাৰো। ঠিক তেনেধৰণে 'ন থান' তাত পাঁচটা শিৱ মন্দিৰ আৰু ওচৰতে কেন্দুগুৰি বুলিও যি ডোখৰ ঠাই আছে, সেই কেন্দুগুৰিতো এটা শিৱ মন্দিৰ আছে।

সেইকাৰণে গোটেইকেইটাকে 'ন থান' বুলি কোৱা হয়। ন বুলি কিয় কোৱা হয় নাজানো কিন্তু।

**শ্ৰী ৰামকৃষ্ণ ঘোষ, (হোজাই) ঃ** ন টা শিৱ লিঙ্গ একেলগে আছে সেইকাৰণে 'ন থান' বুলি কয়।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি, পৰ্য্যটন ইত্যাদি ) ঃ** একেলগে আছে, হয় নেকি? গতিকে বিভিন্ন ধৰণৰ অনুসন্ধিৎসা পূৰণ কৰাৰ নিমিত্তে যোগীজান নিশ্চিতভাৱে পুৰাতত্বৰ বিভিন্ন সমলেৰে এখন চহকী পৰ্য্যটন স্থলীলৈকে আমি পৰ্য্যবসিত কৰাৰ যথেষ্ট Scop আছে। কাৰণ সেই যিসমূহ শিলালিপি আছে সেই সমূহত বিভিন্ন চিত্ৰ অংকিত হোৱাৰ লগতে বিভিন্ন জীৱ-জন্তু, প্ৰকৃতিৰো চিত্ৰ অংকিত হৈ আছে। গতিকে সেইখিনি কথা নিশ্চয় পৰ্য্যটন মানচিত্ৰত আমি সংযোজন কৰাৰ অৱকাশ যথেষ্ট আছে আৰু সেই কাৰণে আগন্তুক দিনবিলাকত Archaeological ডিপাৰ্টমেণ্ট আৰু ট'ৰিজিম ডিপাৰ্টমেণ্ট দুয়োটা ডিপাৰ্টমেণ্টে সেই অঞ্চলত একেলগে কাম কৰাৰ চিন্তা আগন্তুক দিনত নিশ্চয় কৰিম। সেইকাৰণে বিধায়ক ডাঙৰীয়াৰো এই ক্ষেত্ৰত সহযোগিতা বিচাৰিছো আৰু সময়-সুবিধা পালে আমি একেলগে বিষয়া-কৰ্মচাৰী সকলৰ লগত সেই স্থান পৰিভ্ৰমণ কৰি আমাৰ পৰ্য্যটন মানচিত্ৰৰ লগতে আমাৰ আধ্যাত্মিক এটা কেন্দ্ৰৰূপেও যাতে গঢ় দিব পাৰো তাৰ উদ্যোগ আমি নিশ্চয় গ্ৰহণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ৰামকৃষ্ণ ঘোষ (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা ইয়াত উল্লেখ হোৱা নাই। তাত ডাঙৰ ডাঙৰ পুখুৰীবিলাক আছে। যেনে- দীঘলী পুখুৰী, আমলি পুখুৰী সেইবোৰ পুখুৰীও পৰ্য্যটনস্থল হিচাপে গঢ় দিব পৰা যায়।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, এই সম্পৰ্কত আপুনি মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰি ল'ব।

**শ্ৰী বিমল বৰা (মন্ত্ৰী, শক্তি, পৰ্য্যটন ইত্যাদি ) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অলপ আগতে তেখেতে এটা গুৰুত্বপূৰ্ণ কথা কৈছিল যে যিসমূহ আধ্যাত্মিক কেন্দ্ৰ আছে বিশেষকৈ নামঘৰ, মন্দিৰ সমূহৰ চৌহদৰ কাষত পুখুৰী নিৰ্মাণ কৰাৰ কথা। আপুনি যিহেতু পুখুৰী নিৰ্মাণৰ কথা কৈছে গতিকে মই কৈ থলে ডাঙৰ ডাঙৰ যিসমূহ পুখুৰী আছে, সেই পুখুৰীসমূহ মুখ্য মন্ত্ৰী ডাঙৰীয়াই কোৱা ধৰণে আমি উন্নত কৰিবৰ কাৰণে উদ্যোগ গ্ৰহণ কৰিম।

**শ্ৰী পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথা এটা আছে। ইয়াত ভুল কথা এটা উপস্থাপন হৈছে। সেইকাৰণে মই ক'ব খুজিছো যিহেতু এইখন আমাৰ পৱিত্ৰ সদন। সেয়া হৈছে যে যোগীজান এখন থান নহয়। যিখিনি কথা ইয়াত আলোচনা হৈছে বহুত গুৰুত্বপূৰ্ণ কথা। সেইয়া হৈছে যে কপিলী উপত্যকাৰ কথা। যি কপিলী উপত্যকাত আমি সকলোৰে জানো যে মহামাণিক্য আমাৰ বৰাহী ৰজাসকলৰ পৃষ্ঠপোষকতাত আমাৰ অসমীয়া ভাষাৰ চিন্ত-চৰ্চ্চা আৰম্ভ হৈছিল আৰু তাতেই মাধৱ কন্দলী ডাঙৰীয়াই আমাৰ ৰামায়ণ খন প্ৰথম সংস্কৃতৰ পৰা ভাঙণি কৰিছিল। গতিকে ইয়াত যোগীজান হ'ব নালাগে ইয়াত কপিলী উপত্যকা হিচাপে উপস্থাপন কৰি যদি তাত পৰ্য্যটনৰ আকৰ্ষণৰ কেন্দ্ৰ কৰে তেতিয়াহ'লে ই বিজ্ঞানসন্মত হ'ব। আৰু এটা কথা ইয়াত উল্লেখ হোৱা নাই। তাত ডাঙৰ ডাঙৰ পুখুৰীবিলাক আছে। যেনে- দীঘলী পুখুৰী, আমলি পুখুৰী সেইবোৰ পুখুৰীও পৰ্য্যটনস্থল হিচাপে গঢ় দিব পৰা যায়।

**মাননীয় অধ্যক্ষ ঃ** নিশ্চয় তেখেতে সেইটো কৰিব। এতিয়া কাৰ্য্যসূচী নং-৪। মাননীয় বিত্ত মন্ত্ৰী তেখেতে "The Assam Value Added Tax (Amendment ) Bill, 2021". উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰি প্ৰস্তাৱ কৰিব। মই তেখেতক প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Value Added Tax (Amendment ) Bill, 2021". বিধেয়ক খন সদনত উত্থাপন কৰিবলৈ মই সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি দিয়ে)

**মাননীয় অধ্যক্ষ ঃ**ৰাজভৱনৰ পৰা বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০২১ চনৰ ১১ জুলাই তাৰিখত এটা বাণী পঠিয়াইছে। । বাণীটো হ'ল- Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommended introduction of "The Assam Value Added Tax (Amendment ) Bill, 2021" in the Assam Legislative Assembly. এতিয়া মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী অজন্তা নেওঁগ (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Value Added Tax (Amendment) Bill, 2021' বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিবঃ** বিধেয়কখনৰ শিৰোনাম -'The Assam Value Added Tax (Amendment) Bill, 2021.'

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় বিত্ত মন্ত্ৰীক 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2021' বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2021' বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** অধ্যক্ষ মহোদয়, বিধেয়কখন উত্থাপন কৰাৰ সময়ত মই এটা কথা স্পষ্টভাৱে জানিব বিচাৰিছো আমাৰ যি সকল Purchaser ক E-tax invoice দিব, এই ক্ষেত্ৰত.. (interruption)..

**মাননীয় অধ্যক্ষঃ** আপুনি এইটো Amendment আনিব। এতিয়া উত্থাপনহে কৰা হৈছে, আলোচনা কৰা হোৱা নাই।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** অধ্যক্ষ মহোদয়, Consideration stageত থাকিলে ক'ব পাৰি।

**মাননীয় অধ্যক্ষঃ** হয়, ক'ব পাৰি, কিন্তু মই জানিব বিচাৰিছো যে আলোচনাটো আজিয়েই কৰাৰ প্ৰয়োজন আছে নেকি? ইয়াৰ ওপৰততো আলোচনা হ'বই।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** Consideration stage ত আমি Satisfy হ'লেহে সদনে অনুমতি দিব পাৰিব।

**মাননীয় অধ্যক্ষঃ** সদনে ইতিমধ্যে অনুমতি দিছেই।

**শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** সদনে অনুমতি দিছে যদি হ'ব।

**মাননীয় অধ্যক্ষঃ** পিছত সংশোধনী আনিলে আলোচনা কৰিব পৰা যাব। উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ১১-০৭-২০২১ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো-

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2021.'in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2021' বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিবঃ** বিধেয়কখনৰ শিৰোনাম - 'The Assam Taxation (on Specified Lands) (Amendment) Bill, 2021.'

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং -৬

মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক 'The Assam Electricity Duty (Amendment) Bill, 2021' বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Electricity Duty (Amendment) Bill, 2021' বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)

**মাননীয় অধ্যক্ষঃ** উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে ১১-০৭-২০২১ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো-

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Electricity Duty (Amendment) Bill, 2021.'in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Electricity Duty (Amendment) Bill, 2021' বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিবঃ** বিধেয়কখনৰ শিৰোনাম -'The Assam Electricity Duty (Amendment) Bill, 2021.'

**মাননীয় অধ্যক্ষঃ** এতিয়া কাৰ্য্যসূচী নং -৭

মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীক 'The Assam Agricultural Income Tax

(Amendment) Bill, 2021' বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে অনুমতি বিচাৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমতী অজন্তা নেওঁগ, (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Agricultural Income Tax (Amendment) Bill, 2021' বিধেয়কখন সদনত উত্থাপন কৰাৰ বাবে সদনৰ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন উত্থাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে?

(সদনে সন্মতি জনায়)

**মাননীয় অধ্যক্ষঃ** উক্ত বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে মাননীয় ৰাজ্যপাল মহোদয়ে ১১-০৭-২০২১ তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো-

Under the provision of Article 207 (1) of the Constitution of India, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of 'The Assam Agricultural Income Tax (Amendment) Bill, 2021.' in the Assam Legislative Assembly.

এতিয়া মই মাননীয় বিত্ত মন্ত্ৰীক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰীমতী অজন্তা নেওগ (বিত্তমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'The Assam Agricultural Income Tax (Amendment) Bill, 2021' বিধেয়কখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** এতিয়া বিধান সভাৰ সচিবে বিধেয়কখনৰ শিৰোনাম পঢ়ি দিব।

**সচিবঃ** বিধেয়কখনৰ শিৰোনাম -'The Assam Agricultural Income Tax (Amendment) Bill, 2021.'

**মাননীয় অধ্যক্ষঃ** এতিয়া সদন ১৫ জুলাই, ২০২১ তাৰিখৰ ৰাতিপুৱা ০৯-৩০ বজালৈ স্থগিত ৰখা হ'ল।